# নিচান

ড০ দীপক মজুমদাৰ

অংশুমান প্ৰকাশন
গুৱাহাটী

**NISHAN** : A Collection of Assamese Thrillers written by Dr. Deepak Majumdar and Published by M/S Angshuman Prakashan, New Sarania, Guwahati - 3

# নিচান

রহস্য গল্পৰ সংকলন

লিখক ঃ

ড° দীপক মজুমদাৰ

প্ৰকাশক ঃ

অংশুমান প্ৰকাশন

নতুন শৰণীয়া, গুৱাহাটী - ৭৮১০০৩

প্ৰথম প্ৰকাশ ঃ জুন, ২০০১, দ্বিতীয় প্ৰকাশ ঃ মাৰ্চ, ২০০৭

মুদ্ৰক ঃ

কুনাল কম্পিউটাৰ প্ৰিণ্টাৰ্ছ

পাঠশালা

মূল্য ঃ

বিশ টকা

## এই একে লিখকৰে ঃ

- শংকা আশংকা আৰু মৃত্যু
- নিচান
- ৰক্তিম ৰত্ন
- আক্ৰোশ
- সোণালী পৰশ
- শিখৰৰ ৰাজকন্যা
- শৰাইঘাট
- গধূলি লগ্ন
- বিজয়ী
- জুই জ্বলিল

সূচী ঃ


| | |
|---|---|
| নিচান | ঃ ১ ঃ |
| আতংক | ঃ ২০ ঃ |
| শিহৰণ | ঃ ৩৮ ঃ |
| সন্ত্রাস | ঃ ৫৯ ঃ |

# নিচান

'হেল্ল!'

'আলী চাহাব নেকি? মই কৈছো। টাইগাৰ।'

'ক'ৰ পৰা কৈছা?'

'গুৱাহাটীৰ পৰা।'

'কোৱা।'

'ঘৰটোৰ বন্দৱস্ত হ'ল। সৰু ভাড়াঘৰ। খাৰঘূলিৰ আটাইতকৈ ওখ পাহাৰখনত আছে ঘৰটো। তাৰ পৰা ব্ৰহ্মপুত্ৰ নদী, ছত্ৰাকাৰ দেৱালয়, হিলভিউ হোটেল, ৰাজভৱন সকলো দেখা পোৱা যায়।'

'আৰু ৰাইফলৰ ৰেঞ্জ?'

'মোৰটোৱে ঢুকি পোৱা নাযাব। নতুন এটা পঠিয়াব লাগিব।'

'ঠিক আছে, মানুহ এজনৰ হাতত পঠিয়াম।'

'লগত টকাও লাগিব। পঠিয়াবলৈ নাপাহৰিব।'

'ঠিক আছে।'

টেলিফোনৰ ৰিচিভাৰটো ক্ৰেডেলত থৈ মানুহজনে চাৰিওফালে চালে। পি. চি. অ'টোত তেতিয়া কোনো গ্ৰাহক নাই। তেওঁ আয়নাৰ চেম্বাৰটোৰ দুৱাৰখন খুলি বাহিৰলৈ ওলাই আহিল। পি. চি. অ'টোৰ অপাৰেটৰজনৰ চকুলৈ নোচোৱাকৈয়ে তেওঁ সুধিলে 'কিমান হ'ল?'

'সত্তৰ টকা।'

'কি?'

'অ। মুম্বাইলৈ বহুদূৰ। তাতে দিনত এনেও ৰেট বেছি।'

'ঠিক আছে।'

মানুহজনে পইচাখিনি দি পি. চি. অ'টোৰ পৰা ওলাই আহি পথত ভৰি দিলে।

প্ৰখৰ দুপৰীয়া যদিও পল্টন বজাৰৰ জি. এছ. ৰ'ডত তেতিয়াও প্ৰচণ্ড ভিৰ। মানুহজনে যেন যিমান পাৰে সোণকালেই পথৰ ভিৰৰ মাজত হেৰাই যাব খুজিলে।

২

পূৱালীৰ কৌতূহলে চৰমসীমা পাইছিল। পিছফালৰ পাহাৰখনত সিহঁতে নতুনকৈ সজা সৰু ভাড়া ঘৰটোও যে কোনোবাই অত্যাধিক ভাড়াত তিনিমাহৰ আগধন দি ল'বলৈ ওলাব, সেয়া তাইৰ সপোনৰো অগোচৰ আছিল। দেউতাক এজমা বেমাৰী অনল শৰ্মাই সকাহ পাইছিল। এতিয়া মাটিখিনিৰো দখল ৰ'ব আৰু হাতলৈকো পইচা আহিব।

পূৱালীয়ে মন কৰিছিল ভাড়াতীয়াজন দিনটো ঘৰটোতে সোমাই থাকে, গধূলিহে ওলাই যায় আৰু মাজনিশাহে ওভতে। পূৱালীয়ে বি. এ. পৰীক্ষাৰ বাবে নিশা বহু দেৰিলৈকে পঢ়ে। তাইৰ খিৰিকীখন জপাই থোৱা থাকিলেও ভাড়াতীয়াজন কাষৰ লুণ্ডলুণ্ডীয়া কেঁচা মাটিৰ পথটোৰে খুপি খুপি উঠি যোৱাৰ উমান তাই স্পষ্টকৈ পায়; কিন্তু দিনত মানুহজনে দূৰবীণ এটা লৈ যে অনবৰত চাৰিওফালে চকুফুৰাই থাকে, সেইটোৱেহে তাইক অস্বস্তিত পেলাইছিল। কিন্তু আজিৰ দুপৰীয়াৰ দৃশ্যটোৱে তাইক আৰু কৌতূহলী কৰি তুলিছিল। তাইৰ চকুত পৰিছিল ভাড়াতীয়াজনে দুই কোঠালীৰ ঘৰটোৰ পিছফালৰ কোঠাটোৰ খিৰিকীখনেৰে দূৰলৈ চাই থকা; কিন্তু হাতত তেতিয়া আগতে থকাৰ দৰে দূৰবীণ নাছিল। আছিল দীঘল ধাতৱ ক'লা নলী এডাল।

ৰাইফল নহয়তো!!

পূৱালীৰ কৌতূহল তেতিয়াই চৰমসীমা পাইছিল; কিন্তু কাক তাইৰ অভিজ্ঞতাখিনি ক'ব? ঘৰভাড়াৰ পইচাই সিহঁতৰ অভাৱগ্ৰস্ত পৰিয়ালটোলৈ এতিয়া কিছু সুস্থিৰতা আনিছে। দেউতাক শয্যাশায়ী। মাক দিনটোত নাথাকেই, স্কুলত কাম কৰে বাবে ৰাতিপুৱাই ওলাই যায়। তাই দেউতাকক পৰ দি আৰু পৰীক্ষাৰ বাবে পঢ়ি-শুনিয়েই এই কেইদিন সময় কটাইছিল। এনেকুৱা এটা সময়ত এই দৃশ্যটোৱে তাইক দুশ্চিন্তাতো পেলালে।

পূৱালীৰ খেয়াল হ'ল ভাড়াতীয়া মানুহজন খিৰিকীখনৰ পৰা হঠাতে যেন আঁতৰি গ'ল। কিন্তু খন্তেক পিছতে ভাড়াতীয়া জনে বাহিৰৰ দৰ্জাখনত প্ৰকাণ্ড তলা এটা মাৰি সুহঁৰিয়াই সুহঁৰিয়াই তললৈ নামি গ'ল। ভাড়াতীয়াজন যোৱাৰ বেছ কিছুপৰলৈ নিশ্চল হৈ থাকি অৱশেষত তাই ঠিক কৰিলে, তাই নিজেই ঘৰটো পৰীক্ষা কৰি চাব। মানুহজন যদি ছদ্মবেশী উগ্ৰপন্থী হয়, বিপদৰ সন্মুখীন সিহঁতেই হ'ব লাগিব।

পূৱালী ওলাই আহিল। পিছফালৰ বাৰান্দাখনৰ নিচেই কাষেদি ওপৰলৈ উঠি যোৱা মাটিৰ ঢাপৰ চিৰিয়েদি তাই বেছ খৰ খোজেৰেই উঠি গ'ল। ঘৰটোৰ নিৰ্দ্দিষ্ট বাহিৰে

খিৰিকীখনৰ ওচৰত থিয় হৈ তাই তললৈ চাই পঠিয়ালে। প্ৰায় বিশ মিটাৰমান তলত পূৱালীহঁতৰ টিনৰ ঘৰটো। বহুদূৰৈত ব্ৰহ্মপুত্ৰ নৈখন, কিন্তু....।

খিৰিকীখনেৰেতো ব্ৰহ্মপুত্ৰখন নেদেখি। তেন্তে?

মানুহজনে তেতিয়া হ'লে কি চাই থাকে? পূৱালীয়ে নিজকেই নিজে সুধিলে। উত্তৰো পিছে তাইৰ জনা আছে। দূৰৈত ৰাজভৱনৰ এছোৱা আৰু হিলভিউ হোটেলৰ একাংশ স্পষ্টকৈ চকুত পৰে। মানুহজনে এই দৃশ্যটোকে সদায় কিয় চাই থাকে?

আৰু আজি তাই দেখা দীঘল ক'লা নলীডাল!

হে ভগৱান.... মানুহজনে কিহবাৰ নিচান ঠিক কৰি থকা নাইতো!!

পূৱালী নামি আহিল।

কাক কথাষাৰ ক'ব তাই?

৩

দিনটো বেছ উৎকণ্ঠাৰে পাৰ কৰিলে পূৱালীয়ে। পঢ়া-শুনাত সমূলি মন বহাব নোৱাৰিলে তাই। দেউতাকৰ আবেলিৰ ঔষধ পালিৰ যোগান ধৰিব ওলাওঁতেই কলিংবেল বজাৰ শব্দ শুনি তাই বাহিৰলৈ ওলাই আহিল। বাহিৰৰ বাৰান্দাত এজন অচিনাকী পুৰুষ থিয় হৈ থকা দেখি তাই অস্বস্তিত পৰিল।

'টাইগাৰ .... মানে ৰুস্তম ছিদ্দিক নাই নেকি?' ওখ হটঙা আফগানী পোছাক পিন্ধা উত্তৰ ভাৰতীয় চেহেৰাৰ আগন্তুকজনে হিন্দীতেই সুধিলে।

'ৰুস্তম ছিদ্দিক?'

'আপোনালোকৰ পিছফালৰ ভাড়াঘৰটোত যে নতুনকৈ থাকিবলৈ লৈছে, তেওঁৰ কথাই সুধিছো।'

'তেখেত দুপৰীয়াই ওলাই গৈছে।' পূৱালীয়ে হিন্দীতে উত্তৰ দিলে।

'ঘূৰি আহিলে ক'ব মই আহিছিলো বুলি। মুম্বাইৰ পৰা। আলী চাহাবে পঠিয়াইছিল বুলি ক'লেই তেওঁ বুজি পাব। মই পল্টন বজাৰৰ ৰাইনো হোটেলত আছো। ৰুম নম্বৰ ৩০২। তেওঁ যেতিয়াই উভতি আহে তেতিয়াই মোক লগ ধৰিবলৈ ক'ব।' কথাখিনি কৈ তেওঁ উভতি গ'ল ; কিন্তু দুখোজমান গৈয়ে আকৌ ঘূৰি আহিল। এইবাৰ তেওঁ কিছু চিন্তিতভাৱে সুধিলে, 'হিলভিউ হোটেল আৰু ৰাজভৱন ক'ত ক'ব পাৰেনে?'

'মেইন ৰাস্তাৰে অলপ দূৰ গ'লেই দেখা পাব।'

'ইয়াৰ পৰা দেখা নাপায় নেকি?'

'ঠিক ইয়াৰ পৰা নহয়, আমাৰ ভাড়াঘৰটোৰ পৰাহে দেখা পায়।' পূৰালীয়ে ক'লে।

'ঠিক আছে।'

এইবাৰ আগন্তুকে উভতি খোজ দিলে। পূৰালী কিন্তু তেওঁ যোৱাৰ পিছতো কিছুপৰলৈ ঠাইতেই স্থবিৰ হৈ ৰ'ল। এই গোটেই ঘটনাটোৱেই তাইৰ মনলৈ এক আচহুৱা অনুভূতি আনি দিলে। তাই কিঞ্চিত উত্তেজনাও অনুভৱ কৰিলে। এসময়ত বৰকৈ পঢ়া দস্যু ভাস্কৰ চিৰিজৰ উপন্যাস কেইখনৰ পটভূমিবোৰ এটা এটাকৈ তাইৰ মনত পৰিব ধৰিলে। আৰু ঠিক সেই কাৰণেই হয়তো তাইৰ মনলৈ যেন কিছু সাহসৰ ঢৌ ঘূৰি আহিল। অনাগত দিনবোৰ যিয়েই নহওঁক, তাই সাহসেৰেই মুখামুখি হ'ব। এইৰূপ ৰোমাঞ্চৰ ভাৱ তাই কাক দিব? শয্যাশায়ী ৰুগীয়া পিতৃক নে দিনটো কামতে ব্যস্ত থকা ভাগৰুৱা চিন্তাক্লিষ্ট মাকক?

তাই ঠিক কৰিলে আপাততঃ তাই একোকে কাকো নজনায়। নিজেই অধীৰ আগ্ৰহেৰে বাট চাই ৰ'ব পৰৱৰ্ত্তী ক্ষণটোলৈ।

পূৰালী ঘৰৰ ভিতৰলৈ সোমাই আহিল।

পিছৰ সময়খিনি যেন পূৰালীৰ নাযায়, নুপুৰাই। পঢ়া-শুনাৰ মাজতো তাই উৎকৰ্ণ হৈ ৰ'ল খিৰিকীৰ সিপাৰৰ মাটিৰ ঢিপৰ পথটোৰে কোনোবা উঠি যোৱাৰ শব্দ শুনিবলৈ। পিছলৈ অৱশ্যে তাইৰ উত্তেজনা প্ৰশমিত হৈ আহিল। ঠিক নিশা এঘাৰটা বজাতহে তাইৰ কাণত পৰিছিল সুহুঁৰিয়াই-সুহুঁৰিয়াই ৰুস্তম ছিদ্দিক ওপৰলৈ উঠি যোৱাৰ শব্দ। তেতিয়া অৱশ্যে খবৰটো দিয়াৰ সময় নাছিল। পিছদিনাখন ৰাতিপুৱাহে তাই খবৰটো দিব পাৰিলে আৰু......

ৰুস্তম ছিদ্দিকৰ চুকুৱে-মুখে তৎকালেই উত্তেজনাৰ অভিব্যক্তি এটা প্ৰকাশ পালে।

'হোটেলৰ নামটো কি বুলি ক'লে?' আকৌ সুধিলে ৰুস্তম ছিদ্দিকে।

'ৰাইনো হোটেল। ৰুম নম্বৰ ৩০২।'

৪

পল্টন বজাৰৰ জি. এছ. ৰোডৰ ভাঁজটোৰ পৰা এশমিটাৰমান আঁতৰৰ পশ্চিমলৈ যোৱা গলি এটাৰ কাষতে আছে পাঁচ মহলীয়া হোটেল ৰাইনো। ঠেক গলিটোৰ

হোটেলখনৰ সকলো সৌন্দৰ্য্যই আছে। সেয়েহে হবলা হোটেলখনৰ ভিৰো বেছি, কোঠাও বেছি। ৰুস্তম ছিদ্দিক পিছে হোটেলখনলৈ আগতেও আহিছিল। সেয়েহে ৩০২ নং কোঠাটো বিচাৰি উলিয়াওঁতে কোনো অসুবিধা নাপালে। বন্ধ দৰ্জাখনত প্ৰথমটো টোকৰ দিওঁতেই ভিতৰৰ পৰা হিন্দীতেই ভাঁহি আহিল, ' কোন ?'

' মই ৰুস্তম ছিদ্দিক।'

দৰ্জাখন প্ৰায় লগে-লগেই খোল খালে।

ৰুস্তম ছিদ্দিক ভিতৰলৈ সোমাই গ'ল। কোঠাটোত অকল এজনেই লোক। টাইগাৰ ৰুস্তম ছিদ্দিকে বুজিলে তেৱেঁই আলী চাহাবৰ মানুহ। সোঁহাতৰ মধ্যমা আঙুলিটোত থকা নীলা বাখৰৰ আঙুঠিটোৱেই ইয়াৰ প্ৰমাণ। অৱশ্যে প্ৰথম দৰ্শনতে ছিদ্দিক কিছু নিৰাশো হৈছিল। খাৰঘুলিৰ ঘৰটোৰ আশে-পাশে অকল অসমীয়া মানুহৰেই বসতি। তেনে এটা পটভূমিত আলী চাহাবে সম্পূৰ্ণ বিপৰীত চেহেৰাৰ মানুহ এজনক পঠিয়াই ভুল কৰা নাইতো! ওখ-পাখ, তেজৰঙা চেহেৰাৰ মানুহজনে সহজেই লোকৰ দৃষ্টি আকৰ্ষণ কৰিব।

কিন্তু এই ভুলটোৰ এতিয়া শুধৰণি নাই।

' মোৰ নাম ইব্ৰাহীম।' নীৰৱতা প্ৰথমে তেৱেঁই ভাঙিলে।

' গম পাইছো।'

' আপুনি বিচৰা দুয়োটা বস্তু লৈ আহিছো। অৱশ্যে মোৰ লগত এতিয়া টকাখিনিহে আছে। আচল বস্তুটো মানে ৰাইফলটো বেলতলা বোলা ঠাই এডোখৰত থকা গুদাম এটাত পৰি আছে। তাৰ পৰাহে আনিব লাগিব।' কথাষাৰ কৈ ইব্ৰাহীমে নিজৰ ভি. আই. পি. চুটকেছটো খুলি সৰু চামৰাৰ ব্ৰীফকেচ এটা উলিয়াই আনি ছিদ্দিকৰ হাতত দি ক'লে, ' ইয়াত পাঁচ লাখ টকা আছে।'

ছিদ্দিকে ব্ৰীফকেচটো দুহাতেৰে আকোঁৱালি ল'লে।

ছিদ্দিকৰ মনটো এতিয়াহে যেন উজ্জ্বল হৈ উঠিল।

সকলো ঠিক-ঠাকেই চলি আছে এতিয়া। আৰু দুদিন পিছত নাটকখনৰ শেষ দৃশ্যটোও যদি সুকলমে পাৰ হৈ যায় তেন্তে তেওঁৰ হাতত আৰু পাঁচ লাখ টকা আহি পৰিব। দহলাখ টকা বেছ টকা। অন্ততঃ টাইগাৰ ৰুস্তম ছিদ্দিকৰ বাবে।

' শুনক।' ইব্ৰাহীমে কিছু গলগলীয়া মাতেৰে এইবাৰ ক'লে, ' ইজৰাইলৰ এম্বেচাদৰজন বৰঝাৰ এয়াৰপৰ্ট আহি পাব পুৱাৰ ফ্লাইটখনত। পোনে পোনে তেওঁ হোটেললৈ যাব। তাৰ পৰা ৰাজভৱনলৈ যাব আৰু তাতেই মিটিঙ হ'ব ভিছন নৰ্থইষ্টৰ। মিটিঙৰ

পিছতেই তেওঁ আকৌ সেইদিনাখনেই উভতি যাব। এই গোটেই সময়খিনিত হয় তেওঁ থাকিব বুলেটপ্রুফ গাড়ীৰ ভিতৰত নতুবা হোটেল বা ৰাজভৱনত। মাত্র গাড়ীৰ পৰা নমা আৰু উঠা সময়খিনিয়েই হ'ব আমাৰ বাবে আটাইতকৈ সুবিধাজনক সময় আৰু সেই কাৰণেই সেই ঠাই টুকুৰা বাছি লোৱা হৈছে যাতে দূৰৈৰ পৰা একেটা গুলীতে শেষ কৰি দিব পৰাৰ সুবিধা পোৱা যায়।'

ৰুস্তম ছিদ্দিকে একো নক'লে। মাত্র শুনি গ'ল তেওঁ।

' কিন্তু লক্ষ্য এতিয়া অকল এম্বেচাদৰজনেই নহয়। তেওঁৰ লগত আহিব মোচাদৰ এজেণ্ট এজন। পেৰিছ, বেইৰুট, ডুবাই, শ্রীনগৰ, মুম্বাই সকলোতে তেওঁ আমাক আঘাট হানিছে। প্রচুৰ ক্ষতি হৈছে আমাৰ। এইবাৰ তেওঁ আহিছে গুৱাহাটীলৈ। ইয়াতো যদি তেওঁ খোপনি পোতাৰ সুবিধা পায়, তেতিয়াহ'লে আমাৰ কোনো ভৱিষ্যতেই নাথাকিব, অন্ততঃ অসমত। সেয়েহে প্রথম গুলীটোৱে তেওঁৰ মুৰ চুই যাব লাগিব। মনত ৰাখিব, পেটত নহয়, বুকুত নহয়, মাত্র মূৰত।' এইবাৰ দীঘলকৈ উশাহ লৈ ইব্রাহীমে ক'লে, ' আৰু দ্বিতীয় গুলীটোৱে এম্বেচাদৰজনক আঘাত কৰিব লাগিব।'

' কিন্তু....'

' কিন্তু কি?'

' বন্দৱস্ত তেনেকুৱা নাছিল।'

' নাছিল হয়। কিন্তু এতিয়া সলনি কৰা হ'ল।'

' কিন্তু আলী চাহাবে জনা উচিত আছিল যে প্রথম গুলীটো মৰাৰ পিছৰ চেকেণ্ডটোৰ পৰাই আমাৰ এটাই কাম হ'ব তাৰ পৰা পলোৱা। তেনেস্থলত দ্বিতীয় গুলী এটাৰ বাবে ৰবলৈ হ'লে আমাৰ হাতৰ পৰা কেইটামান মিনিট অবাবতে যাব।'

' হ'লেও উপায় নাই। আলী চাহাবৰ কথা মানেই আদেশ।'

ৰুস্তম ছিদ্দিকৰ মনটো ভাৰাক্রান্ত হৈ উঠিল। এই কেইদিনতে ছিদ্দিকে বুজি উঠিছে ট্রিগাৰ টিপাৰ পৰা দহ মিনিটৰ ভিতৰতে তেওঁ পল্টনবজাৰৰ লোকাৰণ্যৰ মাজত হেৰাই যাব পাৰিব লাগিব। এই দুৰ্যোগৰ সময়খিনিত যদি এটা ছেকেণ্ডো অথলে যায়, তেন্তে সমস্ত ৰঙীণ সপোন ধূলিস্যাৎ হৈ যাব।

' ঠিক আছে।' অৱশেষত কথাষাৰ কৈ ছিদ্দিক বহাৰ পৰা উঠিল।

' ক'লৈ যায়?' সুধিলে ইব্রাহীমে।

' কিয় বেলতলালৈ যাব নালগিব জানো? ৰাইফলটো আনিব লাগিব নহয়!!'

৫

সৰু ভি. আই. পি. ব্ৰীফকেচটোৰ ভিতৰত শক্তিশালী টেলিস্কোপিক ৰাইফলটো ডোখৰ ডোখৰকৈ থোৱা আছিল। ৰুস্তম আলীয়ে মাথো এবাৰ চকু ফুৰাইয়ে ব্ৰীফকেচটো জপাই থলে। চকুৰ ইংগিতেৰে ইব্ৰাহীমক অনুসৰণ কৰিব দি ৰুস্তম আলীয়ে বেলতলাৰ গুদাম ঘৰটোৰ পৰা এহাতত ব্ৰীফকেচটো লৈ দ্ৰুতবেগে ওলাই আহিল। বাহিৰৰ চৌহদত বগা ৰঙৰ মাৰুতি ভান এখন ৰৈ আছিল। ৰুস্তম আলী আৰু ইব্ৰাহীম গাড়ীত উঠি বহাৰ লগে লগেই ডেকা চালকজনে উল্কা বেগেৰে মাৰুতি ভানখন চেকুৰালে। বেলতলাৰ পৰা খাৰঘুলিলৈ আহোতে অৱশ্যে দু-ঘণ্টাতকৈয়ো বেছি সময় লাগিল। এই সুদীৰ্ঘ সময়ছোৱা বেছ অশান্তিৰে পাৰ কৰিলে ৰুস্তম আলীহঁতে। দুঠাইত পুলিচৰ চেকিঙৰ পৰা কথমপিহে সাৰি আহিব পাৰিছিল। খাৰঘুলিৰ ঘৰটোৰ ভিতৰ সোমাইহে ৰুস্তম আলীয়ে স্বস্তিৰ উশাহ ল'ব পাৰিছিল। ইব্ৰাহীমে ঘৰটোত প্ৰৱেশ কৰিয়েই খিৰিকী এখন খুলি বাহিৰখন বেছ উৎসাহেৰে চাব ধৰা দেখি ৰুস্তম আলীৰ হাঁহি উঠিল।

'এইখন খিৰিকীৰে নহয়, পিছফালৰ ৰুমটোৰ বাওঁফালৰ খিৰিকীখনেৰেহে দেখা পাব।' কথাষাৰ কৈ ৰুস্তম আলীয়ে পিছফালৰ কোঠাটোলৈ গৈ বাওঁহাতৰ খিৰিকীখন খুলি দিলে। ইব্ৰাহীমে খিৰিকীখনৰ খোলা ফাঁকেৰে চাৰিওফালে চকুফুৰাই অৱশেষত ক'লে 'সকলো ঠিকেই আছে; কিন্তু মালিকৰ ঘৰটোৰ পিছফালৰ ৰুমটোৰ পৰা এই খিৰিকীখন খুব ভালকৈ চকুত পৰে। সময়ৰ মূৰকত ই অসুবিধাত পেলাব পাৰে।'

'নেপেলায়। পৰ্দা এখনৰ বন্দৱস্ত কৰি থৈছো।'

'তেতিয়া হ'লে অৱশ্যে চিন্তাৰ সকাম নাই; কিন্তু ....'

'কিন্তু কি?' টাইগাৰ ৰুস্তম আলীয়ে সুধিলে।

'ইয়াৰ পৰা এৰিয়েল ডিচটেন্স কিমান হ'ব ঠাই টুকুৰালৈ?'

'তিনিশ বিছ মিটাৰ।'

'মই অনা ৰাইফলটো বেছ শক্তিশালী। কেপাচিটি তিনিশ ত্ৰিশ মিটাৰলৈহে সীমাবদ্ধ। ইয়াৰ অলপ ইফাল-সিফাল হলেই সকলো অথলে যাব।'

ৰুস্তম আলী নীৰৱে ৰ'ল।

এতিয়া সিমান খিনিলৈকে ভাৱিবলৈ সময় হোৱা নাই। ৰুস্তম আলীৰ মনত এতিয়া অন্য চিন্তাই বাহ লৈছে। পৰ্দা এখনৰ যোগাৰ কৰাটো নিচেই উজু কাম; কিন্তু ইয়াৰ পৰা কামটো শেষ কৰি সুকলমে পলাই যাব পৰাটোহে আটাইতকৈ টান কাম হ'ব। সেইদিনাখন

হয়তো এই গোটেই বাটছোৱাত কড়া পুলিচ মোতায়েম হ'ব। গতিকে উল্কা বেগেৰে গাড়ী বা স্কুটাৰ-মটৰ চাইকেল চলাই যোৱাটো মুঠেই সম্ভৱ নহ'ব। কাৰো দৃষ্টি আকৰ্ষণ নকৰাকৈ যাবলৈ হ'লে ধীৰ, স্বাভাৱিক গতিৰেই যাব লাগিব।

লগত কোনো বেগ বা চুটকেচ নথকাটোৱেই বুদ্ধিমানৰ কাম হ'ব ; আৰু তাকে কৰিবলৈ হ'লে ৰাইফলতো ইয়াতে এৰি থৈ যাব লাগিব। পিছে টকাখিনি কি কৰা যাব!!

ৰুস্তম আলীৰ দুঃচিন্তা ক্ৰমান্বয়ে বাঢ়ি আহিব ধৰিলে।

৬

অশেষ চেষ্টাৰ মূৰকত গুৱাহাটীলৈ বদলি হৈ আহিব পৰাৰ আনন্দকণ লতাশিল থানাত এমাহ অ. চি. হিচাবে থকাৰ পিছতেই যে এনেকৈ নিস্তেজ হৈ আহিব সেইটো নন্দন বৰাৰ সপোনৰো অগোচৰ আছিল। আচলতে থানাৰ এলেকাটোৱেই হ'ল শান্ত য'ত অশান্তি বুলিলে সাধাৰণ চুৰি-ডকাইতিৰ কথাহে বুজা যায়। এই এমাহতে নন্দন বৰাৰ বিৰক্তি লাগি আহিছিল ; কিন্তু আজি ৰাতিপুৱাৰে পৰা চিটি এচ. পিৰ টেলিফোনটোৱে থানাৰ শান্ত নিৰিবিলি পৰিৱেশটো হঠাতে বেছ উত্তপ্ত কৰি তুলিলে। চিটি এচ. পিয়ে খবৰ দিছে অহা বিশ তাৰিখে হোটেল হিলভিউ আৰু ৰাজভৱনত এখন চেমিনাৰ হ'ব, য'ত যোগ দিবলৈ আহিব ইজৰাইলৰ এম্বেচাদৰজন। এই খিনিলৈকে খবৰটোৰ কোনো অস্বাভাৱিকতা নাই ; কিন্তু ইয়াৰ পিছৰখিনিহে নন্দন বৰাৰ বাবে উদ্ৰেকৰ কাৰণ হ'ল। আই. এছ. আই আৰু আফগানিস্থানৰ টালিবান পক্ষৰ পৰা এম্বেচাদৰজনৰ ওপৰত আক্ৰমণ হ'ব পাৰে। গতিকে নিৰাপত্তাৰ দিশটো তন্ন-তন্নকৈ চাব লাগে।

খবৰটো পায়েই নন্দন বৰাই হোটেল আৰু ৰাজভৱন এপাক মাৰি চাই আহিছিল। তন্ন-তন্নকৈ নিৰীক্ষণ কৰিছিল ঠাইডোখৰ। নন্দন বৰাৰ ভাব হৈছিল এই ঠাইত হত্যাকাণ্ড এটা কৰা আৰু কৰিব পাৰিলেও ধৰা নপৰাকৈ পলাই যাব পৰাটো আটাইতকৈ টান কাম হ'ব। বিকল্প হ'ল ৰিমট কন্ট্ৰোলেৰে বিস্ফোৰণ ঘটোৱা। আৰু ইয়াৰ প্ৰতিৰোধৰ বাবে এটাই উপায় আছে, সেইটো হৈছে সমগ্ৰ এলেকাটোত অৰক্ষী মোতায়েম কৰা।

নন্দন বৰাই অৱশ্যে তাকেই কৰিছিল। মুঠ তিনি চেকচন চিপাহী তেওঁ মোতায়েম কৰি থৈ আহিছিল। ঘূৰি আহোতে ৱাকিটকিটোত খবৰ আহিল চিটি. এচ. পিয়ে অবিলম্বে মাতি পাঠিয়াইছে। নন্দন বৰাৰ মনত খু-দুৱনি এটা লাগি আছিল। ক'ৰবাত সুৰুঙা এটা ৰৈ গৈছে। কিন্তু ক'ত? হয়তো চিটি. এচ. পিয়ে উমান পাইছে ক'ৰবাত এটা সুৰুঙা ৰৈ যোৱা বুলি। নন্দন বৰা তড়িৎ গতিৰে চিটি এচ. পি.ৰ অফিচত উপস্থিত হ'ল। চিটি এচ. পি.

মুকুল মুছাহাৰী বয়সীয়াল ; কিন্তু মুখখনত শান্ত ভাৱলেশহীন চাৱনি এটা অনবৰত লাগি থাকে। আজি অৱশ্যে নন্দন বৰাৰ খেয়াল হ'ল মানুহজন যেন ভিতৰি ভিতৰি বেছ চিন্তিত, উৎকণ্ঠিত হৈ আছে। তেওঁৰ চেম্বাৰৰ বহল টেবুলখনৰ চৌপাশে ছয়জন পুৰুষ। এজনৰ বাহিৰে অৱশিষ্ট কেইজনক নন্দন বৰাই চিনি পালে। হেড কোৱাৰ্টাৰ ডি. এছ. পি., এছ. বিৰ ডি. এছ. পি., এছ বিৰ ইন্সপেক্টৰ, দুজন এডিশ্যনেল এছ. পি। অন্যজন পুৰুষ কোন হ'ব পাৰে?

নন্দন বৰাই চেলামটো দি নীৰৱে চকী এখনত বহি লৈ উশাহ ল'লে।

'চাৰ!' এছ বিৰ ডি. এছ. পি. ফজলুৰ ৰহমানে কৈ আছিল ' যিহেতু বুলেট প্ৰুফ গাড়ীতেই তেওঁ অহা-যোৱা কৰিব আৰু এয়াৰপৰ্টৰ পৰা হোটেল আৰু ৰাজভৱন এই সমস্ত পথছোৱাতে আমাৰ ফালৰ পৰা ৰ'ড লাইনিং থাকিব , সেয়েহে চিন্তাৰ কোনো সকাম নাই। তদুপৰি লতাশিল থানাই ইতিমধ্যেই পেট্ৰোলিং আৰম্ভ কৰি দিছেই।'

' বুজিছো , আমাৰ ফালৰ পৰা কৰণীয়খিনি কৰা হৈছে ; কিন্তু চেন্ট্ৰেল গৱৰ্ণমেন্টৰ ইনটেলিজেন্স ব্যুৰৰ এখেতে কি খবৰ আনিছে গম পাইছেনে?' এই বুলি যথেষ্ট গহীণ হৈ বহি থকা আদহীয়া দক্ষিণ ভাৰতীয় চেহেৰাৰ পুৰুষজনলৈ দেখুৱাই ক'লে, 'খবৰ আহিছে যে কাঠমাণ্ডুত চেফ হাইডআউট এটা বিচাৰি মুছলীম টাইগাৰ্চ ফ'ৰ্চৰ পৰা তাৰ লকেল আই. এছ. আই এজেন্টলৈ অনুৰোধ আহিছে। মুছলীম টাইগাৰ্চ ফ'ৰ্চতো আমাৰ ইয়াৰে। কোনোবা টাইগাৰ আলীক দুমাহৰ বাবে ৰক্ষণাবেক্ষণ দিব লাগে। টাইগাৰ আলী বোলাজনে মুম্বাইৰ আণ্ডাৰৱৰ্ল্ডৰ ডন আলী চাহাবৰ কাম এটা গুৱাহাটীত সমাধা কৰি কাঠমাণ্ডুত দুমাহৰ বাবে আত্মগোপন কৰি থাকিব। গতিকে....'

'কিন্তু চাৰ আলী চাহাবৰ কামটো কি?'

'এতিয়ালৈকে গম পোৱা নাই। অনুমান কৰা হৈছে ইলিগেল আৰ্মচ স্মাগলিং কৰা নতুবা ইজৰাইলৰ এম্বেচাদৰজনৰ ওপৰত আঘাট হনা। অসুবিধাটো হৈছে কি জানে? আলীচাহাবে এজন নতুন এজেন্টৰ দ্বাৰা এই গোটেই কামটো চুপাৰভাইজ কৰিছে। আমি এই নতুন এজেন্টৰ নামটোহে গম পাইছো। ইব্ৰাহীম শ্বেখ তেওঁৰ নাম। মাত্ৰ ইমানখিনিহে।' চিটি এছ. পি. মুছাহাৰীয়ে এখন্তেক বৈ আকৌ ক'লে , ' মুছলীম টাইগাৰ্চ ফ'ৰ্চৰ মুঠ কামাণ্ডো আছে বিশ জন। ইয়াৰ ভিতৰত আটাইতকৈ দুৰ্ধৰ্ষজনৰ নামেই হৈছে টাইগাৰ আলী। তেওঁৰ এটাই পৰিচয় , সেইটো হৈছে তেওঁ এজন সুনিপুন শ্বুটাৰ। যিকোনো নিচান চকু মুদি বগৰাই দিব পাৰে।'

নন্দন বৰাই ইমান পৰে নীৰৱে কথা শুনি আছিল।

কিন্তু হঠাতে তেওঁৰ মুখৰ অভিব্যক্তি সলনি হ'ল। সুনিপুন শ্বুটাৰ। এইশব্দটোৱেই বৰাৰ অলসতাখিনি নিমিষতে উৰুৱাই দিলে। হে ভগৱান! তেওঁ অকল পথৰ দুয়োকাষে আৰক্ষী মোতায়েম কৰিলেই নহ'ব। তেওঁ দুৰ-দূৰণিলৈ জাল পেলাব লাগিব। হয়তো এশমিটাৰ, দুশমিটাৰ, তিনিশ মিটাৰ বা তাতকৈয়ো বেছি। শক্তিশালী ৰাই ফল এটাৰ গুলী যিমান দূৰলৈ যাব পাৰে হয়তো সিমান দূৰলৈ।

৭

পল্টন বজাৰৰ জি. এছ. ৰোডত তেতিয়া প্ৰচণ্ড ভিৰ। গধূলি সাত বজাৰ লগে লগে নৈশ বাছবোৰৰ মিলিত কলৰৱে ঠাইখন জীপাল কৰি তুলিছে। ঠেক পদ-পথটোৰ ভিৰ ঠেলি ঠেলি খোজ কাঢ়ি থাকোতে ৰুস্তম ছিদ্দিকৰ হঠাতে খেয়াল হ'ল কোনোবাই যেন তেওঁক অনুসৰণ কৰিব ধৰিছে। কেইছেকেণ্ডমানলৈ ৰুস্তম ছিদ্দিকে কিছু বিব্ৰতবোধ কৰিছিল; কিন্তু পিছৰ মুহূৰ্তটোতে নিজকে চম্ভালি লৈ খৰখোজেৰে পল্টন বজাৰৰ চাৰি আলিটোত থকা চিটি বাছ ষ্টপেজৰ এজুম মানুহৰ ভিতৰ সোমাই গৈ পিছফালে ঘূৰি চালে। ৰুস্তম ছিদ্দিক এইবাৰ কিছু সুস্থিৰ হ'ল। অন্ততঃ তেওঁৰ চকুত কোনো সন্দেহজনক ব্যক্তি ধৰা নপৰিল।

এখন্তেক ঠাইতে থিয় হৈ ৰ'ল ৰুস্তম ছিদ্দিক। পিছত আকৌ এবাৰ ঘূৰি চালে।

এইবাৰ যেন আৰু বেছি আশ্বস্ত হ'ল ৰুস্তম ছিদ্দিক। পুনৰ খৰখেদাকৈ খোজ দি পথৰ সিমূৰলৈ আকৌ অগ্ৰসৰ হ'ল। এইকেইদিন টেলিফোন কৰি কৰি চিনাকী হৈ পৰা পি. চি.অ'টোৰ সন্মুখত থিয় হৈয়ো অৱশেষত সিদ্ধান্তটো সলালে ৰুস্তম ছিদ্দিকে। তিনিদিন একেটা পি. চি অ'তে টেলিফোন কৰাটো সুবিধাজনক নহ'ব। ৰুস্তম ছিদ্দিকে আকৌ খোজ দি এশমিটাৰমান আঁতৰৰ আন এটা পি.চি অ'ত সোমাল।

'এছ, টি.ডি নে লোকেল?' নিৰলস ভাৱে অপাৰেটৰজনে সুধিলে।

'এছ. টি ডি.।'

'ক'লৈ?'

'শিলিগুৰি।'

'নম্বৰ?'

ৰুস্তম ছিদ্দিকে জেপৰ পৰা সৰু নোটবুক এখন উলিয়াই টেলিফোন নম্বৰটো

ক'লে। অপাৰেটৰজনে সংযোগ দিয়াৰ লগে লগে সিফালৰ পৰা কাৰোবাৰ গুৰু -গম্ভীৰ মাত এটা ভাঁহি আহিল, 'হেল্ল।'

'হাছান নেকি ? মই কৈছো। ছিদ্দিক।' ছিদ্দিকে অনুচ্চ কণ্ঠেৰে ক'লে।

'খবৰ কি ?'

'এইফালে সকলো বন্দৱস্ত হ'ল। অহা কাইলৈ কামটো শেষ কৰিয়েই ষ্টেচনলৈ যাম। অৱধ আছাম এক্সপ্ৰেছখনেৰে গৈ গধূলি নিউ জলপাইগুৰি পাম।'

'তাতেই লগ পাম তেনেহ'লে।'

'কিন্তু কাঠমাণ্ডুৰ খবৰ কি ?'

'দুমাহৰ বাবে কেম্পৰ বন্দৱস্ত হৈ গ'ল। চিন্তা নকৰিবা। তুমি মাথো এইখিনি পালেই হ'ল।'

'এটা কথা মন দি শুনা। টাৰ্গেট এতিয়া এটা নহয়, দুটা।'

'তেতিয়াহ'লে টকাৰ সংখ্যাও আগতকৈ বেছি হ'ব। তুমি ইব্ৰাহীমক কৈ দিবা।'

'ক'ম; কিন্তু....'

'কিন্তু কি ?' সিফালৰ পৰা হাছানৰ চিন্তিত কণ্ঠস্বৰ ভাঁহি আহিল।

'টকাৰ পৰিমাণ বহুত হ'ব। এটা ব্ৰীফকেছত নধৰিব। আনহাতেদি ইমানসোপা টকাৰে ভৰ্তি ছুটকেচ এটা লৈ ৰেলেৰে যোৱাটো নিৰাপদ নহ'ব। মই চিন্তাত পৰিছো।'

'তুমি ইব্ৰাহীমৰ হোটেলৰ ৰুমতে চুটকেচটো থৈ দিবা। মই ইয়াৰ পৰা ইউচুফ বা ৰহমানক পঠিয়াই দিম। সি লৈ আহিব।'

'ঠিক আছে।'

ৰুস্তম ছিদ্দিকে এইবাৰহে যেন কিছু সকাহ পালে। মনলৈ এক অনামী আনন্দৰ জোৱাৰ উঠিল। পি. চি. অ'ৰ পৰা পইচা আদায় দি ৰুস্তম ছিদ্দিক খৰখোজেৰে ওলাই আহিল। পদপথৰ ভিৰ তেতিয়াও একেই আছে। আৰু এঘন্টাৰ পিছতেই নৈশ বাছকেইখন যোৱাৰ লগে লগে পল্টন বজাৰখন শান্ত হৈ পৰিব। ৰুস্তম ছিদ্দিক যথেষ্ট সতৰ্কতাৰে অগ্ৰসৰ হৈছিল। ৰাইনো হোটেললৈ সোমাই যোৱাৰ আগেয়ে আকৌ এবাৰ পিছলৈ ঘূৰি চাইছিল। সম্পূৰ্ণ নিশ্চিত হোৱাৰ পিছতহে সুঁহুৰি বজাই বজাই ৰুস্তম ছিদ্দিক ইব্ৰাহীমৰ কোঠালৈ সোমাই গ'ল। ইব্ৰাহীমৰ মুখৰ অভিব্যক্তি দেখিয়েই ৰুস্তম ছিদ্দিকৰ মনলৈ আকৌ দুঃচিন্তাৰ ভাৱ উভতি আহিল।

'বহক।' ইব্ৰাহীমৰ গহীণ কণ্ঠস্বৰ।

ৰুস্তম ছিদ্দিক বহিল।

'পৰ্দাখন লগালে?'

'অ।' ৰুস্তম ছিদ্দিকে সৰুকৈ সহাঁৰি দিলে।

'এতিয়া তেনেহ'লে পৰ্দাৰ আঁৰত আমি কি কৰি আছো দূৰৈৰ পৰা সতকাই গম পোৱা টান হ'ব।'

'আমি মানে?' ৰুস্তম ছিদ্দিক আচৰিত হ'ল।

'ময়ো আপোনাৰ লগত থাকিম।'

'কিন্তু!' ছিদ্দিকে প্ৰতিবাদৰ সুৰত ক'লে, 'মই নিচান লগাইয়ে ওলাই যাম। এজন মানুহ পলাই যোৱাত সুবিধা আছে। দুজন নিৰাপদে পলাই যোৱাটো বৰ মুস্কিল কাম।'

'আপুনি ক'লৈ পলাব? ষ্টেচনলৈ? মুঠেই নাযাব। ৰেল ষ্টেচনত কড়া নজৰ হ'ব। অন্ততঃ পাঁচ-ছয় ঘন্টালৈ। সেইকাৰণে মই ষ্ট্ৰেটেজী বদলাই পেলাইছো। কামটো সমাধা কৰি আপুনি আৰু মই মাৰুতি ভানখনেৰে মোৰ হোটেললৈ অৰ্থাৎ ইয়ালৈ আহিম। ইয়াৰ পৰা নিশা আঠটাত নৰ্থ বেংগল ট্ৰেন্সপোৰ্ট কৰ্পৰেছনৰ বাছখন শিলিগুৰিলৈ যায়। সেইখনৰেই আপুনি গুচি যাব। মই পিছদিনা প্ৰথমখন ফ্লাইটতে উভতিম। আনহাতেদি আলী চাহাবে আৰু টকা পঠিয়াইছে। অহাকালি আবেলি আহি পাব। সেইখিনি লৈ একেলগে যাব পাৰিব।'

ৰুস্তম ছিদ্দিকে হুমুনিয়াহ এটা পেলালে।

'কি হ'ল?' সুধিলে ইব্ৰাহীমে।

'একো হোৱা নাই। ভাবিছো।'

'কি ভাবিছে?' ইব্ৰাহীমে আকৌ সুধিলে।

ৰুস্তম ছিদ্দিকে পিছে কি ভাবিছে নক'লে। ছিদ্দিকৰ মনত এসোপা চিন্তাৰ কুণ্ডলী গোট খাইছে। আৰু মাত্ৰ আজিৰ নিশাটো পাৰ হ'বলৈ বাকী আছে। অহাকালি নিচান ব্যৰ্থ নহ'লে জীৱনটোলৈ নামি আহিব অলেখ সমৃদ্ধি। অথবা.....।

৮

নন্দন বৰাৰ হাতত থকা ভি. এইচ. এফ চেটটোৰে অনৰ্গল মাথো একেটা

বিষয়ৰে বাৰ্ত্তা ভাঁহি আহি আছে। এইমাত্ৰ নতুন দিল্লীৰ পৰা ফ্লাইটখন বৰঝাৰ আহি পালে.... ইজৰাইলৰ এম্বেচাদৰ আৰু তেওঁৰ স্পেচিয়েল চিকিউৰিটি অফিচাৰজন বুলেট প্ৰুফ গাড়ীত উঠি বহিছে... কনভয় ভি. আই. পি. ৰোড পাৰ হৈ গৈছে।

প্ৰতিটো মুহূৰ্ত আগবঢ়াৰ লগে লগে যেন বৰাৰো মনৰ অস্থিৰতাখিনি সেই অনুপাতে বাঢ়ি আহিব ধৰিলে। অথচ তেওঁ সৰ্বত্ৰতে জাল পেলাইছে। প্লেনেটেৰীয়াম আৰু কাছাৰী বজাৰৰ ভাঁজ দুটাত একোজনকৈ এ. এছ. আই. থোৱা হৈছে। হোটেল আৰু ৰাজভৱনলৈ যোৱা পথটোত সশস্ত্ৰ আৰক্ষী ৰাতিপুৱাৰে পৰা সষ্টম হৈ আছে। ইপিনে সাধাৰণ পোছাকত থকা চি. আই. ডি. আৰক্ষীৰো সীমা সংখ্যা নাই। নন্দন বৰা নিজে হোটেললৈ উঠি যোৱা ঠেক বাটটোৰ ভাঁজটোত থিয় দি আছে। ঠাইখিনিৰ পৰা তলৰ পথছোৱাৰ বহুদূৰলৈকে চকু দি থাকিব পাৰি। অন্ততঃ কনভয়টো হোটেলৰ পৰ্চত বৈ যোৱাৰ পাঁচমিনিট আগৰে পৰা তেওঁৰ চকুত পৰি থাকিব প্ৰতিটো মুহূৰ্তৰ ছবি।

'ছাৰ!'

পিছফালৰ পৰা কোনোবাই মতা শুনি সচকিত হৈ নন্দন বৰাই উভতি চালে। এ. এছ. আই. তৌফিক ৰহমানক দেখি বৰাই সুধিলে, 'কি হ'ল ৰহমান?'

'এন্টি চেবটেজ স্কোৱাৰ্ডৰ দ্বাৰা এতিয়ালৈকে তিনিবাৰ পৰীক্ষা কৰালো। চি. আই. ডিৰ ডগ স্কোৱাৰ্ডেও এবাৰ চাই গ'ল। ক'তো একো নাপালো। তথাপিও তেওঁলোকক হোটেলৰ পৰ্চৰ ওচৰতে থৈ আহিছো। ভি. আই. পি আহি পোৱাৰ ঠিক আগে আগে আকৌ এবাৰ...'

'ঠিক আগে আগে নহয়। এতিয়াই। এবাৰ নহয়, দুবাৰ। মনত ৰাখিব বিপদৰ সম্ভাৱনা নোহোৱা হৈ যোৱা নাই। বৰঞ্চ সময় যিমানেই ওচৰ চাপি আহিছে, সিমানেই বাঢ়ি আহিছে দুৰ্ঘটনাৰ সম্ভাৱনা।'

'ঠিক আছে চাৰ। মই আকৌ এবাৰ চেক কৰাই লওঁ।'

এ. এছ. আই. ৰহমান চেলুট এটা দি দৌৰি-দৌৰি আকৌ হোটেললৈ উঠি যোৱা পথটোৰে উঠি গ'ল। তেওঁৰ দৌৰি যোৱাৰ দৃশটো দেখি নন্দন বৰাৰ হাঁহি উঠি গ'ল। আজিৰ পৰা বিছ বছৰ আগেয়ে তেৰোঁ এনেদৰেই লৰা-ঢপৰা কৰি কাম কৰিছিল। আৰু বিশ বছৰৰ মুৰকত এ. এছ. আইৰ পৰা এছ. আই আৰু এতিয়া অ. চি.হৈ তেওঁৰ বাৰু কৰ্মস্পৃহা কমিল নেকি?

প্ৰশ্নটো তেওঁ নিজেই নিজকে সুধিলে। উত্তৰলৈ পিছে তেওঁ অপেক্ষা নকৰিলে।

তেওঁ নিজেও ৰহমানৰ পিছে পিছে উঠি গ'ল। ৰহমানে ইতিমধ্যে এন্টি চেবটেজ স্কোৱাৰ্ড আৰু ডগ স্কোৱাৰ্ডক কামত লগাই দিছিল। নন্দন বৰা হোটেলৰ পৰ্চত ভৰি দিয়াৰ লগে লগে ৰহমান ভিতৰৰ ৰিচেপচন লাউঞ্জৰ পৰা দৌৰি ওলাই আহি ক'লে, 'ছাৰ এইমাত্ৰ ডি. চি ছাৰে টেলিফোনত খবৰ দিছে প্ৰটোকল ডিউটিৰ বাবে মেজিষ্ট্ৰেট ভূএগ আৰু এডিশ্যনেল ডি. চি.প্ৰবাল ফুকন আহি আছে।'

নন্দন বৰাই স্বস্তিৰ নিশ্বাস এৰিলে।

তেওঁ হোটেলৰ ভিতৰলৈ সোমাই নগ'ল। পৰ্চৰ পৰা তেওঁ বাহিৰলৈ ওলাই আহিল। পূবফালে থকা সেউজীয়া ঘাঁহনি এডৰাত ৰ'দ পৰিছিল। নন্দন বৰাই ঘাঁহনি ডৰাত থিয় হৈ চাৰিওফালে চাই পঠিয়ালে। দূৰৈৰ পাহাৰৰ ওখ-চাপৰ টিলাবোৰত অসংখ্য ঘৰ, কোনোবাটো টিনৰ, কোনোবাটো আকৌ আৰ. চি. চি, কোনোবাটো খেৰীঘৰ। নতুনকৈ সজা।

'ছাৰ।' তৌফিক ৰহমানে ওচৰ চাপি আহি মাত লগালে।

'কওঁক ৰহমান।'

'ঘৰবোৰ এই এবছৰৰ ভিতৰতেই সজা। দখলী মাটি ল'ব নেকি এডোখৰ ছাৰ?'

বৰাই হাঁহিলে। ক'লে, 'লব লাগিব এডোখৰ।'

কথাষাৰ কৈ বৰাই তলৰ পথটোলৈ চাই পঠিয়ালে। তেওঁৰ ষ্ট্ৰেটেজী মতেই সশস্ত্ৰ চি. আৰ পিৰ দুটা চেকশ্যন সষ্টম হৈ আছে তলৰ সমস্ত পথছোৱাত। কোনো সুনিপুন শ্বুটাৰৰ সাধ্য নাই এতিয়া এই বেষ্ট ভেদ কৰি গুলী মৰাৰ।

'কনভয়ৰ খবৰ কি ৰহমান?'

'জালুকবাৰীৰ চেকগেট পাৰ হৈ আহিছে। আৰু বিশমিনিট লাগিব এইখিনি পাওঁতে।'

বিশ মিনিট! তেতিয়াহ'লে এতিয়াও সময় যথেষ্ট আছে। নন্দন বৰাই আকৌ পাহাৰৰ ওখ- চাপৰ অলেখ টিলাবোৰলৈ দৃষ্টি পোণালে। ৰহমানেও ওচৰ চাপি আহি ক'লে, 'আপুনি যে চাই আছে সেইবোৰ পট্টাৰ মাটি। ৰঙা টিনৰ ঘৰটো যে দেখিছে, তাৰ সিপাৰৰ খিনিহে চৰকাৰী মাটি।'

'ৰঙা টিনৰ ঘৰটো? নতুনকৈ সজা যেন লাগিছে।'

' একেবাৰে নতুন! এমাহো হোৱা নাই। মালিকজন বেমাৰী। কম্পালচৰী ৰিটায়াৰমেন্ট পাই ঘৰটো সাজি ভাড়াত দিছে। তেওঁৰ পিছফালৰ মাটিখিনি চৰকাৰী। তাতেই এডোখৰ...'

ঠাইখিনি বঢ়িয়া হ'ব। বৰাই মনতে ভাবিলে। আজি যদি দিনটো সুকলমে পাৰহৈ যায় তেতিয়াহ'লে সেইপিনে তেওঁ চকু দিব লাগিব। তেওঁ ঘড়ীলৈ চালে। দহমিনিট পাৰ হৈ গৈছে। নন্দন বৰাৰ মনৰ উচ্চলতাখিনি হঠাতে স্তিমিত হৈ আহিল। এই দহমিনিটৰ পিছতে আৰম্ভ হ'ব আচল নাটকৰ দৃশ্য।

' ছাৰ! কনভয়টো পানবজাৰ পাৰ হৈ আহিছে।'

' সকলোকে এলাৰ্ট কৰি দিয়ক।' কথাষাৰ কৈ নন্দন বৰাই দৌৰি তললৈ নামি আহিল। তেওঁ বাচি লোৱা ঠাইডোখৰত উপস্থিত হৈ দীঘলকৈ উশাহ ল'লে। সময়বোৰ যেন বৰ খৰকৈ যাব ধৰিছে। নন্দন বৰাই আকৌ ঘড়ীটোলৈ চালে ; আৰু মাত্ৰ পাঁচ মিনিট আছে।

ঠিক তেতিয়াই বৰাৰ চকুত পৰিল পাঁচখন তীব্ৰ বেগেৰে আহি থকা গাড়ীৰ শাৰী। সন্মুখত পাইলট জীপ এখন , চাইৰেণ বজাই আহি আছে। জীপখনৰ হুদত আঁৰি থোৱা ৰঙা ফ্লেগখন তীব্ৰবেগে বতাহত কঁপি থকাও নন্দন বৰাৰ চকুত পৰিল।

এতিয়া মাথো অপেক্ষাৰ সময়।

৯

ইব্ৰাহীমৰ উত্তেজনা ক্ৰমান্বয়ে বাঢ়ি আহিব ধৰিলে। অথচ কোঠাটোত থকা ৰুস্তম ছিদ্দিক নিৰ্বিকাৰ। চকুৰে-মুখে ভাবলেশহীন চাবনি এটা। ধীৰে সুস্থিৰে টেলিস্কোপিক ৰাইফলটোৰ সৰু সৰু অংশবোৰ ব্ৰীফকেচটোৰ পৰা উলিয়াই এটা এটাকৈ জোৰা দি যাওঁতে ৰুস্তম ছিদ্দিক বেছ নিৰুদ্বেগ হৈ আছিল। ৰাইফলটো সম্পূৰ্ণ সাজু কৰিহে ৰুস্তম ছিদ্দিক খিৰিকীখনৰ ওচৰত থিয় হ'ল। ওখ টেবুল এখন খিৰিকীখনৰ ওচৰতে থৈ দিয়া আছিল। সেইখনতে আঁউজি খিৰিকীখনৰ পৰ্দাৰ ফাঁকেৰে ৰাইফলৰ নলীডালৰ সন্মুখৰ অংশটো উলিয়াই ৰুস্তম ছিদ্দিকে ৰাইফলটোত সংলগ্ন হৈ থকা টেলিস্কোপটোৰে দূৰলৈ চাই পঠিয়ালে। সেই মুহূৰ্ততহে ৰুস্তম ছিদ্দিকৰ ওঠত হাঁহি বিৰিঙিল।

বেছ স্পষ্টকৈ হোটেলৰ পৰ্চখন দেখা গৈছে।

' এতিয়া আৰু দুঃচিন্তা কৰাৰ কোনো সকাম নাই।'

' চাইৰেণৰ শব্দ শুনিছেনে?' ইব্ৰাহীমে সুধিলে।

'শুনিছো।'

'আৰু কিমান সময় আছে?'

'পাঁচ মিনিট।'

কথাষাৰ কৈ ৰুস্তম ছিদ্দিকে এটা চকু মুদি আনটো চকু টেলিস্কোপৰ লেন্সত থ'লে। বাওঁহাতখন ৰাইফলটোৰ কান্ধত আৰু সোঁহাতখন ট্ৰিগাৰত থৈ দীঘলকৈ উশাহ এটা ল'লে। ইব্ৰাহীমে পৰ্দাখনৰ আনটো কোণেৰে চাই ক'লে, 'কনভয়টো উঠি গৈছে। ভি. আই. পিজন যতদূৰ সম্ভৱ পাইলট কাৰখনৰ পিছৰ এম্বেচাদৰখনতে আছে।'

'গম পাইছো।'

ৰুস্তম ছিদ্দিকে লাহে লাহে উশাহ ল'ব ধৰিলে। দেহ আৰু মন একেটা বিন্দুতে আৱদ্ধ কৰি থবৰ ইচ্ছা হৈছে ছিদ্দিকৰ। এটা ক্ষণিকৰ ভুলেই এই দুসপ্তাহৰ সকলো পৰিশ্ৰম নিমিষতে ধুলিস্যাৎ কৰি দিব পাৰে। সেয়েহে ছিদ্দিকে এটা চকু মুদি খুব সতৰ্কতাৰে ৰাইফলটোত সংলগ্ন হৈ থকা টেলিস্কোপৰ লেন্সখনেৰে হোটেলৰ পৰ্চৰ প্ৰতিটো কোণেই নিৰীক্ষণ কৰি যাব ধৰিলে। পৰ্চত তিনিজন মানুহে পায়চাৰী কৰি আছিল। দুজন ইউনিফৰ্ম পৰিহিত, এজন সাধাৰণ পোছাকৰ। ছিদ্দিকে ঠিক প্ৰথম চিৰিটোৰ ওপৰতে দৃষ্টি নিক্ষেপ কৰি চালে। আৰু ঠিক সেইখিনিতেই লেন্সত ৰঙা লাইট লগোৱা বগা এম্বেচাদৰ গাড়ী এখন ছিদ্দিকৰ চকুত পৰিল। ছিদ্দিকে ততালিকে উশাহ-নিশাহ লোৱাটো বন্ধ কৰি দিলে।

'এম্বেচাদৰখন ৰৈ গৈছে। ছিদ্দিক! সাৱধান।'

ছিদ্দিকেও গম পাইছে পৰম আকাংক্ষিত ক্ষণতো আহি পালে বুলি।

কিন্তু....

বগা এম্বেচাদৰখন বেছ তীব্ৰগতিৰেই আহি পৰ্চত ৰৈ গৈছিল। আৰু ঠিক লগে লগেই তিনিজন লোকে আগুৰি ধৰি শ্বেতকায় চেহেৰাৰ লোক এজনক গাড়ীৰ পৰা নমাই ভিতৰলৈ লৈ গৈছিল। ছিদ্দিকৰ সুনিপুন হাতে কোনো অৱকাশেই নাপালে ট্ৰিগাৰত হেঁচা দিয়াৰ। সেয়েহে ছিদ্দিক কিছু হতাশ হৈছিল। ছিদ্দিকৰ অলক্ষিতেই বগা এম্বেচাদৰখনৰ ইটো ফালৰ দৰ্জাখন খুলি নামি পৰিছিল আন এজন মানুহ। মানুহজন চিৰিৰ প্ৰথম ঢাপত ভৰি দিয়াৰ লগে লগেই দৃশ্যটো ছিদ্দিকৰ চকুত পৰিল। মোছাদৰ এজেন্ট! প্ৰায় মুকলি হৈ আছে তেওঁৰ মুৰটো। সন্মুখতো কোনো বাধা নাই। ছিদ্দিকে পিছে লোভ সম্বৰণ কৰিলে। সৰু পুথি- খলিহনাক প্ৰথমেই ধৰিব গ'লে জালৰ পৰা ৰৌ- বৰালী আঁতৰি পৰাৰ সম্ভৱনাই বেছি।

ছিদ্দিকে হুমুনিয়াহ এটা এৰি টেবুলখনত আঁউজি থকা অৱস্থাৰ পৰা পোন হৈ থিয় হ'ল। ইব্ৰাহীমৰ চকুলৈ নোচোৱাকৈ সুধিলে, 'এতিয়া কেইটা বাজিছে?'

'দহটা।'

'তাৰমানে ৰাজভৱনত মিটিঙখন আৰম্ভ হ'বলৈ আৰু এঘন্টা আছে, নহয়নে?'

'অ।'

'তেওঁলোক হোটেলৰ পৰা ৰাজভৱনলৈ বুলি ওলাই আহিলে আকৌ এবাৰ চেষ্টা কৰিম।'

'যদি এইবাৰো.....'

'এইবাৰ দুজনক একেলগে নোৱাৰিলেও এজনক বগৰাই দিম।'

ইব্ৰাহীমে একো নক'লে। তেওঁ দুঃচিন্তাত পৰিল। প্ৰথমটো এচাইনমেন্ট অসফল হ'লে আলী চাহাবৰ সুদৃষ্টিৰ পৰা বঞ্চিত হোৱাৰ সম্ভৱনাই বেছি। ইব্ৰাহীমে জানে সেইটো হ'বলৈ কোনোপধ্যেই এৰি দিব নোৱাৰি। কিন্তু কিয়েইবা কৰিব তেওঁ? এতিয়া ক্ষণ গণি থকাৰ বাহিৰে অন্য উপায়ো নাই। ইব্ৰাহীমে একো নমতাকৈ খিৰিকীখনৰ পৰ্দাৰ ফাকেৰে একেথিৰে সন্মুখলৈ চাই ৰ'ল। কিমান সময় তেনেকৈ ৰ'ল ইব্ৰাহীমে খেয়াল নকৰিলে। বেছ কিছু সময়ৰ পিছত ইব্ৰাহীমৰ চকুলৈ কিছু তন্দ্ৰালু ভাব এটা আহিছিল। মাত্ৰ কেইটামান ছেকেণ্ডৰ বাবেহে ইব্ৰাহীম আন্মনা হৈ পৰিছিল। হঠাতে হিচচ্ কৈ উঠা সৰু শব্দত ইব্ৰাহীম চক খাই উঠিল। তেওঁ সচকিত হৈ চাওঁতে চকুত পৰিল ছিদ্দিকে ৰাইফলটো টুলৰ পৰা নমাই বেছ ক্ষীপ্ৰ গতিৰে ৰাইফলটোৰ অংশবোৰ খুলিব ধৰিছে আৰু....

ইব্ৰাহীমৰ চকুত পৰিল হোটেলৰ পৰ্চত আৰম্ভ হোৱা ল'ৰা -ঢপৰা। হুইচেলৰ শব্দও ইব্ৰাহীমৰ কাণত পৰিল।

'এজনক বগৰাই দিলো।' ছিদ্দিকে ক'লে।

'কোনজনক?' চৰম উৎকণ্ঠিত হৈ ইব্ৰাহীমে সুধিলে।

'এজেন্টজনক।' ৰাইফলটোৰ খোলা অংশবোৰ এটা এটাকৈ কাষতে থকা ব্ৰীফকেচ এটাত ভৰাই ছিদ্দিকে ছুটিকৈ ক'লে।

'আৰু এম্বেচাদৰজন?'

'তেওঁৰ নচীব ভাল। পুলিচ অফিচাৰকেইজনে তেওঁক বেঢ়ি ধৰি লৈ আনিছিল। সেয়েহে এইবাৰো কোনো সুৰুঙাই নাপালো তেওঁক নিচান কৰিবলৈ।'

ইব্ৰাহীমে একো মন্তব্য নিদি পৰ্দাখনৰ ফাঁকেৰে পুনৰ বাহিৰলৈ চালে। দূৰৈৰ

পাহাৰৰ টিলাত থকা হোটেলখনৰ পৰ্চত হোৱা হৈ চৈ আগতকৈয়ো বেছি হোৱা যেন লাগিল ইব্ৰাহীমৰ। দৃশ্যটো ৰিণিকি ৰিণিকি দেখা বাবে ইব্ৰাহীমে আৰু ভালকৈ চাবলৈ বুলি পৰ্দাখন আৰু অলপ ফাঁক কৰিবলৈ লোৱা দেখি ছিদ্দিকে ক'লে, ' আৰু মাত্ৰ দহছেকেণ্ড আছে। আমি ওলাই যাবৰ হ'ল।'

' বলক।'

১০

পূৰালীয়ে গোটেই দিনটো কলেজতে কটালে। পৰীক্ষাৰ ফৰ্ম জমা দি ঘৰলৈ ঘূৰি আহোঁতে প্ৰায় আবেলিয়েই হৈছিল। ঠিক দুৱাৰমুখতে মাকক থিয় হৈ থকা দেখি পূৰালীৰ মনলৈ বেয়া চিন্তা আহিল। তাই খৰখোজেৰে আহি মাকৰ ওচৰ চাপি সুধিলে, ' কি হ'ল মা?'

' তই গম পোৱা নাই?'

' কি হ'লনো?' তাই বাৰাণ্ডাত ভৰি দি সুধিলে।

' হোটেল হিলভিউত ফৰেইনাৰ এজনক গুলীয়ালে। কোনো গুলীয়ালে, কেনেকৈ গুলীয়ালে পুলিচে হেনো ধৰিবই নোৱাৰিলে। ফৰেইনাৰজন বোলে কোনোবা এখন দেশৰ এম্বেচীত কাম কৰিছিল।'

মাকৰ কথাষাৰে পূৰালীক সচকিত কৰি তুলিলে। তাই বাৰান্দাৰ কাষলৈ গৈ পিছ ফালৰ সিহঁতৰ ভাড়াঘৰটোলৈ চাই পঠিয়ালে। দৰ্জাখনত তলা এটা ওলমি থকা দেখি পূৰালী নিৰাশ হ'ব লাগিছিল; কিন্তু নহ'ল। তাই বেছিহে উত্তেজিত হ'ল।

' ভাড়াতীয়াজন নাই নেকি মা?'

' নাই। আজি দুপৰীয়াই ওলাই গৈছে।'

' অকলে?' আকৌ সুধিলে পূৰালীয়ে।

' অকলে নহয়, লগতে আৰু এজন। কোম্পানীৰ মেনেজাৰ বোলে। এইবাৰ চুটকেছ দুটাও দেখোন লৈ গৈছে। কোম্পানীৰ কামত টুৰত গৈছে। এমাহৰ পিছতহে উভতিব বুলি কৈ গৈছে।'

মাকৰ কথাখিনি শুনিবৰ ধৈৰ্য্য নহ'ল পূৰালীৰ। তাই জানে আৰু কেতিয়াও উভতি নাহে সিহঁতৰ ভাড়াতীয়াজন। ওহোঁ, ভাড়াতীয়াজন নহয়, হত্যাকাৰীজন। আৰু লগৰজন? তাই লগ পোৱাজনেই নহয়তো! মানুহজনে হোটেল এখনৰ নাম কৈ গৈছিল। পূৰালীয়ে মনত পেলাবলৈ চেষ্টা কৰিলে। হঠাতে পূৰালীৰ কি মন গ'ল জানো কান্ধত

বেগটো ওলোমাই লৈ তাই ওলাই গ'ল। যাওঁতে মাকক ৰিঙিয়াই কৈ গ'ল, ' নন্দিতালৈ ফো'ন এটা কৰি আহো মা।'

পূৰালীয়ে মাকৰ উত্তৰলৈ বাট নাচাই বেছ খোৰখোজেৰে ওলাই গ'ল। লতাশিলৰ চিটিবাছ ষ্টপেজটোৰ ওচৰ পাই পূৰালী ৰৈ গ'ল। কাষৰ পি.চি.অ'টো খালী, ভিতৰতো কোনো নাই। পূৰালীয়ে ভালেই পালে। তাই নিঃশব্দে ভিতৰলৈ সোমাই গৈ আয়ানাৰ চেম্বাৰটোৰ ভিতৰ পালেগৈ। ডায়েল কৰোতে তাইৰ হাতখন কঁপিছিল। এবাৰ ৰিং কৰাৰ পিছতে সিফালৰ পৰা ভাঁহি আহিল ' নমস্কাৰ। লতাশিল পি. এছ। মই এ. এছ. আই. তৌফিক ৰহমানে কৈছো।'

' শুনক।' পূৰালীৰ ফোঁপনি তেতিয়াও মাৰ যোৱা নাছিল। তাই মাথো কৈ গ'ল, ' আজি হোটেল হিলভিউত হোৱা গুলীয়াগুলী কোনে কৰিলে মই জানো। তেওঁ পল্টনবজাৰৰ ৰাইনো হোটেলত আছে। ৰূম নম্বৰ ৩০২।' পূৰালীয়ে কথাষাৰ কৈয়ে ৰিছিভাৰটো থৈ দিলে। দুটকা কাউন্টাৰত পেলাই থৈ তাই ঘৰ পালেহি। এতিয়া যেন সময় নাযায় , নুপুৰাই।

গধূলি উৎকণ্ঠিত চিত্তেৰে তাই টি. ভি. টোৰ মুখতে বহি ৰ'ল। সন্ধিয়াৰ বাতৰি তাই চৰম উত্তেজিতভাৱে চাই গ'ল। মাত্ৰ এষাৰ কথাহে তাইৰ কাণত ৰিণিকি ৰিণিকি বাজি ৰ'ল....

......আজি আবেলি গুৱাহাটীৰ পল্টন বজাৰৰ হোটেল এখনৰ পৰা মহানগৰ আৰক্ষীয়ে দুজন মৌলবাদী উগ্ৰপন্থীক আটক কৰে। আৰক্ষীৰ সূত্ৰমতে......

পিছৰ কথাখিনি তাই নুশুনিলে। মাকক খবৰটো দিবলৈ বুলি তাই দৌৰি উঠি গ'ল। □

# আতংক

ৰাজীৱ সন্ত্ৰস্ত হৈছিল। আতংকত সি শিয়ঁৰি উঠিছিল। 'বুজিলো।' বহুপৰৰ পিছত নিজকে কিছু চম্ভালি লৈ সি সন্মুখত বহি থকা বন্ধু উৎপল দাসলৈ চাই ক'লে, 'ফাঁচীবজাৰত বোমা বিস্ফোৰণ হ'ল। দহজন নিৰপৰাধী লোকৰ মৃত্যু হ'ল; কিন্তু মোক পুলিচে সন্দেহ কৰিলে কিয় মূল অপৰাধী বুলি?'

'পুলিচে তেনেকৈ কথাটো ভবা নাই। তই এজন সাধাৰণ ব্যৱসায়ী যুৱক হ'ব পাৰ; কিন্তু তোৰ লগত কোনোবা যতীন তালুকদাৰৰ সম্পৰ্ক আছে বুলি কোনোবাই পুলিচক গোপনে খবৰ দিছে। এই যতীন তালুকদাৰক বহুদিনৰে পৰা পুলিচে বিচাৰি আছে। দুদিনমান তোৰ বিয়েৰ বাৰখনলৈকো বোলে তেওঁ আহিছিল। সেইকাৰণেই বোধহয়...'

উৎপলৰ কথাখিনি শেষ নহ'ল। বাহিৰত জীপ এখন ৰোৱাৰ শব্দ শুনি উৎপলে ফুচফুচাই ক'লে, 'পুলিচ পালেহি মই ভবাতকৈ বহুত আগতে। তই পিছফালৰ দৰ্জাখনেৰে পলা।'

'কিন্তু....'

'এতিয়া চিন্তা কৰি লাভ নাই। পুলিচৰ হাতত অন্ততঃ দুদিনমান ধৰা নপৰাকৈ থাকিব পাৰিলে তই আচল ৰহস্যৰ উমান পাব পাৰিবি।'

'ক'লৈ পলাম?' ৰাজীৱে সুধিলে।

'মোৰ ঘৰলৈ ব'ল।'

উৎপলে কথাষাৰ কৈয়ে বাহিৰলৈ ওলাল। ৰাজীৱৰ বুকুৰ ধপধপনি বাঢ়িছিল। সি উচপিচালে। ৰাজীৱৰ কাণত পৰিছিল দেৱালৰ সিপাৰৰ বিয়েৰ বাৰখনত বুটজোতাৰ শব্দ। এই কোঠাটোত আৰু একমিনিট থাকিলেই পুলিচে তাক আটক কৰিব।

ৰাজীৱে চিন্তা কৰিবলৈ এৰি দিলে। সি উৎপলৰ পিছে পিছে বাহিৰ পালেহি।

বাহিৰখন অন্ধকাৰ।

বিয়েৰ বাৰখনৰ পিছফালটো অত্যন্ত লেতেৰা। দিনত হোৱা হ'লে সি হয়তো কোনোপধ্যে এই পথটোত খোজ নিদিলেহেঁতেন। এতিয়া অৱশ্যে অন্য কোনো বিকল্পও নাই। তাৰ পৰম বন্ধু উৎপলক অবিশ্বাস কৰাৰো কোনো থল নাই, কিন্তু উৎপলে কেনেকৈ গম পালে যে পুলিচে তাক বিচাৰি আছে। বেংকৰ কেৰাণী এজনে পুলিচৰ গতিগোত্ৰ

জনাৰ কোনো সুবিধা নাই। গুৱাহাটীৰ চিটি এচ. পিৰ অফিচৰ ওচৰতে উৎপলে কাম কৰা ষ্টেট বেংক অব ইণ্ডিয়াৰ শাখাটো আছে বুলিয়েই উৎপলে সিমানখিনি ৰহস্যৰ সম্ভেদ পোৱাটো সম্ভৱ নহয়।

'উৎপল!'

'হু।'

'তই কেনেকৈ এই কথা গম পালি?'

'মোক কোনোবাই কৈছে। কোনে কৈছে নুসুধিবি। মই নকওঁ। তই এই বিপদৰ পৰা ৰক্ষা পালে এদিন ক'ম।'

'মোৰ লগত যদি তোকো -'

'মোৰ আত্মবিশ্বাস আছে।'

ৰাজীৱে আৰু কিবা এষাৰ কব ওলাইছিল, কিন্তু পিছফালে হঠাতে পুলিচৰ হুইছেলৰ শব্দ শুনি ৰাজীৱে সচকিত হৈ ক'লে, 'দৌৰিব লাগিব এতিয়া।'

'নালাগে। স্বাভাৱিকভাৱে খোজ দি থাক। এই গলিটোৱে এতিয়া দৌৰিব ধৰিলেই ধৰা পৰিবি।' উৎপলে ক'লে। গলিটো ঠেক। অন্ধকাৰাচ্ছন্ন। এই ৰাস্তাৰ এমূৰে নৰকাসুৰ পাহাৰখন আৰম্ভ হৈছে। গলিটোৰ ইটো ফালে থকা জুপুৰি ঘৰবোৰত ইলেক্ট্রিচিটি নাই। মাজে মাজে দুই এটা মদাহী ; হঠাতে সন্মুখত ওলায়। তেতিয়া দুয়ো আৰু বেছি উৎকণ্ঠিত হৈ উঠে।

২

বিয়েৰ বাৰখনত তেতিয়া ভিৰ যথেষ্ট। প্ৰতিখন টেবুলতে গ্ৰাহক ঠাহ খাই আছে। ভিতৰখন কম পাৱাৰৰ বাল্বৰোৰৰ কাৰণে অনুজ্জ্বল হৈ আছে; কিন্তু আকস্মিকভাৱে দুজন সশস্ত্ৰ পুলিচ আৰু এজন এছ. আই সোমাই অহা সকলোৱে চকুত পৰিছিল।

বিবুধিত পৰিছিল সকলো।

এছ. আই প্ৰদীপ শইকীয়াই মাতটো যথেষ্ট গলগলীয়া কৰি ক'লে, 'আপোনালোক সকলো নিজৰ নিজৰ চকীতে বহি থাকক।' শইকীয়াই এইবাৰ মূৰটো ঘূৰাই বেয়েৰা এটাক ক'লে, 'সকলো কেইটা বাল্ব জ্বলাই দে।'

বেয়েৰাটোৱে চুইচ ব'ৰ্ডত হাতখন দিব লওঁতেই হঠাতে অগ্নিস্ফুলিংগ এটা জ্বলি উঠিল।

মুহূৰ্ততে বেয়েৰাটোৱে ৰক্তাপ্লুত হাতখন ধৰি চীৎকাৰ কৰি উঠিল। ভিতৰৰ

অনুজ্জ্বলকৈ জ্বলি থকা অৱশিষ্ট বাল্বকেইটাও ঠিক তাৰ আগমুহূৰ্তত নুমাই গৈছিল। একেলগে বহুকেইটা আৰ্ত চীৎকাৰে হঠাতে ভিতৰখন উত্তাল কৰি তুলিলে। এচুকৰ টেবুল এখনৰ পৰা আদহীয়া আৰু লগত এজন যুৱক ততালিকে বহাৰ পৰা ঠিয় হৈছিল। যুৱকজনৰ এখন হাতত থকা সৰু ৰিভলভাৰটো অৱশ্যে অন্ধকাৰত কোনেও দেখা পোৱা নাছিল। বাহিৰৰ দৰ্জাখনেৰে সতৰ্কতাৰে মুকলিলৈ ওলাই যাওঁতেও কোনেও উমান নাপালে। এছ. আই প্ৰদীপ শইকীয়া হয়তো তেনেকুৱা এটা পৰিস্থিতিৰ সন্মুখীন হ'বৰ বাবে সমূলি প্ৰস্তুত নাছিল। তেওঁ হতভম্ভ হৈ হুইছেলটো বজাই দিলে।

শইকীয়াই অৱশ্যে বুজি পাইছিল চৰাই উৰিল।

শইকীয়াই পকেটৰ পৰা টৰ্চটো উলিয়াই জ্বলাই চিঞৰি মাতিলে বেয়েৰা এটাক। বেয়েৰা এটা ওচৰলৈ আহি থিয় হোৱা দেখি সুধিলে, ' টেলিফোনটো ক'ত আছে?'

' মালিকৰ ৰুমত।'

' ব'ল।'

বেয়েৰাটোৱে কাষৰ দৰ্জাখনেৰে শইকীয়াক কোঠা এটালৈ লৈ গ'ল। কোঠাটোত থকা টেলিফোনৰ ৰিছিভাৰটো দাঙি লৈ ডায়েল কৰি ক'লে, ' মই শইকীয়াই কৈছো। অ. চি. নাই নেকি?'

' এইমাত্ৰ ওলাই গ'ল।'

' শুনক। মই ৰাজীৱ বিয়েৰবাৰৰ পৰা কৈছো। ৰেইডৰ বাবে বাৰখনত সোমাৱাৰ লগে লগে কোনোবাই চাইলেঞ্চাৰযুক্ত ৰিভলভাৰ চলালে।'

' কি?'

' অ, আপুনি অচি আৰু চিটি এচ. পি. চাহাবক খবৰ দিব আৰু ইয়ালৈ এক চেকশ্বন ফৰ্চ পঠিয়াই দিবলৈ অনুৰোধ কৰিব।'

শইকীয়াই ৰিচিভাৰটো ক্ৰেডেলত থৈ টৰ্চটোৰ পোহৰ চাৰিওফালে বিয়পাই সুধিলে, ' মালিকৰ নাম কি?'

' ৰাজীৱ ফুকন।'

' ক'ত থাকে?'

' চান্দমাৰীত।'

' ক'ত পাম এতিয়া?'

‘ তেওঁতো.... ইয়াতে আছিল.... এই কোঠাতে .... বন্ধু এজনৰ লগত।’

শইকীয়াই ৰহস্যৰ গোন্ধ পালে।

‘ ভিতৰত আছে নেকি?’

‘ নাই।’

‘ বন্ধুজনৰ নাম কি?’

‘ উৎপল দাস। কালাপাহাৰত থাকে।’

‘ ঠিক আছে।’

শইকীয়াই আকৌ বাৰৰ ভিতৰ পালেহি। কোনোবাই ইমাৰজেন্সী লাইট এটা জ্বলাই দিছিল। ভিতৰৰ হুলুস্থূল তেতিয়াও মাৰ যোৱা নাছিল। হাতখনত গুলী লগা বেয়েৰাটোৰ যন্ত্ৰণাকাতৰ চীৎকাৰে পৰিস্থিতি আৰু অসহনীয় কৰি তুলিছিল।

‘ আলি।’

কনিষ্টবল এটা আহি শইকীয়াৰ ওচৰত থিয় হ’ল।

‘ এওঁক জি. এম. চি. লৈ. পঠিয়াই দিয়ক।’

৩

পল্লৱীয়ে ঘড়ীটোলৈ চালে।

গধূলি সাতটা বাজিছে। জাৰৰ দিন বাবেই অন্ধকাৰ তেতিয়াই গাঢ় হৈ আহিছিল। আলিবাটটো জনহীন হৈছিল। কাছাৰীৰ চিটিবাছ ষ্টপেজটোত এতিয়া মাথো দুজনমান মানুহ আছে, আৰু এখন চিটিবাছ আহিলেই হয়তো এইচাম মানুহো আঁতৰিব। জনশূন্য ষ্টপেজ এটাত যুৱতী এগৰাকী অকশৰীয়াকৈ বৈ থকাটো সন্দেহৰ বিষয়। চিটি এচ. পি.অফিচৰ ষ্টেনো টাইপিষ্ট হলেও পল্লৱী যি কোনো মুহূৰ্ততে বিপদত পৰিব পাৰে। অৱশ্যে উৎপলে এই প্ৰথমবাৰৰ বাবে সময় দি সময় ৰাখিব পৰা নাই ; কিন্তু উৎপলে তাইক অভয় দি কৈছিল, ‘ তুমি চিটিবাছ ষ্টপেজতে বৈ থাকিবা। মই ৰাজীৱক খবৰটো দিয়েই গুচি আহিম।’

কিন্তু......

পল্লৱীয়ে আকৌ ঘড়ীটোলৈ চালে।

পাঁচ মিনিট উকলি গৈছে।

পল্লৱীয়ে উচ্‌পিচালে। ইতিমধ্যে চিটিবাছ এখনত ষ্টপেজত বৈ থকা মানুহখিনিও গুছি গৈছে। শূন্য চিটিবাছ ষ্টপেজটোত অকলশৰে বৈ পল্লৱীৰ অস্বস্তি লাগিল। তাই

চাৰিওফালে চাই এইবাৰ খোজ দিবলৈ ধৰিলে। দুখোজমান দিয়েই পল্লৱী ৰৈ যাবলগীয়া হ'ল। পল্লৱীৰ নিচেই সন্মুখতে হঠাতে জীপ এখন আহি ৰৈ গৈছিল। জীপখনত স্পেচিয়েল ব্ৰাঞ্চৰ ডি. এছ. পি আবেদ ৰহমান বহি আছিল। তেওঁক দেখিয়েই পল্লৱীৰ গাটো সিৰসিৰাই গৈছিল। ৰহমানে জোৰ দি ধৰিলে তেওঁৰ লগতে যাবলৈ, আগে পিছেও অৱশ্যে পল্লৱীক লিফ্‌ট দিছিল তেওঁ। পল্লৱী বিমোৰত পৰিল। তাই জানে. উৎপল যিকোনো সময়তে আহি ওলাবহি পাৰে। তাই পুনৰবাৰ না কৰিলে ; কিন্তু ৰহমান নাচোৰবান্ধা। তেওঁ আকৌ ক'লে, ' মোৰ চাৰ্কিত হাউচত ডিউটি আছে। চি.এম আহিব বোলে। গতিকে মই চাৰ্কিত হাউচট নামি যাম। এই জীপখনেৰে আপুনি ঘৰলৈকে যাব পাৰিব।'

' আজি পিছে মই খোজকাঢ়ি যাম বুলিয়েই ঠিক কৰিছোঁ।'

' কিন্তু আন্ধাৰ হ'লহি। ষ্ট্ৰীট লাইটো নাই।'

' মই যিহেতু চিটি এচ. পি অফিচত কাম কৰো সেয়েহে নিৰ্ভয়ে যাব পাৰিম।' পল্লৱীয়ে হাঁহি হাঁহি ক'লে।

' ঠিক আছে।'

ৰহমান গ'লগৈ।

কিন্তু পল্লৱীৰ দুঃচিন্তা নকমিল। অন্ধকাৰ আৰু বেছি গাঢ় হৈ আহিছিল। তাইৰ সোঁহাতে নেহৰু পাৰ্কখন, বাওঁহাতে জাজৰ বঙলা। এতিয়া বিপদ যিকোনো মুহূৰ্তত সংঘটিত হ'ব পাৰে। তাই বাৰু এই ঠাইতে ৰৈ থাকি ভুল কৰিছে নেকি? কিন্তু অইন উপায়ো নাই। উৎপলক তাই লগ ধৰিবই লাগিব।

পল্লৱীয়ে ঘড়ীটোলৈ চালে।

পোন্ধৰ মিনিট পাৰ হৈ গ'ল। পল্লৱীয়ে আকৌ খোজ দিব ধৰিলে। মাজতে এখন জীপ তাইৰ নিচেই কাষেৰে পাৰ হৈ গৈছিল। জীপখনৰ হেডলাইটৰ পোহৰ তাইৰ মুখত পৰিছিল। তাই ধৰিব পাৰিছিল জীপখনৰ আৰোহীজনে তাইক চিনি পাইছে। তাই আবেদ ৰহমানক জীপখনতে বহি যোৱা চকা - মকাকৈ দেখা পাইছিল। এতিয়া তাইৰ চালচলনত ৰহমানৰ সন্দেহ উপজিবই। তেনেহলে উপায়?

' ৰিক্সা!'

খালি ৰিক্সা এখন গাৰ কাষেৰে পাৰ হৈ যাওঁতেই পল্লৱী ৰিক্সাখনতে উঠি ল'লে। পল্লৱীৰ অন্তৰআত্মা এক অজান আশংকাত কঁপি উঠিছিল। তাইৰ মৰমৰ উৎপলৰ কোনো বিপদ হোৱা নাইতো!!

৪

‘ তই একো চিন্তা নকৰিবি। মই ঘৰৰ আগফালে তলা মাৰি থ’ম। কোনেও গম নাপাব ভিতৰত কোনোবা থকা বুলি । মাত্ৰ তই অন্ধকাৰতে থাকিব লাগিব।’

‘ কিন্তু তই কি কৰিবি?’ ৰাজীৱে উৎপলৰ দুই কোঠালিৰ সৰু ঘৰটোৰ এজনীয়া বিছনাখনত বহি লৈ সুধিলে।

‘ মই এতিয়া যাম কাছাৰীঘাটলৈ, বাছ ষ্টপেজত কাৰোবাক লগ ধৰাৰ কথা।’

‘ কাক?’

‘ তই চিনি নাপাবি।’ উৎপলে প্ৰসংগটো সিমানতে অন্ত পেলাই ৰাজীৱক তাৰ ঘৰটোত ক’ত কি আছে বুজাই বাহিৰলৈ ওলাই আহি দৰ্জাখনত তলাটো মাৰিলে। আঁতৰত অট’ৰিক্সা এখন ৰখাই থোৱা আছিল। সেইখনেৰেই সিহঁতে নৰকাসুৰ পাহাৰৰ গলিটোৰে অতি কম সময়তে লক্ষ্যস্থান পাইছিলহি। উৎপলে অট’খনত উঠি আহি কাছাৰীঘাটৰ বাছ ষ্টপেজত ৰ’লহি। অট’খন তাতে বিদায় দি উৎপলে ঘড়ীটোলৈ চালে। গধূলি সাত বাজি ত্ৰিশ মিনিট হৈছে। নিয়মমতে পল্লৱীক লগ ধৰাৰ কথা আছিল গধূলি ছটা ত্ৰিশত। প্ৰায় এঘন্টা পলম হৈ গ’ল এতিয়া। তথাপিও উৎপলে ক্ষীণ আশা কৰিছিল পল্লৱীয়ে হয়তো তালৈ অপেক্ষা কৰি থাকিব।

কিছুসময় জনশূন্য বাছ ষ্টপেজটোত কটাই উৎপলে আকৌ খোজ ল’লে। চান্দমাৰীত থকা পল্লৱীৰ ৱৰ্কিং ৱমেন হোষ্টেল পাওঁতে তাৰ বিশ মিনিট লাগিল। হোষ্টেলৰ চকীদাৰটো উৎপলৰ চিনাকি। সি উৎপলক দেখিয়েই কৈ উঠিল ‘ মেমচাহেব অলপ আগতেহে আহিছে। মাতি দিম নেকি?’

‘ অ।’

চকীদাৰটোয়ে পল্লৱীক মাতিবলৈ যোৱাৰ পিছত উৎপলে ৱেটিং ৰুমৰ চোফা এখনত বহি ছিগাৰেট এটা উলিয়াই লৈ জ্বলাই দুহোপামান মৰাৰ লগে লগেই পল্লৱী সোমাই আহিল। পল্লৱীৰ চকুৰে -মুখে উৎকণ্ঠাৰ ছাপ। উৎপলৰ নিচেই কাষতে বহি দীঘলকৈ উশাহ এটা লৈ ক’লে, ‘ তুমি দেৰি কৰা দেখি নৰখি গুছি আহিলো।’

‘ ৰাজীৱৰ বাৰত ৰেইড্ হৈছিল। সেইকাৰণেই.......’

‘ গম পাইছো। এচ. পিয়ে দিছপুৰ থানাৰ অ, চিক ৰেইড্ কৰিব কৈছিল। মই শুনিছিলো।’

‘ ৰাজীৱক মোৰ ঘৰত থৈ আহিছো।’

' তোমাৰ একো বিপদ নহয়তো!!'

'নহয়।'

' কিন্তু অকল বন্ধু এজনৰ বাবে ইমানখিনি—'

' তুমিওতো মোৰ বাবে বিপদ আকোঁৱালি লৈছা।'

' মই যে তোমাক ভাল পাওঁ।'

' আৰু মই ৰাজীৱক বিপদত পৰা নিবিচাৰো। বাইদেউ দুজনীৰ বিয়াদুখন সি ধাৰে দিয়া টকাৰেই হৈছিল। কেতিয়া ধাৰ মাৰিব পাৰিম নাজানো। সেইকাৰণে ময়ো সি বিপদত পৰা দেখি নিজে এইকণ সহায় কৰিছো। অৱশ্যে তাকো তোমাৰ কৃপাতহে।'

' কিন্তু এতিয়া বিপদ আৰু আহি আছে।'

' নতুনকৈ?' সুধিলে উৎপলে।

' অ।'

' কি বিপদ?'

' যতীন তালুকদাৰ মানুহজন বোলে আগেয়ে আৰ্মিত আছিল। এতিয়া অকল টকাৰ বাবেই স্মাগলিং, ৰবাৰী, ড্ৰাগছ ট্ৰেফেকিং এই সকলোবোৰ কৰে। লগত থাকে মিজো লৰা এজন। সাংঘাটিক শুটাৰ বোলে। অন্ধকাৰতো হেনো গুলী কৰিব পাৰে।'

' বুজিলো।' উৎপলে ক'লে, ' কিন্তু ৰাজীৱৰ লগত সম্পৰ্ক কি?'

' সিহঁত দুয়োটাই ৰাজীৱৰ বাৰখনকে মিটিং পইন্ট হিচাপে লৈছিল। তাৰপৰা চিলং, বেলতলাৰ ট্ৰাক টাৰ্মিনেছ, কয়লা ডিপু আদিলৈ অনায়েসে যাব পাৰি। তদুপৰি বাৰখনৰ ওচৰতে আছে পি. চি. অ' এটা।'

' তাৰ পিছত?' উৎপলে সুধিলে।

' খবৰমতে গণেশগুৰিৰ ডেইলী মাৰ্কেটত এইবাৰ বিস্ফোৰণ এটা ঘটোৱাৰ কথা। কোনোবাই যতীন তালুকদাৰক এই কামৰ বাবে এন্‌গেজ কৰিছে। ৰাজীৱৰ বাৰতে আজি দুয়োটা মিলিত হোৱাৰ কথা আছিল। স্পেচিয়েল ব্ৰাঞ্চৰ মতে ৰাজীৱে হেনো চিনি পায় কোনে যতীন তালুকদাৰক এন্‌গেজ কৰিছে।'

' কি?' উৎপলৰ উৎকণ্ঠা বাঢ়িল।

' অ'। মই স্পেচিয়েল ব্ৰাঞ্চৰ ৰিপৰ্টতো চাইছিলো। এবাৰ নহয়, দুবাৰ।' পল্লৱীয়ে উশাহ এটা সলাই পুনৰ ক'লে, ' ৰাজীৱক পুলিচে বিচাৰি ফুৰিছে। ৰাজীৱে

নাজানিলেও বীয়েৰ বাৰখনৰ কোনোবাই নিশ্চয় যতীন তালুকদাৰক চিনি পায়।'

'এৰেষ্ট কৰিব নেকি?'

'ক'ব নোৱাৰো। হয়তো কৰিব। আকৌ নকৰিবও পাৰে।'

হঠাতে উৎপল বহাৰ পৰা উঠিল।

পল্লৱীয়ে অবাক হৈ সুধিলে 'কি হ'ল তোমাৰ?'

'আকৌ কালাপাহাৰলৈ যাব লাগিব।'

'কিয়?'

উৎপলে কাৰণটো নক'লে। কবলৈ সি অৱশ্যে ৰৈয়ো থকা নাছিল। পল্লৱীয়ে পিছফালৰ পৰা মাতিম বুলি ভাবিও নামাতিলে।

৫

'চাইল'।'

চাইল'ৰে খিৰিকিৰ পৰ্দাৰ ফাকেৰে তলৰ ব্যস্ত আলিবাটটোলৈ চাই আছিল। পল্টন বজাৰখন এতিয়াহে যেন সাৰ পাই উঠিছে। ঠেক আলিবাটটোৰে নাইট চুপাৰবিলাক অহৰহ আহি আছে, গৈ আছে। এসোপা যাত্ৰী উঠাই আকৌ ধাৱমান হৈছে।

চাইল'ৰে হোটেলৰ খিড়িকীৰ কাষৰ পৰা উভতি আহি অন্ধকাৰ হৈ থকা কোঠাটোৰ বিছনা এখনত বহি ল'লে। আন এখন বিছনাত দুচকু মেলি চিৎ হৈ শুই থকা আদহীয়া মানুহ এজনে এইবাৰ ক'লে। 'বাল্ব এটা জ্বলাই দিয়া।'

'কিন্তু........'

'একো ভয় নাই। পুলিচ এতিয়া এই হোটেলখনলৈ ৰেইড্ কৰিবলৈ নাহে। অন্ততঃ এই যতীন তালুকদাৰৰ সেইখিনি অনুমান কৰাৰ ক্ষমতা নিশ্চয় আছে।'

চাইল'ৰে বিছনাৰ পৰা উঠি গৈ বাল্বটো জ্বলাই আকৌ বিছনাখনত বহিল। যতীন তালুকদাৰ বোলা আদহীয়া মানুহজনে আকৌ সুধিলে, 'কেইটা বাজিছে এতিয়া?'

'আঠটা দহ।'

'আৰু বিশ মিনটি অপেক্ষা কৰিব লাগিব।'

'কিন্তু মানুহজন ইয়ালৈ আহিবতো!!'

'আহিবই। তেৱেঁতো এই হোটেলখনৰ নাম কৈছিল।'

'তেতিয়াহ'লে বীয়েৰ বাৰতকৈ এই হোটেলখনতে আমি লগ হ'ব

পাৰিলোহেঁতেন।'

' বিয়েৰ বাৰখনৰ বাৰমেনজনৰ বাবেইতো........', তালুকদাৰে হঠাতে আধাকোৱাকৈ ৰৈ এইবাৰ যথেষ্ট অনুচ্চ কণ্ঠেৰে ক'লে, ' কোনোবা আহিছে।'

চাইল'ৰেও শুনা পাইছিল দৰ্জাখনত মৃদু টোকৰ মৰাৰ শব্দ। চাইল'ৰে তড়িৎ গতিৰে বন্ধ দৰ্জাখনৰ ওচৰ চাপি চেপা কণ্ঠেৰে সুধিলে, ' কোন?'

' মই , পাঠক।' সিফালৰ পৰা এটা গলগলীয়া মাত ভাঁহি আহিল। যতীন তালুকদাৰে মাতটো শুনিয়েই ক'লে, ' খুলি দিয়া।'

চাইল'ৰে দৰ্জাখন ঈষৎ ফাক কৰি দিওঁতে প্ৰৌঢ় মানুহ এজন কোঠাটোলৈ সোমাই আহিল। পিন্ধনত ক'লা চুট এযোৰ, চকুত চশমা। মূৰত অৱশ্যে চুলিকেইডালমানহে আছে। মানুহজন ভিতৰলৈ সোমাই আহি চোফা এখনত বহাৰ লগে লগে চাইল'ৰে দৰ্জাখন বন্ধকৰি হুক লগাই দিলে। আগন্তুকে যতীন তালুকদাৰলৈ চাই ক'লে , ' বিয়েৰ বাৰত পুলিচৰ ৰেইড্ হৈছে।'

' গম পাইছো।' তালুকদাৰৰ চমু উত্তৰ।

' পুলিচে আমাৰ কথাও গম পাইছে।'

' আমাৰ মানে?'

' আপোনাৰ কথা , গণেশগুৰিৰ ডেইলী মাৰ্কেটৰ কথা।'

' তেতিয়াহ'লে......'

' সেইকাৰণেইতো মই বিচাৰো অহা সপ্তাহত নহয়, অহাকালি গধূলি ছটা বজাৰ লগে লগে ডেইলী মাৰ্কেটত বিস্ফোৰণ ঘটাব লাগিব।'

' কিন্তু.........' যতীন তালুকদাৰে কিছু হতাশা মিশ্ৰিত কণ্ঠেৰে ক'লে, ' আমাৰ হাতত এতিয়া যিখিনি আৰ , ডি, এক্স আছে সেইখিনিৰে মাত্ৰ এশ বৰ্গফুটমান এলেকা এটাৰহে ক্ষতি কৰিব পৰা হ'ব।'

' হ'লেও অন্ততঃ দহজন মানুহতো মৰিব?' পাঠকে সুধিলে।

' বেছিও হ'ব পাৰে।'

' তেন্তে ঠিক আছে। অহাকালি গধূলি ছটা বজাত।'

' টকাৰ পৰিমাণ অৱশ্যে এতিয়া বেছি হ'ব।'

' কিমান? দহ লাখ?'

'পোন্ধৰ লাখ।' তালুকদাৰে চাইল'লৈ চাই ক'লে।

'ঠিক আছে। অহাকালি ৰাতিপুৱা পৌছাই দিম।'

পাঠক বহাৰ পৰা উঠি দৰ্জাখনলৈ অগ্ৰসৰ হ'ল।

'ৰ'ব।' হঠাতে তালুকদাৰে মাত দিলে।

পাঠকে বৈ তালুকদাৰলৈ ঘূৰি চালে। তালুকদাৰে পাঠকৰ ওচৰ চাপি আহি সুধিলে 'পুলিচে আমাৰ কথা কি গম পাইছে?'

'আপোনাৰ আৰু চাইল'ৰ আইডেনটিটি।'

'বুজিছো, মোৰ আৰু চাইল'ৰ পৰিচয় উলিওৱাটো কিছু হ'লেও উজু, কিন্তু আমি যে ৰাজীৱ বাৰত মিলিত হম তাৰ খবৰ পুলিচৰ হাতত পৰিল কেনেকৈ? বাৰৰ বাৰমেনজন মোৰ চিনাকি। তেওঁৰ যোগেদি পৰিচয় হৈছিল আপোনাৰ লগত। কিন্তু আপোনাক কোনে ক'লে বাৰমেনজন আমাৰ মাজৰ মানুহ বুলি? কিয়নো যিজনে এই ৰহস্যটো আপোনাক কৈছিল তেওঁ পুলিচক এই অপূৰ্ব সংবাদটো দিবলৈকো সুখী হ'ব।'

'তেতিয়াহ'লে হাতত এতিয়া এটা উপায় আছেগৈ।'

'কি?'

'আৰু এটা ৰিভলভাৰৰ গুলী খৰচ হ'ব। অৱশ্যে চাইল'ৰ সহায় লাগিব। মোৰ লগত চাইল' ওলাব লাগিব এতিয়া।'

'আৰু টাৰগেট?' এইবাৰ চাইল'ৱে সুধিলে।

'টাৰগেট হ'ল এই হোটেলখনৰ মালিক।'

'এই হোটেলখনৰ?'

'অ। তেওঁ মোৰ বন্ধু। বিজিনেছ পাৰ্টনাৰ। ৰাজীৱ বাৰৰ বাৰমেনজন এসময়ত এই হোটেলখনতে কাম কৰিছিল। সেই সূত্ৰেই-'

৬

এছ. আই প্ৰদীপ শইকীয়াৰ দেহ-মন অৱসাদে আগুৰি ধৰিছিল। বিয়েৰ বাৰৰ কামখিনি শেষ কৰি উঠি থানাৰ জেনেৰেল ডায়েৰীত ৰিপৰ্টতো লিখি তেওঁ নিজৰ চকীখনত বহি লৈ ঘটনাটো আকৌ এবাৰ জুকিয়াই চাওঁতে খেয়াল হ'ল ক'ৰবাত বিসংগতি এটা হ'ল।

বিয়েৰ বাৰখনত আছিল প্ৰায় কুৰিখন টেবুল। প্ৰায় পাঁচখন টেবুল আছিল

মূল দৰ্জাখনৰ ফালে, অৰ্থাৎ কাৰোবাৰ প্ৰৱেশ -প্ৰস্থান প্ৰথমেই চকুত পৰিব সেই টেবুলকেইখনৰ গ্ৰাহককিজনৰ। কিন্তু গুলীটো আহিছিল সম্পূৰ্ণ বিপৰীত দিশৰপৰা। তাৰপৰা মূল দৰ্জাখন চকুত নপৰে। অইন কোনোবাই নিশ্চয় দিব লাগিব অনাকাংক্ষিত অতিথি অহাৰ খবৰ। কিন্তু কোনে? আৰু লাইটকেইটা নুমুৱালে কোনে? তেওঁৰ স্পষ্ট মনত আছে চুইচবৰ্ডখন আছিল বাৰখনৰ এটা মূৰত। বিয়েৰবাৰখনৰ বাৰমেনজনৰ প্ৰকাণ্ড ঘূৰণীয়া টেবুলখনৰ ওচৰত। গতিকে চুইচবৰ্ডখনৰ কাষতে বৈ থকা কোনোবা এজনে চুইচটো টিপিব লাগিব আৰু এই কামটো কৰা মানুহজন বাৰমেন ৰামবাহাদুৰৰ চকুত পৰিবই। ৰামবাহাদুৰেতো তেওঁক স্পষ্টকৈ কৈছে যে তেওঁ চুইচবৰ্ডত কোনে হাত দিছিল নাজানে। ৰামবাহাদুৰে তেওঁক নিশ্চয় মিছা নকয়। পল্টন বজাৰ থানাত এ. এছ. আই হৈ থকাৰে পৰা ৰামবাহাদুৰ তেওঁৰ চিনাকি।

'ছাৰ। ডি. এছ. পি আবেদ ৰহমান ছাৰে আপোনাক মাতিছে। অ. চি. ছাৰৰ চেম্বাৰত বহি আছে।' কনিষ্টবল এটা আহি কথাখিনি কওঁতে শইকীয়াৰ চিন্তাত যতি পৰিল। তেওঁ লগে লগেই অ. চিৰ চেম্বাৰ পালেগৈ। আবেদ ৰহমান অকলে বহি আছিল। এহাতত জেনেৰেল ডায়েৰীখন। শইকীয়াক দেখি তেওঁ ক'লে, 'এটা কথা এতিয়াও অস্পষ্ট হৈ ৰ'ল শইকীয়া। যতীন তালুকদাৰ বা তেওঁৰ লগৰ মিজো এক্সট্ৰিমিষ্টজন বিয়েৰবাৰত আছিল নে নাই?'

'সন্দেহতো মোৰো থাকি গ'ল।' শইকীয়াই চকী এখনত বহি লৈ সুধিলে, 'ইনফৰমাৰজনে নতুন খবৰ দিছে নেকি চাৰ?'

'এতিয়ালৈ ফোন কৰা নাই।' চিগাৰেট এটা জ্বলাই ৰহমানে সুধিলে, 'ৰাজীৱ ফুকনক লগ পালে নে?'

'চান্দমাৰী থানাই খবৰ দিছে এতিয়ালৈকে তেওঁ ঘৰ গৈ পোৱা নাই। আমবাৰী ফটাশিল থানাই খবৰ দিছে তেওঁৰ বন্ধু উৎপল দাসৰ ঘৰতো তলা মৰা আছে। সেই বন্ধুজনে কাম কৰে পাণবজাৰৰ ষ্টেট বেংকৰ ব্ৰাঞ্চটোত। মই খবৰ লৈছিলো। বেংকৰ পৰা তেওঁ গধূলি পাঁচটা বজাতে ওলাই গৈছে। বেংকৰে এজনে খবৰ দিছিল তেওঁৰ প্ৰেয়সীজনী থাকে চান্দমাৰীৰ ৱৰ্কিং ৱমেন হোষ্টেলত। তাত গৈ গম পালো ছোৱালীজনী পল্লৱী নেওঁগ। চিটি, এচ .পি অফিচৰ ষ্টেনো টাইপিষ্ট।'

আবেদ ৰহমান চমকি উঠিল।

'মই পল্লৱী নেওঁগক লগ ধৰিছিলো। তেওঁৰ লগত উৎপল দাস প্ৰায় দুঘন্টা মান আছিল হেনো গধূলি সময়ত। পিছত ক'লৈ গল নাজানে। তেওঁ ৰাজীৱ ফুকনক চিনি

নাপায়। উৎপল দাসৰ বন্ধু বুলি অৱশ্যে জানে।'

ৰহমান হঠাতে থিয় হ'ল।

'ক'লৈ যায় ছাৰ?'

'চান্দমাৰী থানালৈ। পল্লৱী নেওঁগক জেৰা কৰিব লাগিব।'

শইকীয়াই কিবা সুধিব খোজোতেই কনিষ্টবল এটা সোমাই আহি খবৰ দিলে শইকীয়াৰ ফোন অহা বুলি। শইকীয়া ওলাই গ'ল, কিন্তু এক মিনিট পিছতে উধাতু খাই সোমাই আহি ক'লে, 'আমবাৰী ফটাশিল থানাই খবৰ দিছে অলপ আগতে উৎপল দাস তেওঁৰ ঘৰলৈ আহিছিল , কিন্তু পুলিচ দেখিয়েই তেওঁ ওলাই গ'ল ঘৰৰ পৰা। ঘৰলৈ তেওঁ আহিছিল অকলে। কিন্তু ওলাই যাওঁতে লগত গ'ল আৰু এজন।'

'ৰাজীৱ ফুকন নহয়তো।'

'হ'ব পাৰে।'

'কিন্তু -'

৭

উৎপলে সপোনতো ভাবিব পৰা নাছিল যে পুলিচ ইমান বেছি সক্ৰিয় হ'ব। তাৰ উৎকণ্ঠাই তেতিয়া চৰম সীমা পাইছিল। অৱশ্যে ৰাজীৱ হৈছিল ভীতগ্ৰস্ত । ঘটনাৰ আকস্মিকতাত সি বিমূঢ় হৈ পৰিছিল। উৎপলৰ দুঃচিন্তা বাঢ়িছিল অন্য এটা কাৰণত। কিছু সময়ৰ আগতে পি. চি. অ ' এটাৰ পৰা সি পল্লৱীৰ হোষ্টেললৈ ফোন কৰিছিল।

চকীদাৰটোৱে তেতিয়াই দিছিল ভয়ংকৰ খবৰ এটা। পল্লৱীক কেইমিনিটমান আগতে চান্দমাৰী থানালৈ মতাই নিয়া হৈছে। এই ৰাতিখন পল্লৱীক নিশ্চয় কোনো অফিচৰ কামত মতাই নিনিয়ে। তেন্তে ?

আৰু তেতিয়াৰ পৰা ৰিক্সা এখনত সিহঁতে মাথো বহি আছে। নিশা ন বজাৰ লগে লগে আলিবাটটোত মানুহ কমিছে।

'ক'লৈ গৈ আছো আমি?' ৰাজীৱে সুধিলে।

'উজান বজাৰলৈ। পানীকলৰ ওচৰত আমাৰ বেংকত কাম কৰা পিয়ন এটা আছে। আমাৰ গাওঁৰে। অকলে থাকে। তাৰ ঘৰতে আজি ৰাতিটো থাকিম।'

'কেতিয়ালৈ?'

'ক'ব নোৱাৰো।'

' অন্তত কালিলৈকেটো এনেকৈ পলাই ফুৰিব নোৱাৰো।'

' অন্তত ঃ অহাকালি এন্টিচিপেটৰী বেইল লব নোৱাৰালৈকে আমি এনেকৈ থাকিবই লাগিব?'

' কোৰ্টে দিব জানো বেইল?' সুধিলে ৰাজীৱে।

' দিব। কিয় নিদিব?' উৎপলে এখন্তেক নীৰৱে বৈ এইবাৰ ক'লে, ' পুলিচৰ মতে যতীন তালুকদাৰক এনগেজ কৰা মানুহজনৰ লগত তোৰ বিয়েৰবাৰখনৰ কাৰোবাৰ যোগসূত্ৰ আছে।'

' কিয়?'

' পুলিচে সন্দেহ কৰিছে সেইজন তই বুলি।'

' তইতো জান মোৰ কথা। মই-'

' মই জানো তই নহয় বুলি।' উৎপলে কিছুসময় তলকা মাৰি বৈ অৱশেষত ক'লে, ' মোৰো পিছে সন্দেহ হয় তোৰ বিয়েৰবাৰখনৰ সেই বাৰজন মানুহৰ কোনোবা এটা—'

' বাৰজনৰ সাতজনেই বেয়েৰা। চাৰিজন কুক। এজন—'

' বাৰমেন?'

' অ। ৰামবাহাদুৰ তাৰ নাম।'

' মোৰ তাৰ ওপৰত সন্দেহ হয়।'

' সি আগেয়ে কাম কৰা হোটেলখনৰ পিছফালে এতিয়াও থাকে। ইমানপৰে সি ঘৰ গৈ পালেগৈ হবলা। যাবি নেকি তাৰ ওচৰলৈ?' সুধিলে ৰাজীৱে।

৮

মানুহজনে ঘড়ীটো চালে। নিশা ন বাজিছে এতিয়া।

ফাঁচীবজাৰখন অৱশ্যে এতিয়াও সজীৱ হৈ আছে।

মানুহজনে এইবাৰ চাৰিওফালে চাই চাই ওচৰৰ পি. চি.অ'টোলৈ সোমাই গ'ল। পি. চি. অ'টো খালি হৈ আছিল। তেওঁ এচুকত থকা আয়নাৰ সৰু চেম্বাৰটোলৈ সোমাই গৈ দৰ্জাখন বন্ধ কৰি বিছিভাৰটো দাঙি লৈ নম্বৰ টিপিলে।

' নমস্কাৰ। মই চিটি পুলিচ কন্ট্ৰল ৰূমৰ পৰা কৈছোঁ।'

' আবেদ ৰহমান আছে?'

'ৰহমান চাৰ নাই।'

'ক'ত লগ পাম তেখেতক?'

'চান্দমাৰী থানাত। আপুনি-'

মানুহজনে থৈ দিলে ৰিচিভাৰটো। এক মুহূৰ্ত কিবা ভাবি পুনৰ তেওঁ নম্বৰ টিপিলে। সিফালৰ পৰা প্ৰায় লগে লগেই ভাঁহি আহিল 'নমস্কাৰ। চান্দমাৰী পুলিচ ষ্টেচন।'

'আবেদ ৰহমান আছেনে?'

'আছে। আপুনি...?'

'তেওঁক ফোনত বিচৰা বুলি ক'লেই গম পাব।'

এটা ছেকেণ্ড নীৰৱে গ'ল। মানুহজনৰ কাণত পৰিছিল সিটো মূৰত কোনোবা যুৱতীৰ উচুপনিৰ শব্দ। কোনে উচুপিছে এই অসময়ত?

'হেল্ল! মই ৰহমানে কৈছো।'

'মই। আবেলি ফোন কৰাজন। মই .....।'

'কওঁক।'

'যতীন তালুকদাৰৰ ওচৰলৈ আৰ.ডি. এক্সৰ কনচাইনমেন্ট এটা আহি আছে। সেইয়া আহি পালেই বিস্ফোৰণ এটা হ'ব।'

'কেতিয়া আহিব?'

'এই সপ্তাহতে।'

'কিন্তু যতীন তালুকদাৰ-'

'তেওঁৰ হাতত এতিয়াও কিছু আৰ.ডি. এক্স আছে। মই কনচাইনমেন্টটো কেতিয়া ক'ত আহিব জনাম বাৰু।'

মানুহজনে ফোনটো থৈ দিলে।

তেওঁ পি. চি. অ'ত বিলৰ ধন আদায় দি বাহিৰলৈ ওলাই আহিল। হেম বৰুৱা পথত পাৰ্ক কৰি থোৱা নীলা মাৰুতি কাৰ এখনত তেওঁ এইবাৰ উঠি লৈ লাখটকীয়া হৈ অভাৱৱীজখন পাৰ হৈ পল্টনবজাৰত ভৰি দিলে। পল্টনবজাৰখন কিছু সেৰেঙা হৈছে। অকল ৰেষ্টুৰেন্ট কেইখনতহে মানুহৰ ভিৰ। মানুহজনে পিছে গাড়ীখন হোটেল মীৰাণ্ডাৰ কিছু আঁতৰত থৈ দিলে, কিন্তু তেওঁ মীৰাণ্ডালৈ সোমাই নগ'ল। এই হোটেলখন তেওঁৰ। অলেখ সপোন ৰচিছিল হোটেলখনক লৈ। সেইবাবেই তেওঁ পৰম বন্ধু নগেন পাঠকক

বিজনেছ পার্টনাৰ হিচাবেও লৈছিল। কিন্তু ফল হিতে বিপৰীতহে হ'ল। বন্ধুৰ অসৎ প্ৰবৃত্তিৰ কথা আগেয়ে এধানি মানো গম পালেও তেওঁ এইকণ কষ্ট কৰিব নালাগিলহেঁতেন । এতিয়া বন্ধুৰ হাতৰ পৰা অকল তেওঁ নিজে বাচিলেই নহ'ব। অগণন নিৰপৰাধীকো বচাব লাগিব। বিল্ডিংটোৰ কাষেৰে যোৱা তিনিফুটৰ সৰু গলী এটাৰে সোমাই গৈ তেওঁ ঘৰ এটাৰ বন্ধ হৈ থকা কাঠৰ দৰ্জা এখনত টোকৰ দিলে। ভিতৰৰ পৰা প্ৰায় লগে লগেই কোনোবাই মাত দিলে ' কোন ?'

' মই ।'

দৰ্জাখন কিছু ফাক হ'ল। মানুহজন ভিতৰলৈ সোমাই যোৱাৰ লগে লগে দৰ্জাখন পুনৰ জাপ খালে। তেওঁ ভিতৰত সোমাই গৈয়ে সুধিলে , ' নতুন খবৰ কিবা আছে নেকি ৰামবাহাদুৰ ?'

' আছে । বেডৰুমলৈ বলক।'

ৰামবাহাদুৰে মানুহজনক ভিতৰলৈ লৈ গ'ল। ভিতৰৰ কোঠাটো অন্ধকাৰ হৈ আছিল। চুইচবৰ্ডখনৰ চুইচ এটা টিপি বাল্ব এটা জ্বলাই হঠাতে ৰামবাহাদুৰে আকৌ বাল্বটো নুমাই দিলে।

' বাহিৰত কোনোবা আহিছে ।' ৰামবাহাদুৰে ফুচফুচাই ক'লে।

৯

চাইল'ৰ ধৈৰ্য্যৰ বান্ধ চিঙি যোৱা অৱস্থা। প্ৰায় দহ মিনিট হ'ল মাৰুতি ভানখনত অকলে বহি থাকি পাঠকলৈ অপেক্ষা কৰা । পাঠকে খবৰ দিলেই সি ঘৰটোলৈ সোমাই যাব লাগিব। পাঠকে আঙুলিয়াই দিয়া মানুহজনক এটা পলকৰ ভিতৰতে....

চাইল'ৱে দেখিলে পাঠকক খৰখোজেৰে আহি থকা।

' মানুহজন নাই।' পাঠকে ড্ৰাইভিং চিটত বহি লৈ ক'লে।

' ক'লৈ গৈছে ?'

' নিশ্চয় মীৰাণ্ডা হোটেললৈ। তাতেই তেওঁলৈ অপেক্ষা কৰিব লাগিব।'

পাঠকে গাড়ী ৰেডী কৰা দেখি চাইল'ৱে সুধিলে ' কলৈ যায় ?'

' মীৰাণ্ডালৈ ।'

' তাৰমানে তাতেই......'

' অ । পল্টনবজাৰত দিনে দুই - তিনিটাকৈ মাৰ্ডাৰ হয়। আজি এটা বেছি হ'ব।'

চাইল'ৰে একো নক'লে।

সি চিন্তাও একো কৰা নাছিল।

পুনৰ হোটেলৰ কমত বহি লৈ হুইস্কীৰ বটল এটা খুলি লৈছিল। যতীন তালুকদাৰ তেতিয়াও বিছনাখনতে চিৎ হৈ শুই আছিল। চকুহাল কিন্তু মেল খাই আছিল। পাঠকে বহি আছিল চাইল'ৰ সন্মুখৰ চোফা এখনত । চাইল'ৰে আঁৰচকুৰে যতীন তালুকদাৰলৈ চাই একে ঢোকে পানীয়খিনি গলাধঃকৰণ কৰি খিড়িকীখনৰ কাষ চাপি পৰ্দাখনৰ তলৰ আলিবাট টোলৈ চালে।

এইবাৰ কিছু সচকিত হ'ল চাইল'।

মীৰাণ্ডা হোটেলৰ ঠিক তলতে ৰিক্সাৰ পৰা দুজন আৰোহী নামিছিল। ৰিক্সাখন বিদায় দিয়ে দুয়োজন খৰখোজেৰে কাষৰ গলিটোৰে সোমাই যোৱা চকুত পৰিল চাইল'ৰ। এইবাৰ চিন্তা কৰি চালে ক'ত দেখিছিল মানুহজনক ?

'কি হ'ল চাইল' ?' পাঠকে সুধিলে।

'মানুহ দুজন ৰিক্সা এখনৰ পৰা নামি এইমাত্ৰ কাষৰ গলিটোৰে যোৱা দেখিলো।'

'গলিৰে ?'

'অ ।'

'তাতেইটো ৰামবাহাদুৰৰ ঘৰ ।'

'কোন ৰামবাহাদুৰ ? বাৰমেনজন ?' এইবাৰ যতীন তালুকদাৰে থিয় হৈ সুধিলে ।

'অ ।'

'তেন্তে ?'

'তলৰ গলিটোলৈ যাব লাগিব ।'

১০

জনশূন্য গলিৰ পথ । অন্ধকাৰ কেউফালে ।

'দৰ্জাখন বন্ধ । ভিতৰখনো অন্ধকাৰ ।' পাঠকে ফুচফুচাই ক'লে।

'ভিতৰত মানুহ আছে ।' চাইল'ৰে দৰ্জাখনৰ কাষত এটা পলক ৰৈ উভতি আহি ফুচফুচাই ক'লে।

'এই দেৱালখনৰ ওপৰেৰে গৈ ঘৰটোৰ পিছফালটো পাবা। পিছফালৰ দৰ্জাখন

বাঁহৰ । সেইখনৰে অনায়েসে ভিতৰলৈ সোমাই যাব পাৰিবা। এক ছেকেণ্ডৰ ভিতৰতে কাম শেষ কৰি ........'

পাঠকৰ কথা শেষ নহ্‌লেই, চাইল' ইতিমধ্যেই দেৱালখনত একেজাপে উঠি নিমিষতে আঁতৰি গ'ল। পাঠকে আৰু এযাৰ ক'ব খুজিছিল। তেওঁ জানে ৰামবাহাদুৰৰ হাততো ৰিভলভাৰ এটা থাকে। যদি—

হওঁক।

কোনো ক্ষতি নাই।

চাইল' মৰিলেও তেওঁৰ ক্ষতি নহয়।

তেওঁক লাগে মাথো এটা বিস্ফোৰণ । প্ৰকাণ্ড বিস্ফোৰণ । সেইটো হ'লেই তেওঁ চৰকাৰৰ ওচৰত ডিমাণ্ড কৰিব পাৰিব।

একমিনিট পাৰ হ'ল।

' চিন্তা নকৰিব । চাইল'ৰ নিপুণ হাত ।' তালুকদাৰে ক'লে।

' কিন্তু —'

পাঠকৰ কথা শেষ নহ'ল। প্ৰচণ্ড শব্দ এটা ওলাল , গুৰুম্ ! পিছৰ মুহূৰ্তটোত পুনৰ শব্দ হ'ল— গু...ৰু...ম...

' এটা ৰিভলভাৰৰ শব্দ ।' যতীন তালুকদাৰৰ উৎকণ্ঠাভৰা কণ্ঠস্বৰ পাঠকৰ কাণত পৰিল। পাঠক বিব্ৰত হৈছিল লগে লগে ভাঁহি অহা আৰ্ত চিৎকাৰৰ ভয়াবহ শব্দ শুনি ।

' কি কৰিব এতিয়া ?'

' পলাব লাগিব ।'

' কিন্তু —'

পাঠকৰ খেয়াল হ'ল ইতিমধ্যেই পলম হৈ গ'ল। গলিটোত তেতিয়া এজুম মানুহ গোট খাইছে।

মীৰাণ্ডা হোটেলৰ বিল্ডিঙৰ পৰাও তললৈ টৰ্চৰ পোহৰ পৰিছে।

' থানাত খবৰ দে .....' কোনোবাই চিঞৰিছে।

যতীন তালুকদাৰে পাঠকক এহাতত ধৰি টানি লৈ যাব ধৰোতে পাঠকে যন্ত্ৰৱৎ খোজ এটা দিয়েই আকৌ বৈ গ'ল ।

'পাঠক ! আপুনি ইয়াতে ? এই অসময়ত –' ভিৰৰ মাজৰ পৰা চিনাকী কণ্ঠস্বৰ এটা ভাঁহি আহিল।

'মই মানে –' পাঠকে সেপ ঢুকিলে ।

'এখেত আকৌ কোন ?'

'এখেত মানে–' পাঠকে আকৌ সেপ ঢুকিলে । যতীন তালুকদাৰে ভিৰ ঠেলি ওলাই যাব খোজোতেই বৈ যাব লগা হ'ল।

হুইছেল আৰু বুটজোতাৰ শব্দই তালুকদাৰক মূহুৰ্ততে কাহিল কৰি পেলালে । তালুকদাৰৰ চকুহাল এইবাৰ মুদ খাই আহিল । ❑

# শিহৰণ

উত্তৰাৰ সপ্ৰতিভ মুখখনে বৰণ সলালে। হঠাতে তেনেকুৱা এটা ঘটনা ঘটি যাব বুলি তাইৰ সপোনৰো অগোচৰ আছিল। যথেষ্ট সাৱধানতাৰে তাই চিৰিঞ্জটো মানুহজনৰ বাউসীত সুমুৱাই দিছিল। মানুহজনেও যন্ত্ৰণা পোৱা নাছিল। কিন্তু পাঁচমিনিটতকৈও কম সময়তে হঠাতে এই ৰোগীজনৰ মৃত্যু হ'ল কেনেকৈ ভাবি ওৰ নাপালে উত্তৰাই। কিন্তু উত্তৰাই পলকতে বুজি পালে এই মৃত্যুৰ বাবে দায়ী হব তাই। সাধাৰণ ভিটামিন ইনজেকচন এটা লৈ কাৰো মৃত্যু হব নোৱাৰে। হয়তো বেজীটোৰ দৰৱখিনি ভিটামিনৰ নহয, বিহৰ।

উত্তৰাই চাৰিওফালে চালে। পেয়িং কেবিন এটাত মৃতদেহ এটাৰ লগত অকলশৰে থাকিবলৈ উত্তৰাৰ ভাল নালাগিল। উত্তৰাই দ্ৰুত চিন্তা কৰিলে। ইমমৰেল ট্ৰেফিক এক্টত তাই দুবাৰো পুলিচৰ নজৰত পৰিছিল। এইবাৰ পুলিচে যেতিয়াই গম পাব গুৱাহাটী নাৰ্চিং হোমৰ ডিউটিত উত্তৰা ঠাকুৰীয়া আছিল বুলি লগে লগে পুলিচে তাইকেই কৰায়ত্ত কৰিব।

অৱশ্যে বাচি যোৱাৰ উপায়ো আছে। তাই অলপমান কৌশলী আৰু চতুৰা হলেই তাইৰ পৰিৱৰ্তে হয়তো জালত পৰিবগৈ অনিমা, কৃষ্ণা, বাসন্তী অথবা অইন কোনোবা এজনী নাৰ্চ। উত্তৰাৰ কোনো আপত্তি নাই। কোনোবাই হত্যাকাণ্ড এটাৰ কাৰণে যদি তাইক অস্ত্ৰ হিচাবে ব্যৱহাৰ কৰিব পাৰে তেনেস্থলত তাইৰ নিজৰ মুক্তিৰ কাৰণে অইনক জালত পেলোৱাৰো যুক্তি আছে।

উত্তৰাই বিচনাখনৰ কাষৰ বেৰত থকা ৰিপৰ্টকাৰ্ড খন চালে। শেষ বেজীটো দিয়া হৈছিল গধূলি ছয়টাত। দিছিল বাসন্তী কোঁৱৰে। অৰ্থাৎ পুনৰ বেজী দিয়াৰ সময় হ'ব লাগে ৰাতিপুৱা ছয়টা বজাত। কিন্তু উত্তৰাৰ খুব ভালকৈ মনত আছে, ডিউটি ৰুমৰ ৰেকৰ্ডত লিখা আছে — নিশা এঘাৰটা বজাত পুনৰ ১ নং পেয়িং কেবিনত বেজী দিব লাগে বুলি।

তেন্তে?

উত্তৰা কিছু উত্তেজিত হ'ল।

উত্তৰাই চাৰিওফালে চাই পেয়িং কেবিনটোৰ পৰা ওলাই আহিল। উত্তৰাৰ ব্লাউজৰ ভিতৰখন ওফন্দি আছে, চিৰিঞ্জটো আৰু সৰু ট্ৰেখন তাই ব্লাউজৰ ভিতৰতে

সুমুৱাই থৈছে। উত্তৰাই দুৰু-দুৰুকৈ কঁপি থকা অন্তৰেৰে খৰকৈ খোজ দিছিল। দীঘল কৰিডৰটো শূণ্য হৈ আছে। কৰিডৰটোৰ সিটো মুৰতহে ষ্টাফ ৰূমটো আছে। সেইখিনি পালেই যেন উত্তৰা বাচি যাব।

কিন্তু ..... ষ্টাফ ৰূমলৈ সোমাই গৈয়ে থমকি ৰ'ল উত্তৰা।

ষ্টাফ ৰূমত ডিউটি ক্লাৰ্ক অৰূপ বৈশ্য বহি আছে চকী এখনত।

' কোন নম্বৰ কেবিনৰ ডিউটিৰ পৰা?' মুখত নিৰ্লজ বেপেৰুৱা হাঁহি এটা মাৰি শুধিলে অৰুণ বৈশ্যই।

' ষোল্ল নম্বৰ!' অৰুণৰ কাষেৰে খোজ দি উত্তৰা সিমূৰলৈ আগবাঢ়িল। অৰুণে আকৌ শুধিলে, ' সেই এবৰ্চন হোৱা ছোৱালীজনীৰ ৰূমৰ পৰা নেকি?'

' অ।'

উত্তৰাই এইবাৰ কোঠাটোৰ সিমূৰত থকা টেবুলখনৰ ওচৰলৈ গৈ অৰুণলৈ পিঠি দি তড়িৎগতিৰে ব্লাউজৰ বুটাম কেইটা খুলি ট্ৰেখন উলিয়াই টেবুলত থ'লে।

' ১ নম্বৰ ৰূমত বেজী দিয়াৰ সময় হৈছে।'

' ক'ৰ ১ নম্বৰ ৰূম?' উত্তৰাই নুশুনাৰ ভাও ধৰি শুধিলে।

' কৰিডৰৰ মূৰৰ ৰূমটো।'

উত্তৰাই অৰুণ বৈশ্যৰ সন্মুখৰ চকীখনত বহি লৈ এইবাৰ প্ৰসংগটো সলাই সুধিলে ' নতুনকৈ কামত সোমোৱা উৰ্মিলা দাস নামৰ নাৰ্চজনীৰ লগত চিনাকী হ'লানে।'

' নাই হোৱা। আজিহে কামত সোমাইছে। চিনাকী হ'বলৈ সময় ওলাব।'

' ওলাব। পিছে চিনাকী হ'বলৈ আজিৰ এই সময়খিনিহে ভাল হ'ব। তুমি এটা কাম নকৰা কিয়?' উত্তৰাই চকীখন আৰু কাষ চপাই আনি ক'লে, ' তুমি মোৰ নামটোৰ পৰিবৰ্তে ডিউটি চাৰ্টত উৰ্মিলাৰ নামটো ভৰাই দিয়া। তাৰ পিচত তাইক আমাৰ মেচৰ পৰা লৈ আহিবা।ময়ো সেই সুযোগতে আজি জিৰণি ল'ব পাৰিম।'

' কিন্তু তুমি লগত থাকিলেহে বেছি ভাল লাগিলহেঁতেন।'

' তেতিয়াহ'লে.........' উত্তৰাই ওঁঠৰ কোণত হাঁহি এটা বিৰিঙিয়াই ক'লে ' তুমি উৰ্মিলাক ইয়াতে থৈ আমাৰ মেচলৈ আহিবা। মোৰ ৰুমটোতো তুমি চিনি পোৱাই।'

' সচাঁ?'

' অ! মই উঠো?'

উত্তৰাই পিছে উত্তৰলৈ বাট নাচালে। তাই বহাৰ পৰা উঠি দৰ্জাখনৰ কাষ পালেহি। অৰুণে পুনৰাই শুধিলে ' এক নম্বৰ ৰুমত বেজী দিয়াটো কি হ'ব?'

' উৰ্মিলাই দিব।'

' ডাক্টৰ চাব্ৰাৱালাই খং নকৰিব জানো?'

' নকৰে।'

কথাষাৰ কৈয়ে উত্তৰা ওলাই গ'ল। কৰিডৰটো তেতিয়াও জনশূণ্য হৈ আছে। উত্তৰাই পিছফালে এবাৰ ঘূৰি চালে। আৰু লগে-লগে তাই আতংকত সিয়ঁৰি উঠিল। কৰিডৰটোৰ সিটো মূৰত থকা ১ নম্বৰ কোঠাটোৰ দৰ্জাখন খোল খাই আছিল। উত্তৰাৰ স্পষ্টকৈ মনত আছে দৰ্জাখন তাই জপাই আহিছিল।

তেন্তে?

উত্তৰা দুঃচিন্তাত উত্তেজিত হৈছিল।

২

' উত্তৰা!'

' হু।'

' এই উত্তৰা! নুঠ কিয়? উঠ। সাংঘাটিক খবৰ।'

বাসন্তী পাঠকে উত্তৰাৰ গাটোত চিকুট মাৰি দি ক'লে। উত্তৰাই অৱশ্যে লগে লগেই সাৰ পাই খপজপাই বিচনাত উঠি বহিছিল আৰু তাইক তেনেকৈ দেখিয়ে বাসন্তীয়ে পুনৰ কৈ উঠিল, ' ইচ! গোটেইজনী নাঙঠ হৈ শুই আছিলি। ইফালে আকৌ হুকটোও মাৰি থোৱা নাই।' বাসন্তীয়ে এইবাৰ দুষ্টালিভৰা হাঁহি লৈ শুধিলে, ' ৰাতি কোনোবা আহিছিল হবলা! ডাঃ চাব্ৰাৱাল নেকি?'

' যা এইজনী।' গাটোত বিছনা চাদৰখন মেৰিয়াই লৈ উত্তৰাই সুধিলে, ' এতিয়া কচোন তোৰ সাংঘাটিক খবৰটো।'

' তই ১ নম্বৰ ৰুমৰ আদহীয়া ৰোগীজনক দেখিছিলি নহয়? কোনেও যে খবৰ ল'ব নাহে। তেওঁ যোৱা নিশা মৰি থাকিল! পুলিচে আহি ডিউটিত থকা নাৰ্চ উৰ্মিলা দাসক লৈ গ'ল। বেচেৰী যোৱা কালিহে কামত জইন কৰিছিল। পুলিচৰ মতে ই হেনো মাৰ্ডাৰ।'

' বেয়া লাগে বেচেৰীলৈ।'

' অ।'

বাসন্তী এইবাৰ গ'লগৈ। বাসন্তী যোৱাৰ পিছত উত্তৰাই বিছনাৰ পৰা উঠি মুখ-হাত ধুই বগা শাড়ীখন পিন্ধি ওলাই আহিল। তাই ডাঃ চাব্ৰাৱালৰ চেম্বাৰৰ ওচৰ পাই উশাহ এটা ল'লে। এইবাৰ দৰ্জাখন ঠেলি ভিতৰলৈ সোমাই গ'ল। উত্তৰা সচকিত হৈছিল বাসন্তীক দেখি। বাসন্তীয়ে উত্তৰালৈ এবাৰ চাই পিছত ডাঃ চাব্ৰাৱালালৈ চাই ক'লে, 'মই যাওঁ চাৰ। ৰিপৰ্টটো পিছত দিম।' কথাষাৰ কৈয়ে বাসন্তী ওলাই গ'ল। উত্তৰাই এইবাৰ চকীএখনত বহি ল'লে। ডাঃ চাব্ৰাৱালাই সুধিলে, 'খবৰটো পাইছা ? এক নম্বৰ ৰুমৰ ?'

'অ'। পাইছো।'

'পুলিচৰ মতে কোনোবাই উৰ্মিলাৰ হতুৱাই.....।' কথাষাৰ সিমানতে এৰি তেওঁ পুনৰ ক'লে 'থাওঁক সেইবোৰ। তোমাৰ ৰুমলৈ ৰাতি কোন আহিছিল ?'

উত্তৰাই মনে মনে প্ৰস্তুত হৈয়েই আছিল এনেকুৱা এটা প্ৰশ্নলৈ। তাই তপৰাই সুধিলে, 'বাসন্তীয়ে নকলে নামটো ?'

'মানে ?'

উত্তৰা বহাৰ পৰা উঠি ইতিমধ্যেই কোঠাটোৰ পৰা ওলাই আহিছিল। এনকুৱেৰী কাউন্টাৰত ৱাৰ্ড বয় মহচীনক লগ পাই উত্তৰাই সুধিলে 'তুমি অৰুণ বৈশ্যক খবৰ এটা দিব পাৰিবা ?'

'কি খবৰ ?'

'মই চাৰিআলিৰ কফি হাউচখনত বৈ থাকিম এতিয়া। তুমি অৰুণক মই তাতে বিচাৰিছো বুলি কৈ দিবা। নেপাহৰিবা।'

মহচীন যোৱাৰ পিছত উত্তৰাও ওলাই আহি কফি হাউচৰ ভিতৰ সোমাল। উত্তৰা হয়তো দুঃচিন্তাত অন্যমনস্কও হৈছিল। সেয়েহে অৰুণ বৈশ্য কোন তলকত যে আহি তাইৰ সমুখত খালী চকীখনত বহি লৈছিল গমকে নাপালে।

'কিয় মাতিছিলা ?'

'ভয় লাগিছে , বেজাৰ লাগিছে উৰ্মিলালৈ।'

'চিন্তা কৰি লাভ নাই। উৰ্মিলা দুখীয়া ছোৱালী। সেই পেচেন্টজন আকৌ আছিল বিৰাট ধনী , স্মাগলাৰ হেনো। আমাৰ গুৱাহাটীৰ হৰিশ বৰুৱা বুলি এজন টি প্লেন্টাৰ আছিল হেনো তেওঁৰ পাৰ্টনাৰ। মুম্বাইৰ কোনোবা অনিল নুৰাণী বোলা স্মাগলাৰ এজনৰ লগত তেওঁলোকৰ কাৰবাৰ। তেওঁলোকেই উৰ্মিলাৰ হতুৱাই মৰালে বুলি ৰিউমাৰ ওলাইছে।' অৰুণে এইবাৰ কিছু মৰমৰ সুৰত ক'লে, 'গতিকে তুমি দুঃচিন্তা কৰি একো লাভ নাই।'

উত্তৰাৰ পিছে দুঃচিন্তা নকমিল। বাঢ়িছিল উত্তেজনা। তাই দেখিছিল কফি হাউচখনৰ পৰা যুৱক এজন ওলাই যোৱা, ওলাই গৈ আঁতৰৰ পুলিচ ভান এখনত উঠি বহা।

উত্তৰা হঠাতে উঠিল বহাৰ পৰা।

'ব'লা।' উত্তৰাই ক'লে।

'ক'লৈ?'

'পিছত কম।'

৩

পুলিচ ভানখন যথেষ্ট ধীৰ গতিত আগুৱাইছিল।

ৰেষ্টোৰাৰ পৰা ওলাই যোৱা উশৃংখল যুৱকজনে তেতিয়া ৱাকি ট'কীটো লৈ কৈ আছিল, 'মই স্পেচিয়েল ব্ৰাঞ্চৰ এ. এছ. আই সদানন্দ হাজৰিকাই কৈছো ছাৰ।'

'কওঁক।' ক'লে সিফালৰ পৰা স্পেচিয়েল ব্ৰাঞ্চৰ ডি. এচ. পি সুধাকৰ বৰ্মনে।

'নাৰ্চিং হোমলৈ কোন কোন আহে তাক ভেৰিফাই কৰিবলৈ মই কফি হাউচত বহি আছিলো। নাৰ্চিং হোমৰে উত্তৰা ঠাকুৰীয়া বোলা নাৰ্চ এজনী আৰু কৰ্মচাৰী এজনে মাৰ্ডাৰ কেচটোৰ কথা পতা শুনিছিলো।'

'ক'ত আছে তেওঁলোক এতিয়া?'

হাজৰিকাই সন্মুখলৈ চাই ক'লে , ' তেওঁলোক এতিয়া চিটিবাছৰ ষ্টপেজৰ সন্মুখত ৰৈ আছে..... নহয় চাৰ.... এইমাত্ৰ চিটিবাছ এখনত উঠি বহিছে।'

'ফলো কৰিব।'

হাজৰিকাই ৱাকি ট'কীলৈ থৈ পুলিচ ভানখনৰ ড্ৰাইভাৰজনক চকুৰে ইংগিত দিলে। চিটিবাছখন কাহিলীপাৰাৰ ফৰেনচিক লেবৰেটৰীৰ সন্মুখত ৰোৱা দেখি হাজৰিকাই আঁতৰতে পেট্ৰোল ভান খন ৰখালে। হাজৰিকাই দেখা পাইছিল উত্তৰা ঠাকুৰীয়াক। চিটিবাছৰ পৰা নামি পাণ দোকান এখনৰ ওচৰত ঠিয় হোৱা। অৰুণ বৈশ্য পিছে ভিতৰলৈ সোমাই গৈছিল। দহ মিনিটৰ পিছতে ওলাই আহিল আন এজনক লৈ। দুয়ো আহি পাণদোকান খনৰ সন্মুখতে ৰৈ দিলে।

হাজৰিকা চিন্তাত পৰিছিল।

চিনি পাইছিল আগন্তুকক! ফৰেনচিক লেবৰেটৰীৰ জুনিয়ৰ কেমিষ্ট ধৰণী চৌধুৰীক। পিছে এনেকুৱা এটা পৰিবেশত লগ পাব বুলি হাজৰিকাই কল্পনাও কৰা নাছিল।

আৰু উত্তৰাই বেগৰ পৰা সৰু টোপোলা এটা উলিয়াই ধৰণী চৌধুৰীক দিওঁতেই চমকি উঠিছিল হাজৰিকা। ধৰণী চৌধুৰীক যোৱা বছৰ বচাইছিল তেওঁ। ইমৰেল ট্ৰেফিক এক্টৰ ছোৱালী এজনীকো লগতে তেওঁ বচাইছিল। আৰু এতিয়া....।

হাজৰিকাই চিনি পালে উত্তৰাক।

বাকি টকীটো ততালিকে অন কৰিলে হাজৰিকাই।

'হাজৰিকা?'

'ইয়েচ চাৰ।'

'মেচেজ আহিছে বম্বেৰ অনিল নুৰানী বোলা স্মাগলাৰ এজন গুৱাহাটীত দেখা গৈছে বুলি। চেন্ট্ৰেল এক্সচাইজ আৰু কাষ্টমছ বিভাগে টেলেক্স পঠিয়াইছে। গতিকে আহোতে হোটেল কেইখনতো চকু দি আহিব। পল্টনবজাৰৰ গোটেই কেইখন হোটেলত চাৰ্চ কৰিব।'

'কিন্তু এইফালে ছাৰ.....'

'কৈ যাওঁক।'

৪

চফিকুল খান কৰিডৰৰ এটা মূৰত থিয় হৈ আছে। আনটো মূৰ প্ৰায় ত্ৰিশ ফুট মান দূৰত্বত। দিনৰ দুটা বজাতো কৰিডৰৰ এই অংশটোত পোহৰ নপৰে। অৱশ্যে চফিকুল খানে তাৰ বাবে চিন্তা নকৰে। সামান্য কাম এটাৰ বাবে ইয়াত এতিয়া এহাতত চাইলেন্সাৰ লগোৱা লডেড ৰিভলভাৰটো লৈ থিয় হৈ থাকিবলগীয়া হৈছে খান! দুজন মানুহ এতিয়াই সোমাই আহিব কৰিডৰটোৰে। এজনে হঠাতে হালি দিব। তেতিয়াই থিয় হৈ থকাজনক ধৰাশায়ী কৰিব লাগিব খানে। বিনিময়ত অৱশ্যে পঞ্চাশ হাজাৰ টকা হাতত পৰিব খানৰ।

হঠাতে চফিকুল উৎকণ্ঠিত হৈ উঠিল।

পিছফালৰ পৰা কোনোবা এজন আহি আছে। কিন্তু বৰুৱা চাহাবে কোৱা মতে এই সময়ত পিছফালে কোনো থাকিব নালাগে।

'কোন?' পিছফালৰ পৰা হঠাতে কোনোবাই মাত লগালে।

চফিকুলে উচপ খাই উঠি ৰিভলভাৰটো পকেটত ভৰাই পিছলৈ ঘূৰি চালে। অন্ধকাৰত আদহীয়া মানুহ এজনক থিয় হোৱা দেখিলে খানে।

'কোন? চফিকুল??'

'অ।' সহাঁৰি এটা দি চফিকুল কিছু আগুৱালে।

'মই যতীন পেগু।'

'চিনি পাইছো। কিন্তু এই অসময়ত...... ইয়াত......'

'বৰুৱা চাহাবক লগ পাব আহিছিলো।'

'তেওঁ ঘৰতে আছে এতিয়া।'

'গম পাইছো। যাওঁ।'

কথাযাৰ কৈ যতীন পেগু গুছি গ'ল। দুঃচিন্তাত পৰিছিল চফিকুল খান। এই সময়ত চফিকুলৰ উপস্থিতি তৃতীয় এজনে জনাতো শুভ নহয়। অৱশ্যে পেগু বৰুৱা চাহাবৰে বিশ্বস্ত লোক। তেনেস্থলত হয়তো পেগুৱে তাক বিপদত নেপেলাব!! তথাপিও পিছে চফিকুল নিশ্চিত হ'ব পৰা নাই। ঠিক সেই মূহুৰ্ত্ততে সন্মুখত কাৰোবাৰ কণ্ঠস্বৰো শুনিলে খানে। কৰিডৰৰ সিটো মূৰত দুজন লোকে ভৰি দিয়াও অনুমানতে উমান কৰিলে খানে। এজনে হঠাতে হালি পৰা দেখিয়ে খানে ৰিভলভাৰটো উলিয়াই লৈ ট্ৰিগাৰটোত সাজোৰে টিপি দিলে। কিন্তু.....

চফিকুল জীৱনত প্ৰথমবাৰৰ বাবে লক্ষ্যভ্ৰষ্ট হ'ল।

হালি পৰা মানুহজন আৰ্তনাদ কৰি ৰক্তাপ্লুত হৈ ঢলি পৰিছিল মজিয়াত।

চফিকুলে আৰু এখন্তেকো পলম নকৰিলে! দ্ৰুত বেগে গুছি আহিছিল চফিকুল। কিন্তু নিজৰ ঘৰটোৰ দুৱাৰমুখতে ৰেহেনা বেগমক দেখা পাই চফিকুল আকৌ উচপ খালে। এই মূহুৰ্ত্তত অৱশ্যে ৰেহেনা বেগমৰ দৰে সুন্দৰী গণিকাৰ সান্নিধ্যই চফিকুলক উৎফুল্ল কৰিব নোৱাৰিলে। তথাপিও চফিকুলে ৰেহেনাক ভিতৰত নি বহুৱালে। ৰেহেনাই সৰু এটা কোঠাৰ বিছনাখনত বহি লৈ ক'লে, 'বহুদিন তোমাক লগ নাপাই মনটো বেয়া লাগি আছিল। সেয়েহে আজি নিজেই গুছি আহিলে.......'

'মোৰ কাৰণে তুমি কাম এটা কৰিব পাৰিবা?' চফিকুলে সুধিলে।

'কি কাম?'

'যতীন পেগুক চিনি পোৱা নহয়। হৰিশ বৰুৱা চাহাবৰ —।'

'পাওঁ।'

'পেগুক যেনে-তেনে ইয়ালৈ লৈ আহিব লাগে। বচ ইমানেই কামটো।'

'কিন্তু........'

'ওহো, কোনো কিন্তু নাই।'

চফিকুলে অৱশ্যে জানে ৰেহেনাক সৈমান কৰোৱাৰ কিটিপ। ৰেহেনায়ো হয়তো জানে চফিকুলে তাইক সৈমান কৰোৱাৰ পুৰণি কিটিপটোকে অৱশেষত প্ৰয়োগ কৰিবই। সেয়েহে প্ৰায় পোন্ধৰ মিনিট পিছত ৰেহেনা ওলাই যাওঁতে শৰীৰৰ আভৰণখিনি সঠিক ঠাইত ঠিক-ঠাক কৰোঁতেই তাইৰ ভাগৰ লাগিছিল । কিন্তু চফিকুলে অৱশ্যে অকণো সময় অপব্যয় নকৰিলে। পুৰণি ট্ৰাংক এটাৰ পৰা টাইম বম্ব এটা উলিয়াই সন্মুখৰ দৰ্জাখনত সংযোগ কৰি চফিকুল ওলাই আহিল। বেছি দূৰলৈ অৱশ্যে নগ'ল চফিকুল। আঁতৰৰ জুপুৰী ঘৰ এটাৰ আঁৰ লৈ চফিকুল অপেক্ষা কৰি ৰ'ল।

৫

প্ৰতিটো ক্ষণ আগবঢ়াৰ লগে লগে চফিকুলৰ অস্বস্থি আৰু উত্তেজনাই চৰম সীমা পাইছিল। চফিকুলৰ মনটো দুঃশ্চিন্তাই আগুৰি ধৰিছিল। যতীন পেগুক হত্যা কৰাৰ সিদ্ধান্তটো লৈ ভুল কৰিলে নেকি সি!! কিন্তু হৰিশ বৰুৱাই নিজেই কৈছিল সকলোৰে অলক্ষিতে হত্যাকাণ্ডটো কৰিব লাগিব। আনকি যতীন পেগুৱো যাতে ঘুণাক্ষৰে গম নাপায় হত্যাকাণ্ডটোৰ আঁৰৰ কাহিনী।

চফিকুলৰ উত্তেজনাই হঠাতে শীৰ্ষ বিন্দু পালেহি।

আঁতৰত যতীন পেগু আৰু পিছে পিছে ৰেহেনাক দেখি এখন্তেকৰ বাবে চফিকুলৰ অন্তৰলৈ বেজাৰৰ ভাব এটাও আহিল। চফিকুলৰ ঘৰৰ দৰ্জাখন মেলি পেগু ভিতৰ সোমালেই মুহূৰ্ত্তৰ ভিতৰত প্ৰলংকাৰী বিস্ফোৰণত বিচ্ছিৰ্ণ হৈ যাব পেগুৰ দেহটো। আৰু যদি ৰেহেনাও আঁতৰি যায় পেগুৰ লগত ? কথাষাৰ ভাৱি কিয়জানো চফিকুল শিঁয়ৰি উঠিল। কিন্তু চফিকুল আতংকিত হ'ল হঠাতে ৰেহেনা যতীন পেগুক অতিক্ৰম কৰি আগবাঢ়ি অহা দেখি। ৰেহেনা মাত্ৰ দুফুটমান দূৰত্বত আছে দৰ্জাখনৰ পৰা। আৰু মাত্ৰ এটা মিনিটৰ ব্যৱধান। পেগুৱেও এটা খোজ আগবঢ়াইছে।

চফিকুল আৰু ৰ'ব নোৱৰিলে।

কিহৰ তাড়নাত যে চফিকুলে ৰেহেনা বুলি চিঞৰি দিলে সি নিজেই বুজি নাপালে।

ৰেহেনাই সচকিত হৈ উভতি চালে। পিছমুহূৰ্ত্তত পেগুও ৰৈ গ'ল।

' আৰু আগবাঢ়ি নাযাবা।' চফিকুলে আঁৰৰ পৰা ওলাই আহিল। তাক দেখি ৰেহেনাই সুধি পেলালে, ' কমৰ ভিতৰত কি আছে।'

' কমৰ ভিতৰত কি আছে মই অনুমান কৰি লব পাৰিছো।' কিন্তু তেওঁ চফিকুলৰ

ওচৰলৈ আগবাঢ়ি আহি আৰু কিবা এষাৰ ক'বলৈ ওলাওতেই চফিকুলে মাত লগালে 'সকলো ক'ম! কিন্তু ইয়াত নহয়।' এইবাৰ ৰেহেনালৈ চাই চফিকুলে ইংগিত এটা দি ক'লে, 'তোমাৰ ঘৰলৈ ব'লা।'

চফিকুল নিজে কিন্তু ৰেহেনাৰ উত্তৰলৈ বাট নাচালে। চফিকুল খোজ কাঢ়িব ধৰা দেখি ৰেহেনা আৰু পেগুৱে অনুসৰণ কৰিব ধৰিলে। চফিকুলে নিঃশ্চুপ হৈ খোজ দিছিল। সি ৰেহেনাৰ কথাকে ভাবিছিল। সি বাৰু ৰেহেনাক ভাল পাই পেলাইছে নেকি? হয়তো সঁচা। নহলে ৰেহেনাক বচাব গৈ পেগুক......।

'চফিকুল?' মাত লগালে পেগুৱে।

চফিকুলে একো নকৈ এবাৰ উকা দৃষ্টিৰে চালে পেগুলৈ।

'ডাঃ চাব্রাৱালক মাৰিলা কিয়?'

'সেইজন ডাঃ চাব্রাৱালা আছিল নেকি?' চফিকুলৰ উত্তেজনাই চৰম সীমা পালে।

'অ, লগৰজন আছিল অনিল নুৰানী। বম্বেৰ স্মাগলাৰ।'

'মোৰ লক্ষ্য অৱশ্যে ডাঃ চাব্রাৱাল নাছিল। কিন্তু ভুল হৈ গ'ল।'

তেনেতেই প্রচণ্ড বিস্ফোৰণ এটাৰ শব্দই ঠাইখণ্ড মুখৰিত কৰি তুলিলে। চফিকুলে ততালিকে বুজিছিল তাৰ ঘৰৰ ভিতৰলৈ কোনোবা সোমাব খুজিছিল। চফিকুলে ৰেহেনাৰ ঘৰটোৰ পৰা বস্তিৰ ৰাস্তাত ভৰি দিলে। সেইখিনিৰ পৰা বস্তিৰ ৰাস্তাটো পোণ। দূৰৈৰ চফিকুলৰ ঘৰটো অস্পষ্টকৈ হ'লেও দেখি।

'তোমাৰ ঘৰৰ সন্মুখত পুলিচ। বমটো.....।'

চফিকুলে উভতি চালে। পেগু তাৰ ওচৰত থিয় হৈছেহি।

'পলাব লাগিব ইয়াৰ পৰা।'

চফিকুলে শলাগিলে।

৬

স্পেচিয়েল ব্রাঞ্চৰ ডি. এচ. পি. সুধাকৰ বর্মনে চিগাৰেট এটা জ্বলাই জুকিয়াই চালে ঘটনাবোৰ। নাচিং হোমত কিৰিটি পাঠক বোলা ব্যৱসায়ী এজন ঢুকাল বা মার্ডাৰ হ'ল, সাধাৰণ ঘটনা এটা। তেওঁৰ যে পেশা স্মাগলিং আছিল পুলিচেও জানে। হয়তো শত্রুপক্ষৰ কোনোবাই হত্যা কৰিলে তেওঁক। কিন্তু নাচিং হোমৰে নার্চ উত্তৰা ঠাকুৰীয়াই ফৰচেনিক লেবৰটৰীৰ ধৰণী চৌধুৰীক কিয় ঔষধ এটাৰ গুণাগুণ পৰীক্ষা কৰিব দিলে?

যিটো প্ৰকৃততে আছিল এটা মাৰাত্মক বিহ। কিন্তু একেখন নাচিং হোমৰে ডাঃ চাব্ৰাৱালাক চফিকুল খানৰ দৰে প্ৰফেচনেল কীলাৰ এজনে হত্যা কৰিলে কিয় ? আৰু চফিকুলৰ কথা টেলিফ'নেৰে জনোৱা অজ্ঞাত মানুহজনৰ কণ্ঠস্বৰো বৰ্মনৰ চিনাকী নে লাগিল। বৰ্মনে মনত পেলাব খুজিও পেলাব পৰা নাই কণ্ঠস্বৰটোৰ গৰাকীৰ পৰিচয়। মনটোও তেওঁৰ বিভ্ৰান্ত হৈ পৰিছিল। চফিকুল খানে বাৰু কাৰ কাৰণে নিজৰ ঘৰটোত মৰণ ফাঁন্দ তৈয়াৰ কৰিছিল। পুলিচৰ বাবে নিশ্চয় নহয়।

তেন্তে?

বৰ্মনে নিজকে নিজে প্ৰশ্নটো কৰিছিল। উত্তৰটো ভাবিবলৈ পিছে সময় নাপালে টেলিফ'নটো বজাৰ কাৰণে। তেওঁ ৰিছিভাৰটো দাঙি মাত লগালে ' হেল্ল'।'

' নমস্কাৰ চাৰ। মই অ. চি. ফটাশিল থানাই কৈছো।'

' কওঁক।'

' চফিকুল খানৰ লগত ৰেহেনা বেগম নামৰ প্ৰছ এজনী আৰু যতীন পেগু নামৰ মানুহ এজনক ৰেহেনাৰ ঘৰত দেখা গৈছিল। আমি গৈ পোৱাৰ আগতেই পিছে পলাল।'

' যতীন পেগু ?' নামটো আওৰালে বৰ্মণে।

' হয় চাৰ। ইণ্ডাষ্ট্ৰিয়েলিষ্ট হৰিশ বৰুৱাৰ লগত যে অনবৰত থাকে মানুহজন...... সেইজন।'

' বুজিছো। আকৌ চাৰিওফালে মানুহ লগাওক। মোক জনাব।'

বৰ্মনে ৰিচিভাৰটো থৈ দিলে। তেওঁৰ মনত পৰিছে এইবাৰ চফিকুলৰ বতৰা দিয়া অজ্ঞাত কণ্ঠস্বৰৰ পৰিচয়। কিন্তু ঘটনাই এনেকুৱা মোত ল'ব বুলি বৰ্মনে অনুমান কৰিব পৰা নাছিল। হৰিশ বৰুৱাৰ ব্যৱসায়ৰ প্ৰকৃত ৰূপটোৰ সম্বন্ধে তেওঁৰ সন্দেহ এটা আগতেও আছিল। ইয়াৰ গুৰিতেই যে যতীন পেগু তাকো তেওঁ জানিছিল। কিন্তু ডাঃ চাব্ৰাৱালৰ হত্যাকাণ্ডটোৰ সংবাদ দি চফিকুলৰ বতৰা পুলিচক জনাই আকৌ চফিকুলৰ লগ পেগু লাগিল কিয় ভাবি নাপালে বৰ্মনে। অৱশ্যে লগত ৰেহেনা বেগমৰ দৰে প্ৰছজনী সংগী হোৱাটো একো নতুন কথা নহয় আৰু উত্তৰা ঠাকুৰীয়া !! তায়োতো এসময়ত প্ৰছ আছিল!!

বৰ্মনে হঠাতে ঠিয় হ'ল। ছিগাৰেটটো এচট্ৰেত গুজি দি তেওঁ বাহিৰ ওলাই আহি স্পেচিয়েল ব্ৰাঞ্চৰ মাৰুতি জীপ এখনত উঠি ল'লে। ড্ৰাইভাৰটো পিছে নললে।

তেওঁ নিজে চলাই নিলে জীপখন। ধীৰে ধীৰে আগুৱাইছিল জীপখন। গুৱাহাটী নাচিং হোমৰ বিৰাটকায় বিল্ডিংটোৰ সন্মুখত তেওঁ গাড়ীখন ৰখালে। গাড়ীৰ পৰা নামি বৰ্মনে চাৰিওফালে চালে। গধূলিৰ পাতল অন্ধকাৰখিনি ক্রমশঃ গাঢ় হৈ আহিছিল। বৰ্মনৰ হাতত টৰ্চ এটা আছিল, কিন্তু নজ্বলালে। বৰ্মন বিল্ডিংটোৰ কাষেৰে নাৰ্চ হোষ্টেললৈ আগুৱালে।

হোষ্টেলটো নিঃসাৰ হৈ পৰি আছিল। বৰ্মনে এচুকৰ ৰুম এটাৰ ওচৰলৈ আগবাঢ়ি গৈ দৰ্জাখনত টোকৰ দিলে।

' দৰ্জাখন খোলা আছে। সোমাই আহা।' ভিতৰৰ পৰা নাৰীকণ্ঠ এটা ভাঁহি আহিল। বৰ্মনে বুজিছিল উত্তৰা ঠাকুৰীয়া আছে। বৰ্মনে ভিতৰলৈ সোমাই গৈ দৰ্জাখন বন্ধ কৰি উশাহ এটা সলালে।

' আপুনি.......।' উত্তৰাই সঁচাকৈয়ে ভয় খাইছিল।

' ভয় কৰিব নালাগে। মইতো তোমাক গ্রেপ্তাৰ কৰিব অহা নাই।' মুখত এমোকোৰা হাঁহি বিৰিঙাই পৰিস্থিতিতো স্বাভাৱিক কৰিবলৈ চেষ্টা কৰি বৰ্মনে নিজে চকী এখনত বহি লৈ ক'লে, ' তুমিও বহা!'

উত্তৰা কুচি-মুচি বহিল নিজৰ বিছনাখনত।

' ফৰেনচিক লেবৰেটৰীৰ ৰিপৰ্টটো লৈ আহিছো।'

' কি?' উত্তৰাৰ এইবাৰ উশাহ বন্ধ হোৱাৰ উপক্রম হ'ল। তাই সেপ ঢুকিলে।

' তোমাৰ সন্দেহটো কিয় উপজিল যে চিৰিঞ্জটোত ঔষধ নাছিল বুলি?' বৰ্মনে আকৌ ঘপহকৈ শুধিলে। বৰ্মনে এইবাৰ চকীখন আগুৱাই আনি উত্তৰাৰ কান্ধত হাত এখন থ'লে; কিন্তু উত্তৰাই তেওঁ ভবাতকৈ যথেষ্ট কম সময়তে নিজকে চম্ভালি ল'লে।

' তোমাৰ কোনো ভয় নাই। কোনো কথা নুলুকুৱাকৈ কৈ যোৱা মোক। কিজানি মই তোমাক সহায় কৰিব পাৰোঁৱেই।'

বৰ্মনৰ মাতযাৰত কিছু সহানুভূতিৰ সুৰ আছিল। উত্তৰা পতিয়নো গৈছিল। তাই বৰ্মনক কৈ গ'ল যোৱাকালিৰ ঘটনাবোৰ; কিন্তু কৈয়ে তাই আকৌ ভয় খালে। বৰ্মনে অৱশ্যে জানে এনেকুৱা পৰিস্থিতিৰ উপশম ঘটোৱাৰ কিটিপটো; কিন্তু সময় ল'লে তেওঁ। কিছু সময়ৰ পিছত বৰ্মন যেতিয়া ওলাই আহিছিল যথেষ্ট উৎফুল্ল দেখাইছিল তেওঁক। কিন্তু গাড়ীখনত উঠিবলৈ গৈয়ে তেওঁ আকৌ উভতি খোজ পেলালে। ডাঃ চাব্রাৱালাৰ কথা সুধিবলৈ পাহৰিলে তেওঁ। উত্তৰাই হয়তো জানে ডাঃ ছাব্রাৱালৰ বহু কথা।

বৰ্মনে খৰকৈ খোজ দি উত্তৰাৰ ৰুমটোৰ বন্ধ দৰ্জাখন ঠেলি ভিতৰলৈ সোমাই গ'ল।

ভিতৰখন অন্ধকাৰ হৈ আছিল!

এইমাত্ৰ ওলাই যাওঁতে অৱশ্যে বাল্ব কেইটা জ্বলি আছিল। হঠাতে উত্তৰাই কোঠাটো অন্ধকাৰ কৰি থলে কিয়?

'উত্তৰা।' যথেষ্ট অনুচ্চ কণ্ঠেৰে মাত দিলে বৰ্মনে।

কোনো প্ৰত্যুত্তৰ নাপাই বৰ্মণে জেপৰ পৰা টৰ্চটো উলিয়াই লৈ জ্বলালে আৰু লগে লগে বৰ্মনৰ সৰ্ব্বশৰীৰ শিয়ঁৰি উঠিল।

উত্তৰা ৰক্তাপ্লুত হৈ বিছনাত ঢলি পৰি আছে। বুকুত এবুকু তেজ।

বৰ্মনে চাৰিওফালে চালে। বাথৰুমৰ দৰ্জাখন খোলা দেখি তেওঁ উচপ খালে। তেওঁৰ ঠিক মনত আছে বাথৰুমৰ দৰ্জাখন বন্ধ হৈ আছিল। তাৰ মানে কোনোবাই বাথৰুমত লুকাই আছিল! হয়তো তেওঁলোকৰ কথাও শুনিছিল।

বৰ্মন ওলাই আহিল।

এখন্তেকো নৰ'ল তেওঁ। হাতত সময়ো নাই অৱশ্যে। উত্তৰালৈ পিছে অনুকম্পা উপজিছিল। বেছেৰীয়ে কি কি কথা কৈছিল বাৰু তেওঁক!!

বৰ্মনে জীপচীখন ষ্টাৰ্ট কৰি আকৌ এবাৰ মনত পেলাবলৈ চেষ্টা কৰিলে।

৭

মানুহজনে ফোপাইছে।

তেওঁ দৌৰি আহি অন্ধকাৰাছন্ন আলিবাটটোৰ টেলিফ'ন পষ্ট এটাৰ ওচৰত ৰ'লহি। মানুহজনৰ কান্ধত চামৰাৰ বেগ এটা; বেগটো খেপিয়াই চাই তেওঁ নিশ্চিত হ'ল। চাইলেন্সাৰ লগোৱা লডেড ৰিভলভাৰটো আছে। মাথো কেইটামান মূহুৰ্ত্তৰ আগেয়ে ৰিভলভাৰটোৰে অগ্নি বৰ্ষণ হৈছিল। ৰক্তাপ্লুত হৈ উত্তৰা ঠাকুৰীয়া ঢলি পৰিছিল। এতিয়া অৱশ্যে উত্তৰা ঠাকুৰীয়ালৈ মনত পৰি তেওঁৰ মনটো সেমেকিছিল। হয়তো তেওঁ অন্যমনস্কও হৈ পৰিছিল; সেয়েহে কোন সময়ত এম্বেচাডৰ এখন আহি নিঃশব্দে তেওঁৰ সন্মুখত ৰৈ গৈছিল তেওঁ উমানেই নাপালে। এম্বেচাডৰখনৰ পিছফালৰ আসনৰ পৰা কোনোবাই অনুচ্ছ কণ্ঠেৰে মতা শুনিলে তেওঁ, 'অৰুণ!'

সচকিত হৈ তেওঁ দৃষ্টি ঘূৰালে।

পিছ মুহুৰ্ত্ততে তেওঁ তড়িৎ বেগেৰে এম্বেচাডৰখনৰ পিছফালৰ আসনত বহি ল'লে। তেওঁৰ ওচৰত আদহীয়া আটিল চেহেৰাৰ মানুহ এজন, সন্মুখৰ আসনত মাথো চালকজন।

' তুমি বৰ ফোপাইছা অৰুণ!'

' মানে —' মানুহজনে অৰ্থাৎ অৰুণ বৈশ্যই সেপ ঢুকি কোনোমতে ক'লে, ' উত্তৰাক শেষ কৰি দিব লগা হ'ল।'

' কি?'

' উপায় নাছিল। কিৰিটি পাঠকক দিয়া বেজীটোৰ ঔষধখিনিৰ ওপৰত তাইৰ সন্দেহ ওপজাৰ কথা মইতো আপোনাক ৰাতিপুৱাই কৈছিলো। ঔষধৰ বদলি ময়ে যে তাত আপুনি দিয়া মাৰাত্মক ড্ৰাগছখিনি থৈছিলো তাই অৱশ্যে গম পোৱা নাছিল। তথাপিও ডাঃ চাব্ৰাৱালৰ ৰক্ষিতা হিচাপে তাইৰ ওপৰত মোৰ সন্দেহ উপজিছিল।' অৰুণ ব'ল।

' ডাঃ চাব্ৰাৱালকতো ইতিমধ্যে চফিকুলে মাৰিলেই। অৰুণ ৰ'ল অৱশ্যে মৰিব লাগিছিল অনিল নুৰাণী। তাৰ পৰা অৱশ্যে মোৰেই লাভ হ'ল। কিৰিটি পাঠক আৰু ডাঃ চাব্ৰাৱালৰ মৃত্যুৰ পিচত নুৰাণীয়ে মোৰ লগত সন্ধি কৰিবলৈ বাধ্য হ'ল।' মানুহজনে কথাষাৰ কৈ সিমানতে ৰ'ল। মুখখনত হয়তো আত্মপ্ৰশস্তিৰ মনোভাৱ এটাও বিৰিঙি উঠিছিল। অৰুণ বৈশ্যয়ো জানে হৰিশ বৰুৱা এতিয়া ড্ৰাগছ স্মাগিলিঙত এই অঞ্চলত সৰ্ব্বেসৰ্ব্বা হ'ল; কিন্তু সেই মানুহজন যিজনৰ লগত উত্তৰাই কথা পাতিছিল, তেওঁ হয়তো পুলিচৰ মানুহ। এই সময়ত আণ্ডাৰৱৰ্ল্ডৰ কোনেও হৰিশ বৰুৱাৰ লগত যুঁজিবলৈ মৰসাহ নকৰিব। অৰুণে থোৰতে সন্দেহটো ক'লে বৰুৱাক। বৰুৱাই দীঘলকৈ উশাহ এটা লৈ ক'লে, ' হয়তো তেওঁ পুলিচৰে মানুহ। যতীন পেগু আৰু চফিকুলকো পুলিচে বিচাৰি ফুৰিছে। এই সময়ত নুৰাণী ধৰা পৰিলে মোৰ কৌটি টকীয়া লেন-দেনৰ সপোনো চুডাছাঁইত পৰিণত হ'ব। তেওঁক যিকোনো প্ৰকাৰে গুৱাহাটীৰ পৰা পঠিয়াই দিব লাগিব।'

বৰুৱাই এইবাৰ ড্ৰাইভাৰটোলৈ চাই ক'লে, ' পল্টন বজাৰৰ হোটেল ব্ৰহ্মপুত্ৰলৈ ব'লা।'

' কিন্তু তালৈ কিয়?'

' নুৰাণী তাতে আছে এতিয়া।'

অৰুণ ভিতৰি ভিতৰি অস্থিৰ হৈছিল। হোটেল ব্ৰহ্মপুত্ৰৰ বিৰাটকায় পাঁচ মহলীয়া বিল্ডিংটোৰ সন্মুখত গাড়ীৰ পৰা নামোতে অৰুণে অজ্ঞাতবশতঃ চাৰিওফালে এবাৰ চকুফুৰাই হৰিশ বৰুৱাক অনুসৰণ কৰি তৃতীয় মহলাৰ কোঠা এটাৰ ভিতৰত সোমাই গ'ল। কোঠাটোত অকলশৰে মানুহ এজন বহি আছিল এহাতত ৰঙীণ পানীয়ৰ গিলাচ এটা লৈ। অৰুণে মানুহজনক দেখিয়ে চিনি পালে, অনিল নুৰাণী। নুৰাণীয়ে অৰুণক দেখি কথা এষাৰ ক'বলৈ মুখ মেলোতেই দৰ্জাখনত টোকৰ পৰা দেখি নীৰৱে ৰ'ল। অৰুণে নিজে উঠি গৈ

দৰ্জাখন খুলি দিলে। দৰ্জাৰ সিপাৰে বৰুৱাৰ গাড়ীৰ ড্ৰাইভাৰটো দেখি অৰুণ অবাক হ'ল।

'বাহিৰত পুলিচ পেট্ৰোল ভান এখনৰ পৰা এ. এচ. আই. সদানন্দ হাজৰিকা নামি আহি কাউন্টাৰত বহিছে।' ড্ৰাইভাৰটোৱে ফুচফুচাই ক'লে।

অৰুণে উভতি চালে।

কোঠাটোৰ পৰিবেশ এতিয়া অশান্ত।

অৰুণে বুজিলে, ঘটনাই এতিয়া মোত সলাইছে।

৮

'চফিকুল?'

'হু।'

'আৰু বেছি সময়লৈ আমি ইয়াত লুকাই থকাটো উচিত নহ'ব। পুলিচে আমাৰ লগত ৰেহেনা থকা বুলি গম পালেই তাইৰ আড্ডা সমূহত ৰেইড কৰিবই। আমি ধৰা পৰি যাম তেতিয়া।' যতীন পেগুৱে কথাষাৰ কৈ চফিকুললৈ চালে। চফিকুলে ৰেহেনাৰ চকুত চকু থৈ নিবিড় ভাৱে কিবা ভাৱত নিমগ্ন হৈ থকা দেখি পেগুৱে পুনৰাই কলে, 'আমি পল্টন বজাৰলৈ যোৱাই ভাল হ'ব।'

চফিকুলে পেগুলৈ চাই সুধিলে — 'কিয়?'

'পল্টন বজাৰৰ হোটেল ব্ৰহ্মপুত্ৰত অনিল নুৰাণী আছে। বৰুৱা চাহাবকো তাতেই লগ পাম।'

চফিকুলে ইতস্ততঃ কৰিলে।

'চিন্তা নকৰিবা। তোমাৰ গুলী লক্ষ্যভ্ৰষ্ট হোৱাত বৰুৱা চাহাবে কিজানি ভালেই পাইছে।'

'নুবুজিলো।'

'বৰুৱা চাহাব নুৰাণীৰ লগত বুজা পৰালৈ আহিবলৈ চেষ্ট কৰিছিল। কিৰিটি পাঠকে ইচ্ছা কৰা নাছিল বাবেই পাকচক্ৰত বেচেৰা নাৰ্চিং হোমত মৰণৰ মুখ দেখিলে। ডাঃ চাব্ৰাৱাল আৰু বৰুৱা চাহাবে তোমাৰ দ্বাৰা নুৰাণীক মাৰিবলৈ যাওঁতে চাব্ৰাৱালাই মৰি থাকিল। এতিয়া বৰুৱা চাহাব একচত্ৰী সম্ৰাট হৈ পৰিল। মুম্বাইৰ অনিল নুৰাণীৰ লগত সম্পৰ্ক বজাই ৰাখিব পাৰিলে ড্ৰাগছ স্মাগলিঙৰ বিশাল বজাৰ এখন তেওঁৰ হাতত থাকিব। অফুৰন্ত সম্পদৰ অধকাৰী হ'ব তেওঁ। এনেকুৱা মানুহ এজনৰ শৰণাপন্ন হ'লে পুলিচে তোমাৰ নোম এডালো লৰাব নোৱাৰিব।'

চফিকুলে দ্ৰুত চিন্তা কৰিলে।

হঠাতে কোনো ভূমিকা নকৰাকৈ ঘপহকৰে বহাৰ পৰা উঠি ৰেহেনাক কাণে কাণে কিবা এষাৰ ক'লে। পেগুলে আঁৰ চকুৰে চাই চফিকুল বিজুলী বেগেৰে ওলাই গ'ল। পেগু হয়তো তেনে এটা মুহুৰ্ত্তলৈকে অপেক্ষা কৰি আছিল। তেঁৱো দ্ৰুত বেগে চফিকুলৰ পিছে পিছে ৰাস্তাত ভৰি দিলে। ৰেহেনা পিছে বেছ কিছুপৰলৈ স্থবিৰ হৈ ৰ'ল। কোঠাটোৰ লাইটৰ বাল্বটোৰ চুইচটো নুমুৱাই দি ৰেহেনা এটা সময়ত বিছনা খনত বাগৰ দি শুব ওলাইছিল। চিলমিলকৈ হয়তো টোপনিও আহিছিল ; কিন্তু হঠাতে দৰ্জাত টোকৰ পৰা দেখি বিছনাখনৰ পৰা জাপ মাৰি নামি তাই একে কোবে দৰ্জাখন খুলি দিলে। লগে লগে ত্ৰিশৰ দেওনা গৰকা যুৱতী এগৰাকী সোমাই আহিল কোঠাটোলৈ। ৰেহেনাই লাইটৰ চুইচটো টিপি এইবাৰ ক'লে — 'ইমান ফোপাই জোপাই হঠাতে আহিলি যে? তইতো আজিৰ ৰাতিটোৰ বাবে তোৰ এই কোঠাটো এৰি দিয়াৰ কথা আছিল।'

'পুলিচ আহিছে। বস্তিৰ সন্মুখত ৰৈছে।'

'আগতেও পুলিচ আহে। আজিও আহিছে।'

'আজি পিছে অকল তোকহে বিচাৰি ফুৰিছে।'

ৰেহেনাই পিছে ভয় নাখালে। তাই অৱশ্যে যথেষ্ট হতাশ হৈছিল। মুখমণ্ডলত বেদনাৰ অভিব্যক্তি এটাও ফুটি উঠিছিল ; কিন্তু ৰেহেনাই পলকতে নিজকে চম্ভালি ল'লে। কোনো এষাৰ কথা নোকোৱাকৈ তাই ওলাই গ'ল কোঠালীৰ পৰা। অন্ধকাৰত নিমগ্ন হৈ থকা লেতেৰা বস্তিটোৰ চিনাকী বাটসমূহক নেওচা দি ৰেহেনা আওহতীয়া অন্ধকাৰ পথ এটাৰে খৰকৈ খোজ দি এটা সময়ত উলুবাৰী চাৰিআলি পালেহি। এই সময়ত খোজ কাঢ়ি যোৱাতো সমিচীন নহব বুলিয়ে ৰেহেনাই সিদ্ধান্তলৈ আহিল। তাই ৰৈ থকা অ'ট ৰিক্সা এখনৰ কাষ চাপি আহিল। অ'ট ৰিক্সা চালকজনে ছিগাৰেট এটা হুপি আছিল। সন্মুখত সুন্দৰী যুৱতী এগৰাকী দেখি ভিতৰি ভিতৰি চালকজনে ৰোমান্স অনুভৱ কৰিলে।

'ক'লৈ যাব?'

ৰেহেনা বেছ কিছু পৰলৈ নিঃশ্চুপ হৈ ঠিয় হৈ থকা দেখি এইবাৰ চালকজনে মাত লগালে 'উঠক।'

ৰেহেনা নীৰৱে উঠি ল'লে।

'ক'লৈ যাম?' অ'টৰিক্সাখন ষ্টাৰ্ট কৰি সুধিলে চালকজনে।

'পল্টন বজাৰ।'

৯

কোঠাটোৰ পৰিবেশ বহু পৰলৈ নীৰৱ হৈ ৰ'ল। অৰুণ বৈশ্য এচুকৰ চকী এখনত বহি আছিল। নুৰাণীৰ হাতত পানীয়ৰ গিলাচটো নাই। হৰিশ বৰুৱাই কোঠাটোতে পায়চাৰী কৰি আছে।

'বচাৰ উপায় কি বৰুৱা?' হঠাতে সুধিলে নুৰাণীয়ে।

'বচাৰ উপায় আছে। হয়তো এইটোৱে একমাত্ৰ উপায়।'

নুৰাণীয়ে একেথৰে বৰুৱালৈ চাই ৰ'ল, একো নক'লে।

'পুলিচ অফিচাৰজনক হোটেলখন চাৰ্চ কৰাৰ আগেয়ে তেওঁক ইয়াৰ পৰা আঁতৰাই পঠাব পাৰিলেই আমি পলাবলৈ সুযোগ পাম।'

'কেনেকৈ তেওঁক আঁতৰাই পঠাব?' সুধিলে নুৰাণীয়ে।

কেনেকৈ অৱশ্যে বৰুৱাইয়ো ক'ব নোৱাৰিলে। তেওঁৰ চিন্তাই সেইখিনিলৈকে এতিয়াও ঢুকি পোৱা নাই; কিন্তু হঠাতে তেওঁৰ চিন্তাত যতি পৰিল। চিকাৰী মেকুৰীৰ দৰে তেওঁ দৰ্জাখনৰ ওচৰ চাপি গ'ল।

'কোনোবা আহিছে।' ফুচফুচাই ক'লে তেওঁ।

বৰুৱাই বন্ধ দৰ্জাখনৰ পৰা আঁতৰি আহি কাষৰ দেৱালখনত গাটো লগাই অৰুণলৈ চাওঁতেই আৰুণে ইংগিতটো বুজি পালে। অৰুণে ক্ষীপ্ৰতাৰে চামৰাৰ বেগটোৰ পৰা ৰিভলভাৰটো উলিয়াই দৰ্জাখনৰ কাষ চপাৰ মুহূৰ্ত্ততে দৰ্জাখনত টোকৰ পৰিল। বৰুৱাই ফুচফুচাই ক'লে, 'এপাত দৰ্জা লাহেকৈ খুলি দিয়া।'

অৰুণে সন্তপৰ্ণে এপাত দৰ্জাৰ খিলিটো খুলি দিলে।

সৰু ফাঁক এটা হ'ল দৰ্জাখনত।

অৰুণে সোঁহাতখনত থকা ৰিভলভাৰটোৰ ট্ৰিগাৰত আঙুলি এটা থৈ নলীটোৰ আগটো দৰ্জাখনৰ ফাকেঁৰে পোনে পোনে সন্মুখলৈ লৈ আনিলে। আগন্তুকৰ পৰিচয় পালেই অৰুণে সিদ্ধান্ত ল'ব পাৰিব ট্ৰিগাৰত হেচাঁ দিয়াৰ আৱশ্যক হ'ব নে নহয়।

অৰুণে দৰ্জাখনৰ ফাঁকটো আৰু অলপ বহল হওঁতে যতীন পেগুৰ মুখখন দেখি বিস্ময় অনুভৱ কৰিলে।

'ছাৰ নাই?' পেগুৱে সুধিলে।

'আছে।'

পেগু সোমাই আহিল। অৰুণে পুনৰ দৰ্জাখন জপাই দিলে।

'বাহিৰত পুলিচ পেট্ৰোল ভানখনত কেইজনমান পুলিচ কনিষ্টবল আৰু ভিতৰত পুলিচ অফিচাৰ এজনক দেখিয়েই বুজিছিলো আপোনালোকে বিপদত পৰিছে বুলি। মই লগে লগে ফাঁকে ফাঁকে উঠি আহিলো ইয়ালৈ।' পেগুৱে ক'লে।

'আৰু চফিকুল ?' হঠাতে সুধিলে বৰুৱাই।

'সি বাহিৰত ৰৈ আছে।'

বৰুৱাই স্বস্তিৰ নিঃশ্বাস এৰিলে। হয়তো এই যাত্ৰালৈ বচাৰ উপায় এটা ওলাইছে। বাহিৰত চফিকুল ৰৈ আছে যেতিয়া যিকোনো উপায়েৰে এম্বেচাডৰখনত উঠি বহিব পাৰিলেই অন্ততঃ বিপদটোৰ পৰা বচাৰ উপায় ওলাব।

এতিয়া পেগুক ভৰসা কৰা উচিত হ'ব জানো!!

কিন্তু অন্য বিকল্প নেদেখিলে বৰুৱাই।

'পেগু।'

'ছাৰ।'

'আপুনি তললৈ গৈ মোৰ গাড়ীৰ ড্ৰাইভাৰটোক গাড়ীখন ষ্টাৰ্ট কৰি থ'বলৈ ক'ব। চফিকুলকো আঁতৰত সাজু হৈ থাকিব ক'ব। অৰুণে তললৈ গৈ চফিকুলৰ লগ লাগিব। দুয়োৰো হাতত দুটা লডেড ৰিভলভাৰ আছেই। সেই দুটাৰে দুয়ো এক আতংকৰ সৃষ্টি কৰিব লাগিব। পুলিচ অফিচাৰজনৰ সৈতে পুলিচ পাৰ্টিটো হোটেলৰ পৰা হুলস্থুল হোৱা ঠাইখিনিলৈ আঁতৰি যাব। সেই সুযোগতে আমি তললৈ গৈ গাড়ীত উঠিম। আপোনালোকো আঁতৰি যাব। নুৰাণীক মুম্বাইত থৈ আহিয়েই মই আকৌ লগ লাগিম।'

বৰুৱা ৰৈ যোৱাৰ লগে লগে অৰুণ ঠিয় হ'ল।

সি সাজু।

বৰুৱাই পিছে যতীন পেগুলৈহে চাই আছিল। পেগুৰ মুখমণ্ডলৰ অভিব্যক্তি সলনি হৈছে। এটা যেন খণ্ড আৰু বিৰক্তিৰ মনোভাৱ প্ৰকাশ পাইছে মুখখনত।

'পেগু।' বৰুৱাই মত লগালে।

পেগুৱে বৰুৱালৈ চালে।

'পলম কৰিলে মুৰ্খামী কৰাহে হ'ব।'

'কিন্তু......' পেগুৱে কিবা ভাবি ক'লে, 'পুলিচ অফিচাৰজন যদি আঁতৰি

নাযায়!!'

'যাবই।' বৰুৱাই ক'লে। তেওঁ যুক্তি নেদেখুৱালে। মাতষাৰতহে মাথো উগ্ৰ মিহলাই সজোৰে তেওঁ ক'লে।

পেগুৱে নীৰৱে কোঠাটোৰ পৰা ওলাই গ'ল। অৰুণ বৈশ্যইয়ো খোজ পেলাইছিল লগে লগে। কিন্তু এখোজ দিয়ে বৰুৱাৰ চকুৱে চকুৱে পৰাত অৰুণ উচপ খাই উঠিল। এই সময়ত বৰুৱাৰ চকুৱে-মুখে জিঘাংসাৰ ভাৱ এটা দেখা পাব বুলি অৰুণে অৱশ্যে কল্পনাও কৰা নাছিল।

আৰু........

অৰুণে বিস্ময় অনুভৱ কৰিলে বৰুৱাৰ ইংগিতটো দেখি।

হে ভগবান......... পেগুক সি গুলীয়াব লাগিব...... কিন্তু বৰুৱা চাহাবে পেগুৰ মৃত্যু বিচাৰিছে কিয়.....?

অৰুণে অৱশ্যে কাৰণটো বিচাৰি বৈ নাথাকিল।

কোঠাটোৰ পৰা ওলাই আহি দৰ্জাখন বন্ধ কৰি অৰুণ কৰিডৰটোত ভৰি দিলে। কৰিডৰটোৰে বেয়েৰা এটা আহি আছিল। অৰুণে পিছে বেয়েৰাটোলৈ নাচালে। তলমূৰকৈ খোজ দি তলৰ মহলাৰ গ্ৰাউণ্ড ফ্লৰত ভৰি দিলে। দূৰৈত কাউণ্টাৰৰ বহল ডেস্কখনত পুলিচ অফিচাৰ এজনৰ অৱয়ব এটা দেখা পাইছিল অৰুণে। অৱয়বটো অৰুণৰ বেছ চিনাকি যেন লাগিছিল। অৰুণে মনত পেলাবলৈ চেষ্টা কৰিলে। অৰুণৰ ভাৱ হৈছিল সি যেন কৰবাত দেখিছিল অফিচাৰজনক। ক'ত? আজি উত্তৰাৰ সৈতে ৰাতিপুৱা ৰেষ্টুৰাখনত দেখা সেই উদভ্ৰান্ত চেহেৰাৰ যুৱকজনেই নহয়তো......

অৰুণে ভয় খালে।

অফিচাৰজনে মূৰটো ঘুৰালেই এতিয়া অৰুণক দেখা পাব। হয়তো চিনিও পাব অৰুণক।

অৰুণে দ্ৰুত বেগে খোজ দিব ধৰিলে।

কিন্তু............

তেনেতেই অকস্মাতে ঘটনাটো নাটকীয় ভাৱে ঘটি গ'ল।

১০

অৰুণে দূৰৈৰ পৰাই কাউণ্টাৰৰ কাষৰ মেলি থোৱা দৰ্জাখনৰ বহল ফাঁকেৰে দেখিছিল পুলিচ কনিষ্টবল এজন উধাতু খাই দৌৰি অহা। অৰুণে থিতাতে বুজি পাইছিল

অঘটন এটা ঘটিছে বুলি। কিন্তু ঘটনাটোৰ আকস্মিকতাত অৰুণ কিছু শলঠেকত পৰিল। অৰুণ ৰৈ গ'ল। পুলিচ কনিষ্টবলজন ইতিমধ্যে দৌৰি আহি কাউণ্টাৰৰ ওচৰ চাপিছিল। পুলিচ অফিচাৰজনে মূৰটো ঘূৰোৱাৰ চৰম মুহূৰ্ত্তত অৰুণেও কাষৰ ডাঙৰ নটিছ বৰ্ডখনলৈ মূৰটো ঘুৰাই দিলে।

'ছাৰ।'

'কি হ'ল তোৰ?'

'ৰেহেনা বেগম নামৰ প্ৰছজনী...... আজি ৰাকি টকীত অনবৰত মেচেজ আহি আছে ধৰিব লাগে বুলি —' এইবাৰ সেপটুকি কনিষ্টবলটোৱে ক'লে, 'এইমাত্ৰ তাই অ'টৰিক্সা এখনৰ পৰা নামিছে।'

'কি?'

এ. এছ. আই. সদানন্দ হাজৰিকাই পিছে অকল এইষাৰ কথাহে উচ্চাৰণ কৰিলে। তেওঁ এপলকো পলম নকৰি কাউণ্টাৰৰ পৰা ওলাই গ'ল। অৰুণে ঘটনাৰ নাটকীয়তাত ইমান চক খাইছিল যে বেছ কিছু পৰলৈ সি ঠাইতে ৰৈ আছিল। ঘটনাৰ এনেকুৱা পৰিসমাপ্তি দেখি অৰুণ আনন্দিতও হ'ল। সি আকৌ খোজ দি কাউণ্টাৰৰ পৰা বাহিৰ ওলাই আহি ফুটপাথত ভৰি দিলে। পিছমুহূৰ্ত্তত অৰুণৰ পৰা পাঁচ ফুটমানহে আঁতৰত পুলিছ অফিচাৰজন দৰ্জাখনৰ সন্মুখৰ ফুটপাথতে ঠিয় হৈছে, কাষত অ'টৰিক্সা এখনৰ ওচৰত সুন্দৰী যুৱতী এগৰাকী ঠিয় হৈ আছে অসহায় ভাৱে। এ. এচ. আই হাজৰিকা যি ঠাইত ঠিয় হৈ আছে সেইখিনিৰ পৰা চকুৰ দৃষ্টি ইফাল-সিফাল নকৰাকৈয়ে কাউণ্টাৰৰ মূল দৰ্জাখন তেওঁ দেখা পাই থাকিব।

অৰুণে উশাহ সলালে।

ফুটপাথটোত এতিয়াও বেছ জনসমাগম আছে। কৌতুহলী জনতাৰ থুপ এটা কিছু আঁতৰত গোট খাইছে। এম্বেচাডৰখন বিশ ফুটমান আঁতৰত ফুটপাথৰ কাষতে ৰৈ আছে। পুলিচ পেট্ৰোলভানখন মাজতে থকা কাৰণে এম্বেচাডৰখন আৰু কাষ চপাই অনাৰ সুবিধা নাই। এনেকুৱা এটা পৰিবেশত বৰুৱা আৰু নুৰাণীক হোটেলৰ মুল দৰ্জাখনৰ পৰা গাড়ীখনলৈ নিওঁতে ৰিক্সা লোৱা হ'ব। ঠাইখণ্ডত ষ্ট্ৰীট লাইটৰ পোহৰো যথেষ্ট পৰিছে।

অৰুণ এখোজ-দুখোজকৈ ক্ৰমশঃ আঁতৰি আহিল।

এম্বেচাডৰখনৰ কাষত অৱশ্যে সি নৰ'ল ; যতীন পেগুৱে ইতিমধ্যেই ড্ৰাইভাৰটোক কাণে কাণে কিবা এষাৰ কৈ আঁতৰত ৰৈছেগৈ। অৰুণে উকা দৃষ্টিৰে সেই

ফালে চাওঁতে চমকি উঠিল। পেগুৰ ওচৰতে চফিকুল খান ঠিয় হৈ ৰৈ আছে। সোঁ-হাতখন পিন্ধি থকা জেকেটটোৰ জেপৰ ভিতৰত সুমুৱাই থোৱা আছে।

অৰুণে জানে , তাত লডেড ৰিভলভাৰ এটা আছে।

সি হয়তো ভয় খাইছিল। যতীন পেগুক গুলীয়াই ধৰাশায়ী কৰোঁতে এটা ছেকেণ্ডৰ আৱশ্যক হ'ব। কিন্তু চফিকুলৰ অব্যৰ্থ আৰু স্থিৰ লক্ষ্যই গুলী অহাৰ বিন্দুটোত আঘাত কৰোঁতে ততোধিক কম সময় ল'ব আৰু এতিয়াই মৃত্যুক সাৱতি ল'বলৈ অৰুণৰ অকণো ইচ্ছা নাই। তেন্তে?

অৰুণে আকৌ এবাৰ মূৰটো পিছফাললৈ ঘূৰালে।

এ. এচ. আই. হাজৰিকাই যুৱতী গৰাকীক হোটেলৰ ভিতৰলৈ নিব খুজিছে। যুৱতী গৰাকীয়ে এখোজ দিছে ; অৱশ্যে যথেষ্ট ধীৰ গতিৰে আৰু এটা মিনিটৰ ভিতৰতে তাই হোটেলখনৰ ভিতৰত সোমাই পৰিব আৰু তেতিয়া যিটো নঘটিবলৈ এই জালখন তৰা হৈছিল সেইটোৱেই ঘটিব।

অৰুণে পলকতে সিদ্ধান্ততো লৈ পেলালে।

সি আৰু দুখোজমান গৈ হঠাতে বাওঁহাতে ঘূৰিল। যাত্ৰীহীন অমনি বাছ এখন ৰৈ আছিল সেইখিনিতে। অৰুণে অমনি বাছখনৰ আঁৰত থিয় হৈ কান্ধৰ চামৰাৰ বেগটোৰ পৰা ৰিভলভাৰটো উলিয়াই ল'লে। এইবাৰ সি চাৰিওফালে চকু ফুৰালে। অৰুণ ঠিয় হৈ থকা ঠাইখিনি অন্ধকাৰ হৈ আছে। পেগুহঁতক আৰু দূৰৈৰ হোটেল ব্ৰহ্মপুত্ৰৰ সন্মুখ ভাগ ঠিকেই দেখা পাইছে অৰুণে। ৰিভলভাৰটো সোঁহাতৰ মুঠিত সুমুৱাই লক্ষ্য স্থিৰ কৰোঁতে অৰুণে অতি কম সময় ল'লে। ট্ৰিগাৰটোত হেচাঁ মাৰি ধৰাৰ পিছৰ মূহুৰ্ত্ততে অৰুণে যতীন পেগুক আৰ্তনাদ কৰি ঢলি পৰা দেখিলে। অৰুণৰ ওঁঠত ক্ৰুৰ হাঁহি এটা বিৰিঙিলে। এতিয়া নিশ্চয় অফিচাৰজন আৰু পুলিচ পাৰ্টিটো ঘটনাস্থলীলৈ দৌৰি আহিব। সেইকণ সুযোগৰ বাবেইতো অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছে বৰুৱা চাহাব।

অৰুণে আকৌ দৃষ্টি ঘূৰালে।

কিন্তু ..........

কোন পলকত যে বুকুত অসহ্য এক যন্ত্ৰণাই নিজকে ক্ষণিক সময়তে ৰক্তাপ্লুত কৰি পেলালে সেইয়া তলকিবই নোৱাৰিলে অৰুণে।

ইতিমধ্যেই বহু পলম হৈ গ'ল।

অৰুণৰ চকুহাল জাপ খাই আহিছিল।

অৰুণে প্ৰচণ্ড শক্তিৰে চেষ্টা কৰিও এযাৰ কথাও উচ্চাৰণ কৰিব নোৱাৰিলে। হুলস্থুল এটা অৱশ্যে তাৰ কাণত ঠিকেই পৰিছিল। মাত্ৰ সিমানেই। খন্তেক পিছতে সিও তাৰ কাণত নপৰা হ'ল। চফিকুলৰ আঘাত হনাৰ শক্তি হয়তো অৰুণতকৈয়ো বেছি আছিল।

কিন্তু চফিকুলেও পলাব নোৱাৰিলে। হয়তো চফিকুলো বিমূঢ় হৈ পৰিছিল।

এসোপা হুইচেলৰ অহৰহ ধ্বনি আৰু তাৰ লগে লগে বুট জোতাৰ লানি নিছিগা চলমান ধ্বনিয়ে তাক পলাবলৈ সুযোগেই নিদিলে। সি সেইখিনিতেই ৰৈ গৈছিল। আঁতৰত..... যথেষ্ট আঁতৰত....... হোটেল ব্ৰহ্মপুত্ৰৰ মূল দৰ্জাখনৰ ওচৰত কেইজনমান সশস্ত্ৰ চিপাহীৰ ওচৰত ৰৈ থকা দুহাল ক্ৰুদ্ধ চকুৰ চাৱনি আৰু এহাল ক্ৰন্দনৰতা সুগঢ়ী চকুৰ সেমেকা দৃষ্টিক আওকাণ কৰিব নোৱাৰি চফিকুলে মূৰটো তললৈ হলাই দিলে। ❑

# সন্ত্রাস

বৰঝাৰ এয়াৰপৰ্টৰ চিকিউৰিটি বিষয়া সন্দীপ দেশাইৰ উত্তেজনা ক্ৰমশঃ বাঢ়ি গৈছে। হাত দুখনৰ কিলাকুটি দুটা বহল চেক্ৰেটেৰীয়েট টেবুলখনত থৈ মূৰটো হাত দুখনৰ মুঠিত পেলাই দি তেওঁ সমস্যাটো আকৌ গভীৰ ভাবে চিন্তা কৰি চালে। তেওঁৰ সন্মুখৰ টেবুলখনৰ ওপৰত নতুন দিল্লীৰ পৰা অহা টেলেক্স মেচেজটো থকা কাগজডোখৰ পৰি আছে। গুৱাহাটীৰ পৰা যোৱা যি কোনো ফ্লাইট এখনৰ আজি অপহৰণ হ'ব পাৰে। ফ্লাইট দুখনৰ উৰণ বাতিল কৰিব লগা নোহোৱাকৈ সম্ভাব্য প্ৰতিৰোধ সৃষ্টি কৰিব লাগিব তেওঁ। সেইটো অৱশ্যে জটিল নহ'ব। কিয়নো ঘড়ীত এতিয়া আবেলি চাৰিটা বাজিছে। আৰু মাত্ৰ দুখন ফ্লাইটহে যাবলৈ বাকী আছে। ফ্লাইত নং ২৩০ খন ৰাণৱেত আছে, দহ মিনিটৰ পিছতে উৰিব। ফ্লাইট নং ২৮৯ এতিয়াও আকাশমাৰ্গতে আছে। যিকোনো সময়ৰ ভিতৰতে অৱতৰণ কৰিব আৰু আধা ঘণ্টা পিছতে আকৌ উৰা মাৰিব গন্তব্যস্থল অভিমুখে। এই আধাঘণ্টা সময়ৰ পিছতো তেওঁৰ উত্তেজনাৰ উপশম নঘটিব। দুয়োখন ফ্লাইট গন্তব্যস্থল নোপোৱালৈকে তেওঁৰ নিস্তাৰ নাই।

দেশাই অৱশ্যে ভয় খোৱা নাই। তেওঁৰ অধীনত তিনিজন সহকাৰী সুৰক্ষা বিষয়া আছে। তিনিওজনক চিকিউৰিটি কন্ট্ৰল ৰূমৰ পৰা মাতি পঠাইছে তেওঁ। যিকোনো মূহুৰ্ত্তত তেওঁলোক পাবহি।

দেশাই এতিয়া অপেক্ষা কৰি আছে।

দেশায়ে আকৌ এবাৰ হাতঘড়ীটোলৈ চকু ফুৰাই টেলিফ'নৰ ৰিচিভাৰটো দাঙি লৈ ডায়েল ঘূৰালে। প্ৰায় এবাৰ বজাৰ লগে লগেই সিফালৰ পৰা সঁহাৰি আহিল 'হেল্লো! কণ্ট্ৰ'ল ৰূম।'

'মই দেশাই।'

'কওঁক ছাৰ।'

'ফ্লাইট ২৮৯ ৰ খবৰ কি?' দেশাইয়ে সুধিলে।

'পাঁচ মিনিটৰ পিছতে অৱতৰণ কৰিব।'

'পাঁচ মিনিট নহয়, দহ বা পোন্ধৰ মিনিটলৈ অৱতৰণ কৰিবলৈ অনুমতি নিদিব।'

'কিন্তু ছাৰ —'

' কোনো কিন্তু নাই। চিকিউৰিটি ৰিজন। বুজিছে?'

ৰিচিভাৰটো থৈ দিলে দেশায়ে। এইবাৰ তেওঁ কিছু অধৈৰ্য্য হ'ল । তেওঁৰ কোঠাটোৰ পৰা চিকিউৰিটি কণ্ট্ৰ'ল ৰুমটোলৈ দূৰত্ব মাথো ত্ৰিশ ফুট। খুব বেছি দুমিনিটৰ ভিতৰতে সহকাৰী সুৰক্ষা বিষয়া তিনিওজন কণ্ট্ৰ'ল ৰুমৰ পৰা আহি পাব লাগিছিল।

দেশাই বহাৰ পৰা উঠি থিয় হ'ল।

তেনেতেই কোঠাটোলৈ সোমাই আহিল অৰ্ডালী ধৰ্মেশ্বৰ দাস।

' কি হ'ল? তেওঁলোকক খবৰ দিলি নে?'

' নাপালো। এয়াৰপৰ্ট অফিচাৰৰ চেম্বাৰলৈ গৈছে। মিটিং আছে বোলে।' ধৰ্মেশ্বৰে ক'লে।

দেশাইৰ খঙ উঠিল। এয়াৰপৰ্ট অফিচাৰজন তেওঁতকৈ জ্যেষ্ঠ হ'ব পাৰে; কিন্তু সুৰক্ষাৰ প্ৰশ্ন য'ত জড়িত হৈ আছে তাত তেওঁৰ ওপৰত কোনেও কৰ্তৃত্ব স্থাপন কৰিব নোৱাৰে। দেশাইৰ ধৈৰ্য্যৰ বান্ধ ক্ৰমশঃ চিঙি যাবৰ উপক্ৰম কৰিলে। দেশাই চকীখনৰ ওচৰৰ পৰা গুছি আহি দৰ্জাখনৰ ওচৰলৈ আহিল। কিন্তু তেতিয়াও অৰ্ডালী ধৰ্মেশ্বৰ একোণত থিয় হৈ থকা দেখি দেশায়ে উষ্মসনা কণ্ঠেৰে সুধিলে, ' কি হ'ল তোৰ?'

' ৰাতিপুৱাতে মানুহ এজনে আপোনাক দিবলৈ চিঠি এখন দি গৈছিল , মই আপোনাক দিবলৈ পাহৰি থাকিলো। এতিয়া —'

' কি?'

আকৌ প্ৰচণ্ড এক খং উঠি আহিছিল দেশাইৰ। তথাপিও নীৰৱে ধৰ্মেশ্বৰৰ হাতৰ পৰা সৰু কাগজ এখিলা লৈ পঢ়ি চালে দেশায়ে। অসমীয়াতে টাইপ কৰা চিঠি এখন। মাত্ৰ এশাৰী বাক্য , আপুনি আবেলি সাৱধানে থাকিব , সন্মুখত ভয়াবহ বিপদ। মাত্ৰ সিমানেই। লিখোতাৰ নামো নাই তলত।

' কোনে দিছিল চিঠিখন?'

' মানুহ এজনে। ডেকা মানুহ। ওখ। চশমা পিন্ধা। দাড়িও আছিল। চিঠিখন আপোনাক দিব কৈয়ে গুছি গ'ল।'

' কিমান সময়ত।'

' দহটা বজাত।'

' তেতিয়াই কিয় মোক চিঠিখন নিদিলি?'

' পাহৰিলো।' ধৰ্মেশ্বৰৰ চুটী উত্তৰ।

দেশায়ে এইবাৰ একো নক'লে। যথেষ্ট শান্ত হৈছে তেওঁ এতিয়া। এতিয়া উগ্ৰ প্ৰদৰ্শনে পৰিস্থিতি আৰু জটিল কৰিব। তেওঁৰ চাকৰীতকৈয়ো এতিয়া তিনিশ যাত্ৰীৰ সুৰক্ষাৰ প্ৰশ্নহে অধিক মূল্যবান হৈ পৰিছে।

দেশায়ে ধীৰ খোজেৰে এইবাৰ অগ্ৰসৰ হ'ল।

কিন্তু হঠাতে দেশাইৰ যষ্ঠেন্দ্ৰীয় সজাগ হৈ উঠিল। তেওঁ বৈ গ'ল। ঘপহকৰে পিছলৈ ঘূৰি চালে। পিছত কৰিডৰটোৰ সিটো মূৰত মানুহ এজন থিয় হৈ আছিল। তেওঁ ঘূৰি চোৱাৰ মূহুৰ্ত্তে তৰিৎ গতিৰে আঁতৰি গ'ল। ছকামকাকৈহে দেখা পালে দৃশ্যটো।

' ধৰ্মেশ্বৰ।' চিঞৰিলে দেশায়ে।

কোনো উত্তৰ নাপালে দেশায়ে। তেওঁ আকৌ ঘূৰি আহিল। তেওঁৰ কোঠালৈ সোমাই গৈ চমকি উঠিল।

' তই যোৱা নাই?'

' নাই মানে —'

' ক'লৈ ফ'ন কৰিছিলি?'

' এনেয়ে....... মানে........ ফ'নটো উঠাই চাইছিলো..........'

' থৈ দে।' যথেষ্ট শান্তভাৱেৰে কথাষাৰ ক'লে দেশায়ে। এটা মূহুৰ্ত্ত তভক মাৰি বৈ পুনৰাই ক'লে — ' চিকিউৰিটি চেক্ আপত আছাম পুলিচৰ চাব ইন্সপেক্টৰ প্ৰদীপ বৰা আছে। মোক ৰূমত লগ ধৰিবলৈ কবি।'

দেশাই আৰু নৰ'ল। আকৌ ওলাই আহিল।

২

কোঠাটো আহল-বহল। শীত-তাপ নিয়ন্ত্ৰিত। সোঁ মাজতে আছে চেক্ৰেটেৰীয়েট টেবুল এখন। এমূৰে বহি আছে এয়াৰপৰ্ট বিষয়া জগদীশ পাণ্ডে। আনমূৰে বহি আছে সহকাৰী সুৰক্ষা বিষয়া লোচন ভূঞা, বিনোদ দাস আৰু প্ৰদীপ চক্ৰবৰ্তী। একোণত বহি আছে ষ্টেনো টাইপিষ্ট পদ্মা মুছাহাৰী।

' আপোনালোকে বুজি পাইছে নিশ্চয় এতিয়া মই কিয় অকল আপোনালোক তিনিজনক মাতি পঠিয়াছো। মই জানো ডাইৰেক্টৰ চিভিল এভিয়েচনে যেতিয়া কাৰোবাৰ চৰিত্ৰ আৰু কাম-কাজ কৰাৰ ধৰণ সম্পৰ্কে ওপৰৱালা বিষয়াৰ পৰা প্ৰতিবেদন বিচাৰে অৰ্থ এটাই হ'ব, মানুহজনৰ ওপৰত এটা বিভাগীয় তদন্ত হ'ব, অথবা চি. বি. আইয়ে তদন্ত চলাব। আমাৰ সন্দীপ দেশাইৰ ক্ষেত্ৰত দ্বিতীয়টোহে প্ৰযোজ্য হ'ব। কিয় জানানে? কাৰণ

দুপৰীয়া চি. বি. আইৰ ইন্সপেক্টৰ এজনে আজি মোৰ পৰা দেশাইৰ সবিশেষ বিচাৰিছিল।'

পাণ্ডে ৰ'ল। ছিগাৰেট এটা জ্বলালে।

পাণ্ডেই আকৌ মাত লগালে, ' ঘটনাবোৰ বৰ দ্রুত গতিত ঘটিব ধৰিছে। ৰাতিপুৱা পালো চিভিল এভিয়েচনৰ ডাইৰেক্টৰ জেনেৰেলৰ চিঠিখন! দুপৰীয়া আহিল চি. বি. আইৰ মানুহজন। অলপ আগেয়ে পালো হ'ম মিনিষ্ট্ৰিৰ বাৰ্তা এটা। আজি অপহৰণ হ'ব পাৰে যিকোনো এখন ফ্লাইটৰ।'

পাণ্ডে ৰ'ল।

' কিন্তু ছাৰ আমি দেশাই ছাৰৰ সহায় ল'বই লাগিব।'

' কিয় ?'

' তেওঁ এতিয়াও ছাৰ সুৰক্ষা বিষয়া হৈয়েই আছে। পুলিচ আৰু বেটেলিয়নৰ চিপাহীবোৰ তেওঁৰ অধীনতহে আছে। ওপৰৰ পৰা সুস্পষ্ট নিৰ্দেশ আছে এয়াৰপৰ্টৰ সুৰক্ষাৰ প্ৰশ্নত চিকিউৰিটি অফিচাৰজনেই সৰ্ব্বময় কৰ্তা। এনেস্থলত তেওঁ যি আদেশ দিয়ে আমি পালন কৰিবলৈ বাধ্য।'

নীৰৱে ৰ'ল পাণ্ডে।

সুন্দৰভাৱে জালখন পেলাইছিল তেওঁ। অনামী নামেৰে চিঠি লিখি লিখি তেৱেঁ দেশাইৰ ওপৰত এটা সন্দেহজনক ভাৱৰ সৃষ্টি কৰিছিল। নতুন দিল্লীও পতিয়ন গৈছিল। কিন্তু এতিয়া ?

মাহেকত অপহৰণ হ'ব পাৰে বুলি সাৱধাসূচক বাৰ্তা বহুকেইটাই পায় তেওঁলোকে। প্ৰতিবাৰেই বাৰ্তাবোৰ ভুল প্ৰমাণিত হৈছিল। পাণ্ডেই জানে আজিৰ বাৰ্তাও ভুল প্ৰমাণিত হ'বই। কিন্তু এইবাৰ যদি অতীতৰ পুনৰাবৃত্তি নঘটে ?

হঠাতে দৰ্জাখন মেল খালে।

সোমাই আহিল সন্দীপ দেশাই। ভূএগ্ৰা, দাস আৰু চক্ৰৱৰ্তী থিয় হৈ চালাম দিলে। দেশাই পিছে নবহিল। তেওঁলোক তিনিওলৈ চাই গহীন স্বৰেৰে ক'লে — 'আপোনালোক তিনিওজন চিকিউৰিটি কণ্ট্ৰ'লৰুমত বহকগৈ। যেতিয়ালৈকে ফ্লাইট দুখন কলিকতা আৰু নতুন দিল্লী নাপায়গৈ তেতিয়ালৈকে তাতেই থাকিব লাগিব। আৰু মিঃ পাণ্ডে। নতুন দিল্লীৰ পৰা মই মেচেজ এটা পাইছো। আজি যি কোনো ফ্লাইট এখনৰ হাইজেকিং হ'ব পাৰে। সেয়েহে এয়াৰপৰ্ট চিকিউৰিটি এক্টমতে মই মোৰ ইচ্ছানুযায়ী ব্যৱস্থা লম। আশাকৰো মই আপোনাৰো সহযোগ পাম।'

কথাযাৰ কৈয়ে দেশাই ওলাই গ'ল।

পিছমূহূৰ্ত্তত ভূএগ্ৰা, দাস আৰু চক্ৰৱৰ্তীও ওলাই গ'ল।

'পদ্মা। তুমি নাযাবা।'

পাণ্ডে কথাযাৰ কৈ কলিং বেলটো টিপি দিলে। পিয়ন উপেন কলিতা সোমাই আহিল।

'ধৰ্মেশ্বৰক মাতি আন।'

উপেন ওলাই গ'ল।

'দৰ্জাখনৰ হুকটো লগাই দিয়া পদ্মা।'

'কিন্তু ছাৰ এতিয়া ....'

'কোনো কিন্তু নাই। মোৰ মনটো বেয়া। শান্তি লাগে এতিয়া মোক।'

৩

এৰাইভেল লাওঞ্জত এতিয়া ভিৰ যথেষ্ট। ধৰ্মেশ্বৰে সেই ভিৰৰ মাজত মানুহজনক বিচাৰি ফুৰি যথেষ্ট আমনি পাইছে। তথাপিও উপায় নাই। সামান্য চিঠি এখন দেশাইক দিলেই তেওঁ টকা কুৰিটা দিব। ধৰ্মেশ্বৰে জানে টকা কুৰিটাৰ মূল্য। মানুহজনে সেয়েহে চাৰিটা বজাত আকৌ লগ ধৰিবলৈ কওঁতে ধৰ্মেশ্বৰে ভালেই পাইছিল।

ধৰ্মেশ্বৰ হতাশ হ'ল। মানুহজনক নেদেখিলে সি।

ধৰ্মেশ্বৰ এইবাৰ উভতি খোজ লবলৈ অগ্ৰসৰ হ'ল।

তেনেতেই ধৰ্মেশ্বৰৰ চকু পৰিল বহল আয়নাৰ খিৰিকীকেইখনত। খিৰিকীৰ সিপাৰে মানুহজন থিয় হৈ আছে।

ধৰ্মেশ্বৰ তড়িৎ খোজেৰে বাহিৰ পালে।

'দেশাইক চিঠিখন দিছিলা নে?' মানুহজনৰ অনুচ্চ কণ্ঠ।

'অ।'

'পঢ়িলে?'

'অ।'

'কি ক'লে?'

'একো নক'লে। চিঠিখন লৈয়ে ওলাই গ'ল।'

মানুহজনে যেন স্বস্তিৰ নিঃশ্বাস পেলালে। তেওঁ পকেটৰ পৰা আন এখিলা

কাগজ উলিয়াই ধৰ্মেশ্বৰক দিলে।

' দেশাইক দি দিবা। আন একো নক'বা।'

কুৰি টকাৰ নোট এখন ধৰ্মেশ্বৰৰ হাতত গুজি দি মানুহজন তড়িৎ গতিৰে আঁতৰি গ'ল। চশমাযোৰ চকুৰ পৰা আঁতৰাই আনি ৰুমালখনেৰে মুচি মুচি তেওঁ টেক্সীবোৰৰ মাজে মাজে খৰকৈ খোজ দি ষ্টেট বেঙ্কৰ চৌহদ পালেগৈ। ওচৰৰ অসমৰ পৰ্যটক বিভাগৰ বিজ্ঞাপনখন আঁৰি ৰখা খুটা দুডালৰ তলত স্কুটাৰ এখন পাৰ্ক কৰি থোৱা আছিল। তেওঁ সময় অপব্যয় নকৰিলে।

স্কুটাৰখন ষ্টাৰ্ট কৰি তেওঁ দীঘলকৈ উশাহ এটা ল'লে।

হঠাতে মানুহজন বৰ উত্তেজিত হৈ উঠিল।

কাৰ পাৰ্কৰ পৰা এম্বেচাদৰ এখন ওলাই আহিছে। বৰ তীব্ৰগতিৰে। চালকজনক চিনি পাইছে তেওঁ। ওচৰত বহি থকা মানুহজনকো তেওঁ চিনি পাইছে।

কি কৰিব এতিয়া তেওঁ !!

তেওঁ জানে এম্বেচাদৰখনৰ আৰোহী দুজনৰ উদ্দেশ্য।

তেওঁলোক তেওঁৰ মৃত্যুদূত।

কিন্তু তেওঁ যে বাচিবই লাগিব। অন্ততঃ তিনিশ চাৰিশজন যাত্ৰীৰ প্ৰাণ ৰক্ষা কৰিবলৈ তেওঁ বাকী আছে।

হাতত এতিয়া তেওঁৰ নিচেই কম সময়।

হয়তো আৰু দহ ছেকেণ্ড ............ পাঁচ ছেকেণ্ড অথবা............

মানুহজনে স্কুটাৰখন ঠাইতে পেলাই থৈ বেংকৰ বিল্ডিংটোলৈ ভিৰাই লৰ দিলে। কিন্তু দুখোজো আঁতৰিব নোৱাৰিলে তেওঁ। এম্বেচাদৰখনৰ পৰা অহা তিনিজাঁই গুলীৰ আঘাতে তেওঁক ঠাইতেই অৱশ কৰি দিলে। ৰক্তাবৃত হৈ তেওঁ ঢলি পৰিল।

ধৰ্মেশ্বৰে পিছে দৃশ্যটো নেদেখিলে। ইতিমধ্যেই সি পুনৰ এৰাইভেল লাওঞ্জত প্ৰৱেশ কৰিছিল। তাতেই লগ পালে সি উপেনক।

' তোক পাণ্ডে চাহাবে মাতিছিল।' উপেনে ক'লে।

' কিয় ?'

' ক'ব নোৱাৰো।' ধৰ্মেশ্বৰ ন'ৰই গৈ থকা দেখি উপেনে ক'লে —' এতিয়া লাভ নাই। চাহাবে ৰুমৰ দৰ্জা ভিতৰৰ পৰা বন্ধ কৰি থৈছে। পদ্মা বাইদেউ আছে লগত।'

ধৰ্মেশ্বৰে হাঁহিলে।

'তেতিয়া হ'লে খন্তেক পিছত যাম।'

কথাষাৰ কৈয়ে ধৰ্মেশ্বৰ দ্ৰুত বেগেৰে আগবাঢ়িল। দেশাইৰ কোঠালৈ সোমাই গৈয়ে হতাশ হ'ল ধৰ্মেশ্বৰ। দেশাইক নেদেখি ধৰ্মেশ্বৰ এইবাৰ চিকিউৰিটি ক'ন্ট্ৰল ৰুমলৈ গ'ল। ক্লজ চাৰ্কিট টি- ভি চেট কেইটাৰ পৰ্দা কিখন সজীৱ হৈ আছে। বৰ মনোযোগেৰে দেশাই টি-ভি চেট কেইটাৰ পৰ্দাকিখনত জিলিকি উঠা দৃশ্যসমূহ নিৰীক্ষণ কৰি আছিল। ধৰ্মেশ্বৰ দেশাইৰ ওচৰ চাপি চিঠিখন আগবঢ়াই দিলে। দেশায়ে চিঠিখনত লগে লগেই চকু ফুৰালে। আকৌ মাত্ৰ এশাৰী বাক্য লিখা আছিল চিঠিখনত।

'আপুনি সাৱধান হ'লনে? দুৰ্ঘটনা পিছে ঘটিবই।'

সিমানেই। অৱশ্যে তলত সৰুকৈ লিখা আছিল এজন শুভাকাঙ্খী।

দেশায়ে এইবাৰ ধৰ্মেশ্বৰলৈ পোনপটিয়াকৈ চাই পঠিয়ালে।

'চিঠিখন আগৰ মানুহজনেই দিছিল নে অইন কোনোবাই?'

'বেলেগ এজনে।'

'কেতিয়া? তই এৰাইভেল লাঞ্জত থাকোতে নে পিছত?'

থতমত খালে ধৰ্মেশ্বৰে। সেপ ঢুকিব ধৰিলে সি।

'মই তোক টিভিৰ পৰ্দাত দেখিছিলো এবাৰ। উপেনকো দেখিছিলো তোৰ লগত। এতিয়া ক মানুহজনে কেতিয়া তোক চিঠিখন দিছিল?'

'অলপ আগতে।'

'লগত উপেন নাছিল জানো?'

'নাছিল। উপেনক লগ পোৱাৰ আগেয়েই মানুহ এজনে আহি মোক এৰাইভেল লাওঞ্জৰ বাহিৰলৈ মাতিনিছিল। তাতেই চিঠিখন দিছিল মোক। মই ঘূৰি আহোঁতেহে উপেনক.......'

'দেখিবলৈ কেনেকুৱা মানুহজন?'

'চাপৰ, শকত।'

'চশ্‌মা, দাড়ি?'

'নাছিল।'

'হু।'

দেশাই নীৰৱ হৈ পৰিল। হুমুনিয়াহ এটা এৰিলে। বুজি পইছে তেওঁ, ধৰ্মেশ্বৰে কিবা এষাৰ কথা মিছা মাতিছে। তাৰ অপ্ৰস্তুত আৰু বিমূঢ় হৈ পৰা মুখখনেই সাক্ষী। কিন্তু এতিয়া ধৰ্মেশ্বৰক সঁচা ক'বলৈ বাধ্য কৰাতো উচিত হ'ব জানো?

তদুপৰি চিঠিখনেও তেওঁক বৰ বিমূৰত পেলালে।

মানুহজন সঁচাকৈয়ে শুভাকাঙ্খী জানো? যদি শুভাকাঙ্খী হয় তেন্তে অঘটন এটা ঘটিব বুলিও ধৰি ল'ব লগিব। আৰু সেয়ে যদি হয় হাতত এতিয়া তেওঁৰ নিচেই কম সময়হে আছে।

'এচ. আই. প্ৰদীপ বৰাক লগ পাইছিলিনে?'

'তেওঁক লগ নাপালো। অইন এজনক কৈ আহিছিলো আপুনি বৰাক বিছাৰিছিলে বুলি।'

'তই যা তেন্তে এতিয়া। বাহিৰত ৰৈ থাকিবি। আকৌ কোনোবা মানুহ আহিলে লগে লগে মোক খবৰ দিবি।'

ধৰ্মেশ্বৰ ওলাই গ'ল।

'চক্ৰৱৰ্ত্তী।'

'ছাৰ।' প্ৰদীপ চক্ৰৱৰ্ত্তীয়ে মূৰৰ পৰা হেডফ'নটো এৰুৱাই আনিলে।

'কণ্ট্ৰ'ল ৰুমৰ শেহতীয়া খবৰ কি?'

'ফ্লাইট ২৮৯ ক আৰু দহ মিনিটলৈ আকাশমাৰ্গতে থাকিব কৈছে। সেইখন অবতৰণ কৰাৰ পিছতে ফ্লাইট নম্বৰ ২৩০ খন উৰা মাৰিব।'

'আৰু ভূএ্যাৰ খবৰ কি?'

'তিনিজন কমাণ্ডো ২৩০ খনত যোৱাৰ ঠিকঠাক কৰিলে তেওঁ। যাত্ৰী সকলক প্লেনত উঠাৰ আগেয়ে আৰু এবাৰ চেক কৰিলে। একো নাপালে।'

'ঠিক আছে। আমাৰ কাম শেষ। অন্তত ২৩০ খনৰ ক্ষেত্ৰত। এতিয়া কণ্ট্ৰ'ল ৰুমক জনাই দিয়ক আমি কোৱা মতে কাম কৰি যাবলৈ।'

কথাখিনি কৈ দেশাই বাহিৰলৈ ওলাই আহিল। কিন্তু ধৰ্মেশ্বৰক বাহিৰত নেদেখি দেশাইৰ মনত সন্দেহ বীজে ভূমুকি মাৰিলে।

'ধৰ্মেশ্বৰ।' প্ৰত্যুত্তৰ নাপাই দেশায়ে আকৌ মাতিলে 'ধৰ্মেশ্বৰ।'

দেশাই লাওঞ্জলৈ আহিল। ২৮৯ নং ফ্লাইটৰ যাত্ৰী সকলে দীঘলীয়া শাৰী

পাতিছে সুৰক্ষা পৰীক্ষাৰ বাবে। দেশায়ে যাত্ৰী সকলক মুখবোৰৰ ওপৰত চকু ফুৰাই অগ্ৰসৰ হ'ল। কিন্তু পিছফালৰ পৰা কোনোবাই মতা শুনি উভতি চালে দেশায়ে।

এ. এছ. আই. দিবাকৰ হালৈ চেলুট এটা দি তেওঁৰ ওচৰত ঠিয় হৈছে।

' মানুহ এজনৰ খুন হৈছে ছাৰ। ডেড বডীটো স্পটতে মানে ষ্টেটবেংকৰ চোতালত পৰি আছে। বৰা ছাৰে আপোনাক খবৰ দিব কৈছে।'

দেশাইৰ অন্তৰাত্মা দুৰু দুৰুকৈ কঁপি উঠিল। তেওঁৰ অন্তৰত অলপ আগলৈকে ভাব হৈছিল হয়তো অঘটন এটা ঘটিব বুলি। কিন্তু এতিয়া সেই দুঃচিন্তাই সঁচা হ'বলৈ উপক্ৰম কৰিছে।

' আপুনি মোৰ পিয়ন ধৰ্মেশ্বৰক বিচাৰক। পালে এৰেষ্ট কৰি থ'ব। মই স্পটলৈ যাওঁ।'

ধুমুহাৰ দৰে আঁতৰি গ'ল দেশাই।

' হালৈ , বহুদিনৰ মূৰকত আকৌ লগ পালো আপোনাক।' কোনোবাই ওচৰতে ঠিয় হৈ অনুচ্চ কণ্ঠেৰে কোৱা যেন পালে এ. এছ. আই. দিবাকৰ হালৈয়ে।

৪

উবুৰি হৈ পৰি আছে মানুহজন। পিঠিখন ৰঙাপ্লুত হৈ আছে। এজুম মানুহ গোট খাইছে। এচ. আই. বৰাই তিনিজন চিপাহী লৈ মৃতদেহটো আগুৰি আছে। দেশায়ে চাৰিওফালে চাই বৰাক ফুচফুচাই ক'লে, ' মানুহ বিলাকক খেদি পঠিয়াওঁক।'

বৰাই চিপাহী এটালৈ ইংগিত দিলে।

চিপাহীটোৱে লাঠি জোকাৰিলে।

মানুহখিনি ছত্ৰভংগ দিলে।

' আজৰা পুলিচ ষ্টেচনত খবৰ দিছো। ইন্সপেক্টৰ ছাৰ জীপেৰে আহি আছে।'

দেশায়ে হালি মৃতদেহটো নিৰীক্ষণ কৰিলে।

' দাড়ি আছিল মানুহজনৰ।' দেশায়ে ক'লে।

' চশমাও পিন্ধিছিল বোধকৰো। আঁতৰত চশমা এযোৰ পাইছো।'

চমকি উঠিল দেশাই।

ৰাতিপুৱা ধৰ্মেশ্বৰে কোৱা মানুহজনেই নহয়তো!

' মানুহজন এৰাইভেল লাওঞ্জৰ বাহিৰৰ বাৰাণ্ডাখনতে বহু সময়লৈ থিয় হৈ

আছিল। টেক্সীষ্টেণ্ডৰ ড্ৰাইভাৰএজনে দেখা পাইছিল। কোনোবা এটাৰ লগত কথাও পাতিছিল, টকা আৰু কাগজ এখিলাও দিছিল হেনো। তাৰপিছত ঘূৰি আহি স্কুটাৰখন ষ্টাৰ্ট কৰিব ওলাইছিল। এনেতে এম্বেচাদৰ এখনৰ পৰা —'

দেশাই পিছে নৰ'ল।

উল্কাবেগেৰে খোজ দিব ধৰিলে দেশায়ে। মূল গেটৰ মূখতে লগ পালে এয়াৰপৰ্ট অফিচাৰ পাণ্ডেক। মুখখনত কুটিল হাঁহি এটা বিৰিঙি আছে পাণ্ডেৰ।

' দেশাই।'

দেশাই ৰ'ল। ক'লে ' কওঁক।'

' এইমাত্ৰ দিল্লীৰ পৰা টেলিগ্ৰাফিক মেচেজ এটা পাইছো। আপোনাক দিল্লীলৈ বদলি কৰিছে। পদবীৰ উল্লেখেই নাই পিছে। সোনকালেই আপোনাক অব্যাহতি দিবলৈ কৈছে। মোৰ বোধেৰে আজি — ' ক'লে পাণ্ডেই।

' আজি নিশ্চয় মই চাৰ্জ নিদিওঁ।'

কথাষাৰ কৈ দেশাই আঁতৰি আহিল। নিজৰ কোঠালৈ সোমাই আহি দেশায়ে দীঘল-দীঘলকৈ উশাহ ল'ব ধৰিলে। ফোঁপাইছে মানুহজন। এক প্ৰচণ্ড মানসিক ক্লান্তিয়ে দেশাইৰ সৰ্বস্ব যেন গ্ৰাস কৰি আনিছে। এক হিংসাত্মক অপহৰণৰ দুৰ্ঘটনা ঘটিব। হয়তো নিৰপৰাধী যাত্ৰী কিছুমানৰ মৃত্যুও হ'ব পাৰে। চৰকাৰেও সৈমান হৈ অপহৰনকাৰীৰ চৰ্ত মানি ল'ব। অপূৰণীয় ক্ষতি হ'ব দেশৰ।

হঠাতে কোঠাটোলৈ সোমাই আহিল ভূএগ্ৰা।

' ফ্লাইট ২৮৯ ত কেন্দ্ৰীয় উপমন্ত্ৰী এগৰাকীও যাব ছাৰ। তেওঁ ভি. আই. পি. লাওঞ্জত বহি আছে।' ভূএগ্ৰাই একে উশাহে ক'লে।

' এ. এচ. আই হাঁলৈক খবৰ দিছে?'

' দিছো ছাৰ।'

' ঠিক আছে। আমাৰ দায়িত্বও সিমানখিনিলৈকেহে।'

ভূএগ্ৰা যাবলৈ ওলাইয়ো বৈ দিলে। ক'লে ' হাঁলেয়ে খবৰ দিছে ছাৰ ধৰ্মেশ্বৰ ষ্টেনো টাইপিষ্ট পদ্মা মুছাহাৰীৰ লগত পাণ্ডে চাহাবৰ কোঠাত আছে। তাৰপৰা ওলালেই তাক আপোনাৰ ওচৰলৈ লৈ আহিব।'

' ঠিক আছে।' যথেষ্ট গহীনতাৰে আৰু কিছু নিৰ্লিপ্ততা সানি দেশায়ে ক'লে। কিন্তু ভূএগ্ৰা ওলাই যোৱাৰ পিছতে দেশাইৰ মুখখনে ততালিকে বৰণ সলালে।

তেওঁ যেন ইংগিত এটা অনুধাৱন কৰিব পাৰিছে।

বৰ স্পষ্ট ইঙ্গিত এটা।

৫

কাফেটেৰীয়াখনত ভিৰ যথেষ্ট। কোনো এখন টেবুল খালি হৈ থকা নাই। যুৱক এজনে কাফেটেৰীখনৰ দুৱাৰডলি পাৰ হৈয়ে খন্তেক ৰৈ গ'ল। চাৰিওফালে চকু ফুৰালে তেওঁ। চিকাৰী মেকুৰীৰ দৰে সুতীক্ষ্ণ দৃষ্টি।

' টেবুল খালি নাই ছাৰ। অলপ পিছত আহিব লাগিব।' ৱেটাৰ এটাই ক'লে।

' দেখিছো।'

কথাষাৰ কৈয়ে যুৱকজনে গহীন খোজেৰে ৰাণৱেৰ ফালৰ বহল খিৰিকীখনৰ কাষত থকা ছয়জনীয়া টেবুলখনলৈ বুলি আগবাঢ়িল।

টেবুলখনত তেতিয়া দুগৰাকী যুৱতী আৰু তিনিজন যুৱক আৰু এজন আদহীয়া ভদ্ৰলোক বহি আছিল। সমুখত কফিৰ পিয়লা।

' এই ! আৰু এখন চকী আনি দে।' আদহীয়াজনে চিঞৰিলে।

যুৱক জনে ৱেটাৰ এটাই আনি দিয়া চকী এখনত বহিল।

নিয়মীয়া ওখ যুৱক। সুশ্ৰী। পিন্ধনত দামী ছুট এযোৰ।

' তোমাৰ চিত নম্বৰ কিমান ভাস্কৰ?' সুধিলে আদহীয়া ভদ্ৰলোকজনে।

' চব্বিশ।' ক'লে ভাস্কৰে, অৰ্থাৎ নতুনকৈ অহা যুৱকজনে।

' তেন্তে তুমি আৰু মালা প্ৰায় ওচৰা-ওচৰিকৈ বহিবলৈ পাবা। ৰমেন আৰু যোগেশ সমুখত বহিব। মনালিচা শেষৰ শাৰীত বহিব।'

' চিকিউৰিটি চেক্ আপৰ কাৰণে ঘোষণা কৰিছেই।'

' শুনিছো।'

' পুলিচে হামিদ আলিৰ হত্যাকাণ্ডটোৰ কথা গম পালে। ভূপিন্দৰ সিঙহঁত অৱশ্যে এস্কেচাডৰখনেৰে পলাবলৈ সময় পালে। এতিয়া আমাৰ কামো সুকলমে —'

' সমাধা হ'বই। তুমি চিন্তা নকৰিবা ভাস্কৰ।'

' কিন্তু —' তেনেতেই মালা বোলা যুৱতী গৰাকীয়ে অনুচ্চ কণ্ঠেৰে কৈ পেলালে ' মোৰ বৰ ভয় লাগিছে।'

আদহীয়া মানুহজনৰ মুখখনে বৰণ সলালে।

'আজিকালি প্লেনসমূহত ষ্টিৱার্ডৰ বেশত কামাণ্ডোবোৰ থাকে। আমি অসফল হ'লেই মৃত্যু মুখত পৰিম। মোৰ যে এতিয়াই মৃত্যু মুখত পৰিবলৈ ভয় লাগে।' উচুপিলে মালাই।

আদহীয়া মানুহজনে ততালিকে ৰুমাল এখন উলিয়াই মালাক দিলে।

'দেশাই আহিছে। সাৱধান।' ভাস্কৰে ফুচফুচাই মাত লগালে।

আদহীয়া মানুহজনে কাফেটেৰীয়াৰ কাউণ্টাৰলৈ চাই পঠিয়ালে। কাউণ্টাৰত হেঁচা দি মানুহ এজন ঠিয় হৈছে। চাৰিওফালে সতৰ্ক দৃষ্টি বুলাইছে। আদহীয়া মানুহজনে বুজিলে সেইজনেই এয়াৰপৰ্ট চিকিউৰিটি বিষয়া সন্দীপ দেশাই। তেওঁলোকৰ বাবে এতিয়া পথৰ কণ্টক। কিন্তু মানুহজনক তেওঁৰ চিনাকি যেন লাগিল। কৰবাত যেন দেখিছিল তেওঁক দেশাইক। খুব সম্ভৱ কথাও পাতিছিল। ক'ত মনত পেলাব নোৱাৰিলে তেওঁ। দ্ৰুত চিন্তা কৰিলে তেওঁ। তেওঁ অনুভৱ কৰিব ধৰিছিল দেশাইৰ চিকাৰী দৃষ্টি এইবাৰ তেওঁৰ ওপৰত পৰিছে। হয়তো দেশাইৰ মনতো একেটাই ভাৱকে উপজিছে।

'সাৱধান। দেশাই আহি আছে। আমাৰ টেবুলৰ ওচৰলৈকে আহি আছে।' ফুচফুচাই ক'লে তেওঁ।

দেশাই লেহেম খোজেৰে আহি এসময়ত তেওঁৰ ওচৰত বৈ গ'ল।

'মোৰ যদি ভুল হোৱা নাই আপুনি প্ৰফেচাৰ খাৰসিঙ নহয়নে?'

'হ.....য়.....মই মানে..... আপোনাক......'

'চিনি পোৱা নাই? মই দেশাই। সন্দীপ দেশাই। আপোনাক কাজিৰঙাত লগ পাইছিলো। চিনাকি তাতে হৈছিল আমাৰ। ফৰেন ডেলিগেচন এটাক কাজিৰঙাৰ ৱাইল্ডলাইফ সম্পৰ্কে বক্তৃতা দিছিল আপুনি।'

'মনত পৰিছে মোৰ।' কথাষাৰ কৈ প্ৰফেচাৰ খাৰসিঙ ঠিয় হৈ দেশাইক কৰমৰ্দন কৰিলে। হাতখন কঁপিছিল বোধকৰো তেওঁৰ। তথাপিও নিজকে যথাসম্ভৱ সংযত কৰি ৰাখিলে প্ৰফেচাৰে। কিন্তু তেওঁ উপলব্ধি কৰিব পাৰিছিল ভাস্কৰহঁতৰ মনবোৰ এতিয়া আতংকত জৰ্জৰিত হৈ পৰিছে। তেওঁ যথাসম্ভৱ গহীনাই চিনাকি দিলে 'এওঁলোক মোৰ ষ্টুডেণ্ট। দিল্লীলৈ যাব কনফাৰেঞ্চ আছে।'

'আপুনি নাযায়?'

'মই দুদিন পিছত যাম।'

'আপোনালোকৰ চিকিউৰিটি চেক্ আপৰ কাৰণে ঘোষণা কৰিলেই। দেখি

নকৰিব।'

কথাষাৰ কৈ দেশাই আঁতৰি আহিল।

'ভাস্কৰ।'

'হু।'

'সন্দেহ উপজিছে নেকি তেওঁৰ?'

'বোধকৰো।'

'তেন্তে অপাৰেচন বন্ধ কৰিব নেকি?' মালাই সুধি পেলালে।

'নকৰো।' প্ৰফেচাৰৰ ছুটী উত্তৰ। 'উঠা এতিয়া।'

প্ৰফেচাৰ আগবাঢ়িল। কাফেটিৰীয়াৰ পৰা নামি আহি তেওঁ লাওঞ্জ পালে। যথেষ্ট ভিৰ। কিন্তু দূৰৈৰ পৰাই দেখিলে তেওঁ দেশাই পুলিচ অফিচাৰ এজনৰ লগত কথা পাতিব ধৰিছে। পুলিচ অফিচাৰজন যেন বৰ উত্তেজিত হৈছিল।

৬

সঁচাকৈয়ে এচ আই বৰা উত্তেজিত হৈছিল।

'টেক্সীষ্টেণ্ডৰ দালাল এটাই কৈছে যিখন এম্বেচাদৰে মানুহজনক গুলীয়াই থৈ গ'ল সেইখন এম্বেচাদৰৰ পৰা দুজনী ছোৱালী নামি এয়াৰ পৰ্টৰ ভিতৰলৈ সোমাই গৈছিল। দূৰৈৰ পৰাই দেখিছিল তেওঁ। সেইদেখি ধৰিব নোৱাৰিলে স্পষ্টকৈ।'

'শাৰী পৰিহিতা নে........'

'নহয়। চেলোৱাৰ কামিজ।'

'তেন্তে এয়াৰ হষ্টেজ নহয়। তথাপিও ইমানজাক চেলোৱাৰ কামিজ পৰিহিতা যুৱতীৰ মাজৰ পৰা নিৰ্দিষ্ট দুজনীক বাছি উলিয়াই অনাটো সঁচাকৈয়ে দুৰূহ হ'ব। আকৌ যদি ফ্লাইট ২৩০ ৰ যাত্ৰী তেন্তে ইতিমধ্যেই চৰাই বাহ পালেগৈ। ২৩০ ৰ ইঞ্জিনে আৰাও তুলিছে। খন্তেকতে উৰা মাৰিব। এই মুহূৰ্ত্তত ৰখাব নোৱাৰে তেওঁ। মাত্ৰ সাৱধান বাণী এযাৰ শুনাব পাৰিব। সেয়াই যথেষ্ট হ'ব জানো? নহলেও তেওঁ উপায়হীন।

আৰু যদি ফ্লাইট ২৮৯ ৰ যাত্ৰী তেওঁলোক, তেন্তে? সিয়ঁৰি উঠিল দেশাই।

লাওঞ্জত এতিয়া কুৰিজনী মহিলা, যোল্ল গৰাকী চেলোৱাৰ কামিজ পৰিহিতা। আটাইকেইজনীয়েই চিকিউৰিটি চেক আপৰ কাৰণে শাৰী পাতিছে। তিনি গৰাকীৰ কোচত কেচুঁৱা। অৱশিষ্ট তেৰ গৰাকীয়েই সন্দেহৰ পাত্ৰী। ইতিমধ্যেই যদি ভিতৰৰ লাওঞ্জলৈ

কোনোবা সোমাই গৈছে তেন্তে সংখ্যা আৰু বাঢ়িব।

'আপুনি ইয়াতে ৰব। চাৰিওফালে চোকা দৃষ্টি ৰাখিব।' দেশাই আঁতৰি গ'ল। দহ মিনিটৰ পিছত তেওঁ আকৌ ঘূৰি আহিল।

দেশাইৰ চকুহাল যেন এতিয়া তিৰ্ বিৰাই উঠিছে। মহিলাৰ শাৰীটোত এইবাৰ ওঠৰ গৰাকী যাত্ৰী।

দুগৰাকীৰ সংখ্যা বাঢ়িল।

কিন্তু পিছৰ সেই শকত মহিলা গৰাকী এতিয়াও শেষতেই ঠিয় হৈ আছে। ইয়াৰ অৰ্থ হ'ব মাজত ইতিমধ্যে কোনোবা সোমাই গৈছে।

'ৰবা।'

'ছাৰ।'

'লেডীজৰ শাৰীটোৰ ওপৰত চকু ৰাখিছিল নেকি?'

'মই মানে..... ছাৰ.....'

'বুজিছো।' চমুকৈ কথাষাৰ কৈ দেশাই আঁতৰি আহিল। ভিৰ যথেষ্ট বেছি হৈছে। কোনোৰকমে ভিৰ ঠেলি দেশাই আগবাঢ়িল।

'প্ৰফেচাৰ খাৰসিঙ! আপোনাক আকৌ লগ পালো।'

'মই... মানে ল'ৰা কেইজনক চি. অফ কৰিলো।'

'চিকিউৰিটি চেক্ আপ হ'ল নে?'

'নাই হোৱা। শাৰীৰ শেষত তেওঁলোক। দেৰি হব কিজানি।'

দেশায়ে চাই পঠিয়ালে।

প্ৰফেচাৰৰ ষ্টুডেণ্টকেইজন শাৰীবোৰৰ শেষত ঠিয় হৈছে। কিন্তু ছোৱালী কেইজনী? দেশাইৰ বুকুখন দুৰু দুৰুকৈ কঁপি উঠিল।

তেওঁলোক শাৰীটোৰ মাজত ঠিয় হৈছে। বৰ যেন চঞ্চল তেওঁলোক। 'টেক্সী, এয়াৰলাইনচৰ কোচ সকলোতে ভাড়া বাঢ়িল। আপোনালোক কিহত আহিল ইমান কেইজন? অসুবিধা একো হোৱা নাছিল নে?'

'নাছিল।' প্ৰফেচাৰ খাৰসিঙৰ চমু উত্তৰ।

'আহিল কিহেৰে?' দেশায়ে আকৌ সুধিলে।

'গাড়ীৰে।'

‘ ফিয়েট এখনেৰে নেকি ?’

‘ নহয় এম্বেচাদৰ এখনেৰে। কিয় সুধিলে ?’

‘ নাই এনেয়ে। আপুনি যাওঁতে মোৰ লগতে যাব পাৰিব। ময়ো আজি গুৱাহাটীলৈ যাম। যাওঁতে লগ ধৰিব। কথা পাতি ভাল লাগিব।’

‘ ঠিক আছে।’

দেশাই আঁতৰি আহিল। তেওঁৰ পিছে পিছে এচ আই বৰা। এচুকলৈ বৰাক মাতি নি দেশায়ে ফুচফুচাই কিবা এষাৰ কৈ আকৌ খোজ ল’লে। কৰিডৰটোৰ সমূখতে পদ্মা মুছাৰীক লগ পালে। লগত ধৰ্মেশ্বৰ।

‘ ক’লৈ গৈছিলি ?’

‘ বাইদেৱে লৈ গৈছিল ঘৰলৈ। বাকচ এটা আনিব লাগে বোলে। পাণ্ডে ছাৰে কোৱা দেখি —’

‘ ঠিক আছে। তই কণ্ট্ৰ’ল ৰূমলৈ যা —।’

ধৰ্মেশ্বৰ গ’ল।

কৰিডৰটোত দেশাই আৰু পদ্মা।

পদ্মাই যেন বৰ ভয় খাইছে। শেঁতা পৰিছে মুখখন। চুৰিডাৰ কামিজ পৰিহিতা পদ্মাক অৱশ্যে তথাপিও আকৰ্ষণীয় দেখাইছে।

‘ মই সকলো গম পাইছো।’

‘ ছাৰ..... মানে.... মই...... মোৰ ছাৰ একো দোষ নাই। পাণ্ডে ছাৰে কোৱা দেখি .......।’

‘ তুমিতো নিজৰ ঘৰলৈ যোৱা নাছিলা।’

‘ মই মানে....’

‘ ক’লৈ গৈছিলা ? পাণ্ডেৰ ঘৰলৈ ?’

পদ্মাই মূৰ দুপিয়ালে।

‘ কাগজ পত্ৰ কিছুমান আনিবলৈ ?’ দেশায়ে আলপ বৈ আকৌ সুধিলে।

‘ মোৰ বিপক্ষে পাণ্ডেই দিল্লীলৈ লিখা চিঠিবোৰ ? যিবোৰ তেওঁ নিজে হাতেৰে লিখিছিল ?’

‘ অ।’

'ক'ত আছে চিঠিবোৰ?'

'গাড়ীখনতে আছে.....'

'বলা। হ্যাৰী আপ।'

দেশাই পদ্মাক বাহিৰলৈ টানি লৈ গ'ল। কাৰ পাৰ্কত পাণ্ডেৰ গাড়ীখন ৰৈ আছিল। পদ্মাই গাড়ীখনৰ পৰা ব্ৰীফকেচটো লৈ আনিলে। দেশায়ে ঠাইতেই ব্ৰীফকেচটো খুলিলে। এজাপ চিঠি। হতে লিখা। দুখন মান টাইপ কৰা। সকলোবোৰ চিভিল এভিয়েচনৰ ডাইৰেক্টৰ জেনেৰেললৈ লিখা।

দেশায়ে চিঠিৰ জাপটো উলিয়াই ল'লে।

'পাণ্ডেক একো নকবা।'

দেশাই গুছি আহিল। ওঁঠত তেওঁৰ ক্ৰূৰ হাঁহি। আকাশ মাৰ্গত ফ্লাইট নম্বৰ ২৩০ খনে লহৰ তুলিছে। তেওঁ ভ্ৰূক্ষেপ নকৰিলে, নাচালেও।

এইবাৰ তেওঁৰ চিকাৰৰ পাল।

দুটা চিকাৰ।

এটা দেশৰ, আনটো নিজৰ।

লাওঞ্জত উপস্থিত হৈ দেশাই হতাশ হ'ল। দুঃশ্চিন্তাই তেওঁক আকৌ আগুৰি ধৰিলে। এতিয়া কি কৰিব তেওঁ। লাওঞ্জত বৰা নাই। প্ৰফেচাৰো নাই। তেন্তে?

৭

ক্লজ চাকিট টি ভি চেট কেইটাৰ সজীৱ পৰ্দা কেইখনত চকু ফুৰাই আছে এচিষ্টেণ্ট চিকিউৰিটি অফিচাৰ লোচন ভূঞাই। বৰ বিৰক্তিকৰ কাম। সময় যেন নেযায়, নুপুৱাই।

হঠাতে ভূঞা সচকিত হৈ উঠিল। কিবা যেন আচৰিত দৃশ্য এটাহে দেখিছে তেওঁ। জুমি চাব ধৰিলে টি. ভি. চেটৰ পৰ্দা কেইখন। আদহীয়া মানুহ এজনক দেখিছে তেওঁ। বৰ চঞ্চলতাৰে পাইচাৰী কৰিছে। একোবাৰ চাৰিওফালে চাই পঠিয়াইছে। এছ. আই. বৰাকো দেখিছে তেওঁ। বৰায়ো যেন আদহীয়া মানুহজনলৈকে দৃষ্টি দি আছে।

হঠাতে মানুহজন টি. ভি. পৰ্দাৰ পৰা আঁতৰি গ'ল। কোনো এখন পৰ্দাতে ফুটি নুঠিল তেওঁৰ প্ৰতিচ্ছবি। খন্তেকৰ কাৰণে এবাৰ মাত্ৰ চকামকাকৈ তেওঁ দেখা পালে মানুহজনক। তাৰ পিছ মূহূৰ্ত্ততে আকৌ অদৃশ্য হৈ গ'ল মানুহজন।

ভূঞা উঠি থিয় হ'ল।

কোঠাটোত তেওঁ আৰু ধৰ্মেশ্বৰহে আছে এতিয়া।

'তই কেতিয়া আহিলি?'

'অলপ আগতে।'

'চক্ৰৱৰ্ত্তী আৰু দাস কেতিয়া গ'ল গম পাৱ?'

ধৰ্মেশ্বৰে মূৰ জোকাৰিলে।

ভূএগ্ৰা ওলাই আহিল। লাওঞ্জত এতিয়াও যথেষ্ট ভিৰ। চিকিউৰিটি চেক আপৰ শাৰী দুটা সৰু হৈছে, হয়তো আৰু দহ অথবা পোন্ধৰ মিনিটৰ ভিতৰতে শেষ হ'ব চিকিউৰিটি চেক আপ। তথাপিও এই সময়ত বিশেষকৈ আজি অন্ততঃ এচ আই বৰা ইয়াতে থকা উচিত আছিল। বৰা নেথাকিলেও দাস অথবা চক্ৰৱৰ্ত্তী কোনোবা এজন থকা উচিত আছিল। কিন্তু.......

ভূএগ্ৰাই চাৰিওফালে চালে।

খৰকৈ খোজ দি লাওঞ্জৰ চাৰিওফালে এপাক মাৰিলে। মহিলাৰ চিকিউৰিটি চেক আপৰ শাৰীটোৰ ওপৰত চকু দি ভূএগ্ৰাই কিছু উত্তেজিত অনুভৱ কৰিলে নিজকে। শাৰীটোৰ প্ৰথমতে এতিয়া দুগৰাকী চঞ্চলা আৰু আকৰ্ষণীয় চেহেৰাৰ যুৱতী। কিন্তু..... তেওঁলোক ইমানকৈ অধৈৰ্য হৈছে কিয়? আঁতৰৰ পুৰুষৰ শৰীৰটোলৈ চাইছে, এবাৰ দূৰৈৰ পুৰুষৰ প্ৰস্ৰাৱগাৰটোলৈ চকু থৈছে।

ভূএগ্ৰা নিজৰ অজানিতেই যুৱতী দুগৰাকীৰ ওচৰ চাপিল।

'ছাৰ টয়লেটৰ পৰা ওলোৱাই নাই।'

'চিন্তা নকৰিবি।'

মাত্ৰ সিমানেই শুনিলে ভূএগ্ৰাই। যুৱতীদ্বয় ইতিমধ্যেই ভিতৰলৈ সোমাই গ'ল। ভূএগ্ৰা এইবাৰ টয়লেটলৈ আগুৱালে। দৰ্জাখন ঠেলি ভিতৰলৈ সোমাই গৈয়ে ভূএগ্ৰাই বিস্ময় অনুভৱ কৰিলে। ক্লজ চাৰ্কিট টি ভিৰ পৰ্দাত দেখা আদহীয়া পুৰুষজনে বেচিনটোত দুই হাতেৰে হেঁচা দি সমুখৰ দাপোনখনলৈ অপলক নেত্ৰে চাই আছে।

বৰ বিসদৃশ দেখাইছে দৃশ্যটো।

'আপুনি অসুস্থ নেকি?' ভূএগ্ৰাই মাত লগাওতে। মানুহজনে উভতি চালে।

'ওহো।' কথাষাৰ কৈ মানুহজনে বেচিনৰ টেপটো খুলি দিলে।

ভূএগ্ৰাই টয়লেটত সোমাই আকৌ আঁৰ চকুৰে মানুহজনলৈ চাই পঠিয়ালে। জেপৰ পৰা পিল এটা উলিয়াই লৈছে তেওঁ। টেপৰ পানীৰেই পিলটো খালে তেওঁ।

'আপুনি কাফেটেৰীয়ালৈ গৈ.....'

'নালাগে।'

ভূঞা আৰু নৰ'ল। ওলাই আহিল বাহিৰলৈ।

'ভূঞা আপুনি?'

'অ। আপোনাকে বিচাৰিছিলো।' এছ. আই বৰাক দেখি ভূঞাই মাত লগালে।

'মই মানুহএজনক বিচাৰি আছো। চকুৰ আগতে মানুহজন হঠাতে নাইকিয়া হৈ গ'ল।'

'আদহীয়া নেকি মানুহজন? চশমা আৰু ৰঙচুৰা কোৰ্ট পিন্ধা।'

'অ...... কিন্তু আপুনি......।'

'টয়লেটত আছে। পিল খাইছে।'

'টয়লেটত পিল খাইছে?.? আচৰিত???'

এচ আই বৰা যেন উত্তেজিত হৈ উঠিল। তেওঁ টয়লেটলৈ বুলি খোজ দিলে। ভূঞাইয়ো বেছ বিস্ময় অনুভৱ কৰিছে। ঘটনাবোৰ যেন বৰ নাটকীয়ভাৱে ঘটি যাব ওলাইছে। ভূঞাই আকৌ চাৰিওফালে চালে।

মহিলাৰ শাৰীটো এতিয়া নাই। পুৰুষৰ শাৰীটোত আছে ছয়জন মাত্ৰ। তিনিজন মাৰোৱাৰী ভদ্ৰলোক। তিনিজন যুৱক। চিকাৰী দৃষ্টিৰে যেন তেওঁলোকে চাই আছে।

'ভূঞা!!'

তেনেতেই আৰ্তনাদ এটাই ৰজনজনাই উঠিল।

ভিতৰৰ পৰা আহিছে আৰ্তনাদটো।

৮

দেশাই কৰিডৰটোৰে অগ্ৰসৰ হৈছে।

দ্ৰুত খোজ।

বৰ অধৈৰ্য হৈছে তেওঁ। অন্তৰখনো দ্ৰুতভাৱে স্পন্দিত হ'ব ধৰিছে। তেওঁৰ দুচকুৰ আগতেই যেন চিকাৰ জাল ফালি ওলাই গৈছে!!

তেনেতেই..... আৰ্তনাদ এটা শুনিলে তেওঁ। থমকি ৰ'ল দেশাই। আকৌ কাণপাতি শুনিলে তেওঁ। পুলিচৰ হুইচেলৰ শব্দও শুনিলে তেওঁ। কৰিডৰৰ আনটো মূৰৰ পৰা পাণ্ডে, দাস আৰু চক্ৰবৰ্ত্তীও দৌৰি অহা দেখিলে দেশায়ে।

দেশায়ে পলকতে বুজি পালে ঘটনাৰ গুৰুত্ব। তেওঁ ঘূৰি আকৌ লাওঞ্জলৈ আহিল। লাওঞ্জখন তেতিয়া বিশৃংখল হৈ পৰিছে। এ. এচ. আই. হালৈৰ ককালত ওলমি থকা ৰিভলভাৰটো যুৱক এজনে আজুৰি লৈছে, দুজনে ইতিমধ্যেই দৌৰিছে গেটলৈ।

দেশাইৰ দুচকুৰ আগতেই লাওঞ্জত থকা দুজন ছেণ্টি ৰিভলভাৰৰ আঘাটত ৰক্তাপ্লুত হৈ পৰি গৈছে। যুৱকজন তথাপিও ক্ষান্ত হোৱা নাই। আৰু দুঁজাই গুলী চৌদিশে পোনাই তেওঁ গেট পাৰ হৈ গ'ল।

দেশায়ে কাঁচৰ দীঘল খিৰিকীৰ আয়নাৰ মাজেৰে দেখা পালে টেক্সী এখন উল্কা বেগে আঁতৰিছে।

'হ্যলৈ। ভিতৰত দুজনী চেলোৱাৰ কুৰ্ত্তা পিন্ধা ছোৱালী আছে। গ্ৰেপ্তাৰ কৰা।'

কথাষাৰ কৈয়ে দেশাই টয়লেটলৈ সোমাই গ'ল। মজিয়াত পৰি আছে আদহীয়া মানুহএজন। ওচৰত ভূএগ্ৰা আৰু বৰা।

'প্ৰফেচাৰ খাৰসিঙ!'

'অলৰেডী এক্সপায়াৰ্ড ছাৰ।'

'হি কমিটেড চুইচাইড বাই টেকিঙ..........'

দেশাই ওলাই আহিল।

'কি হ'ল দেশাই।' কাৰোবাৰ অধৈৰ্য কণ্ঠস্বৰ শুনি ওভতি চাওঁতে দেখিলে দেশায়ে ফোঁপাই জোপাই আহি থিয় হৈছে তেওঁৰ ওচৰত এয়াৰপৰ্ট অফিচাৰ পাণ্ডে।

'এ চুইচাইড কেচ।'

'পুলিচক —'

'দিয়া হৈছে। কিন্তু এতিয়া ফৰেনচিক লেবৰেটৰীৰ ফিংগাৰপ্ৰিণ্ট এক্সপাৰ্ট এজনে কাৰোবাৰ হাতৰ আখৰ মিলাই চাব লাগিব।'

'মানে.......?'

পলকতে পাণ্ডেৰ মুখখনে বৰণ সলালে। চকুৰ দৃষ্টি দেশাইৰ হাতৰ মাজত থকা এজাপ কাগজত নিবন্ধ হৈ আছে।

কঁপিছে তেওঁ। তেওঁ লিখা চিঠিবোৰ দেশাইৰ হাতত দেখি তেওঁ উচপ খালে। এক অনামী সন্ত্ৰাসত তেওঁ কঁপিব ধৰিলে। □